
বিনামূলীয়া
পাঠ্যপুথি

# আমি আৰু আমাৰ পৰিৱেশ

## দ্বিতীয় ভাগ

## চতুৰ্থ শ্ৰেণীৰ বাবে

D6H6C9



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ

## নাগৰিক হিচাপে আমাৰ কৰ্তব্যসমূহ

- *সংবিধান মানি চলা আৰু জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা ;*
- *স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা ;*
- *ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষা কৰা ;*
- *দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই দেশৰ প্ৰতি সেৱা আগবঢ়োৱা ;*
- *ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষী মানুহৰ মাজত, ভাতৃত্বভাবৰ সৃষ্টি কৰা মহিলাসকলৰ প্ৰতি মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা ;*
- *আমাৰ মূল্যৱান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা ;*
- *বননি, হ্ৰদ, নদ-নদী, বন্যপ্ৰাণী আদিকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াশীল হোৱা ;*
- *বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰা, মানৱতাবোধৰ সৃষ্টি কৰা আৰু অনুসন্ধিৎসু তথা সংস্কাৰমূলক মনোভাবৰ বিকাশ সাধন কৰা ;*
- *ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাৰ মনোভাব পৰিত্যাগ কৰা ;*
- *ব্যক্তিগত আৰু সামূহিক সকলো কাম-কাজৰ উৎকৰ্ষ সাধনৰ চেষ্টা কৰা আৰু ৰাষ্ট্ৰই যাতে প্ৰগতিৰ পথত আগুৱাই যাব পাৰে তাৰ ব্যৱস্থা কৰা; আৰু*
- *৬ ৰ পৰা ১৪ বছৰীয়া শিশুক পিতৃ-মাতৃ বা অভিভাৱকে শিক্ষা লাভ কৰাৰ সুবিধা প্ৰদান কৰাটো কৰ্তব্য বুলি বিবেচিত হৈছে।*

**স্মাৰ্টফোনত কিউ.আৰ.ক'ড (QR Code) ব্যৱহাৰৰ জৰিয়তে ডিজিটেল বিষয়বস্তু আয়ত্ত কৰাৰ উপায় ঃ**

দীক্ষা (DIKSHA) এপটো ডাউনলোড কৰক আৰু সদ্য ব্যৱহাৰকাৰী (guest) হিচাপে ব্ৰাউয (browse)ত ক্লিক কৰক।

ছাত্ৰ হিচাপে অব্যাহত থাকিবলৈ ছাত্ৰ (student)ত ক্লিক কৰক।

কিউ. আৰ. ক'ড সম্বলিত চিত্ৰ (icon)ত স্পৰ্শ কৰি পাঠ্যপুথিত থকা কিউ. আৰ. ক'ডৰ ওপৰত আপোনাৰ স্মাৰ্টফোনটো ধৰক।

স্মাৰ্টফোনটো সন্তুলিত অৱস্থাত ৰাখক আৰু কিউ.আৰ.ক'ডত মনোনিৱেশ কৰক।

সম্পূৰ্ণ পৰীক্ষণৰ পাছত ম'বাইল স্ক্ৰীণত কিউ.আৰ.ক'ডৰ লগত সংলগ্ন (link) বিষয়বস্তুৰ ক্ৰম উপলব্ধ হ'ব।

**ডেস্কটপত কিউ.আৰ.ক'ড (QR Code) ব্যৱহাৰৰ জৰিয়তে ডিজিটেল বিষয়বস্তু আয়ত্ত কৰাৰ উপায় ঃ**

কিউ. আৰ. ক'ডৰ নিয়মানুসৰি ডায়েল ক'ডত ছয়টা অংকবিশিষ্ট ক'ড উপলব্ধ হ'ব।

ব্ৰাউযাৰ (browser)ত গৈ diksha.gov.in/as/get টাইপ কৰক।

চাৰ্চ (search)বাৰত ডায়েল ক'ডটো টাইপ কৰক।

স্ক্ৰীণত উপলব্ধ বিষয়বস্তুৰ ক্ৰম নিৰীক্ষণ কৰক আৰু প্ৰয়োজনীয় বিষয়বস্তু নিৰ্বাচন কৰক।

D6H6C9

# আমি আৰু আমাৰ পৰিৱেশ

## দ্বিতীয় ভাগ

(পাঠ্য তথা অভ্যসন পুথি)

চতুৰ্থ শ্ৰেণীৰ বাবে



প্ৰস্তুতকৰণ

ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

নাম ঃ ..................................................................................

বিদ্যালয়ৰ নাম ঃ ..................................................................................

শ্ৰেণী ঃ ..................................................................................

**বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ**

AMI ARU AMAR PARIBESH : Part-II: A textbook cum workbook for class IV developed by SCERT, Assam, through workshops, approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati on behalf of Govt. of Assam.

FREE TEXTBOOK

**All rights reserved** : No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the publisher.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১১ ইং চন
দ্বিতীয় প্ৰকাশ ঃ ২০১২ ইং চন
তৃতীয় প্ৰকাশ ঃ ২০১৩ ইং চন
চতুৰ্থ প্ৰকাশ ঃ ২০১৪ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৫ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৬ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৭ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৮ ইং চন
নৱম প্ৰকাশ ঃ ২০১৯ ইং চন
দশম প্ৰকাশ ঃ ২০২০ ইং চন
একাদশ প্ৰকাশ ঃ ২০২১ ইং চন (পুনৰীক্ষিত)

70 GSM কাগজত মুদ্ৰিত পাঠ্যপুথি।

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ **ব্ৰহ্মপুত্ৰ অফচেট**
এম চি ৰোড, গুৱাহাটী- ৩

# পাতনি

শিক্ষাৰ গুণগত মান উন্নয়নৰ লক্ষ্যৰে ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’, অসমে ‘ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা ২০০৫’ৰ আধাৰত ২০১০ চনৰ পৰা ২০১২ চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পৰিৱেশ অধ্যয়নৰ পাঠ্যপুথি ‘আমি আৰু আমাৰ পৰিৱেশ’ৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ভাগ প্ৰস্তুত কৰি উলিয়ায়। অসমৰ প্ৰাথমিক বিদ্যালয়সমূহত বৰ্তমানেও এই পাঠ্যপুথিকেইখন প্ৰচলন হৈ আছে। পাঠ্যপুথিকেইখনে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকসকলৰ মাজত সমাদৰ লাভ কৰিছে বুলি বিভিন্ন সচেতন ব্যক্তিৰ পৰা জানিব পৰা গৈছে।

ইমান বছৰে পাঠ্যপুথিৰ চকুত পৰা ভুল-ত্ৰুটিবোৰ শুধৰণি কৰি পৰৱৰ্তী সংস্কৰণসমূহ সংশোধিত ৰূপত প্ৰকাশ কৰি উলিয়াই থকা হৈছিল।

শেহতীয়াকৈ আমাৰ পৰিৱেশৰ বিভিন্ন প্ৰাকৃতিক, আৰ্থ-সামাজিক তথা ৰাজনৈতিক ক্ষেত্ৰসমূহত হোৱা বিভিন্ন পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি সময়ৰ লগত খাপ খোৱাকৈ প্ৰস্তুত কৰি উলিয়াবলৈ পাঠ্যপুথিকেইখনত বিভিন্ন বিষয়বস্তু বা দিশৰ অন্তৰ্ভুক্তিৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে অনুভৱ কৰা হৈছিল। তদুপৰি দিল্লীস্থ ‘ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’ৰ দ্বাৰা শ্ৰেণী তথা বিষয় অনুযায়ী চিনাক্ত কৰি উলিওৱা ‘শিকন ফলাফলৰ’ আধাৰতো পাঠ্যপুথিকেইখন পুনৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিল। এনে পটভূমিতে অতি কম সময়ৰ ভিতৰত ৰাজ্যখনৰ শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ কেইগৰাকীমান অভিজ্ঞতাপুষ্ট শিক্ষা বিষয়া তথা শিক্ষকৰ সহযোগত পাঠ্যপুথিকেইখন পুনৰীক্ষণ কৰি খচৰা পাঠ লিখি উলিওৱা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰনী কুমাৰ ভাগৱতী, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ ড° জয়দীপ বৰুৱা আৰু ডনবস্কো ইউনিভাৰচিটিৰ ড° সীমান্ত কলিতাদেৱে পাঠ্যপুথিকেইখনৰ খচৰা পাঠসমূহ পুনৰীক্ষণ কৰি পাঠ্যপুথিখনৰ প্ৰস্তুত কাৰ্যক অন্তিম পৰ্যায়ত উপনীত কৰোঁৱাত বহুমূলীয়া অৱদান আগবঢ়ায়। এই সুযোগতে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ লগত শৈক্ষিক বিষয়াসকলৰ উপৰি বিভিন্ন ক্ষেত্ৰৰ পাৰদৰ্শী ব্যক্তিসকলৰ অভিজ্ঞতাও প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইয়াত জড়িত হৈ আছে। এইসকল ব্যক্তিৰ সহযোগিতা অবিহনে পাঠ্যপুথিকেইখন প্ৰস্তুত কৰি উলিওৱাটো সম্ভৱ নহ’লহেঁতেন। এইসকল ব্যক্তিলৈ ‘ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ’, অসম (SCERT) ৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, সদাশয় শিক্ষাপ্ৰেমী ৰাইজে পাঠ্যপুথিকেইখনত অনিচ্ছাকৃতভাৱে ৰৈ যোৱা ভুল-ত্ৰুটি তথা আসোঁৱাহসমূহ দূৰ কৰাত ভৱিষ্যতলৈ সহায় কৰি যাব বুলি আশা কৰা হ’ল।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

## পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

### উপদেষ্টা

**ড° নিৰদা দেৱী**, সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

### পাঠ্যপুথি প্ৰস্তুতকৰণৰ কৰ্মশালাত অংশগ্ৰহণ কৰা ব্যক্তিসকল

**শ্ৰীপ্ৰদীপ শৰ্মা**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা, অসম

**শ্ৰীমতী কৰবী দাস**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ড° সুষমা মজুমদাৰ**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা, অসম

**শ্ৰীমতী ইন্দ্ৰানী বৰগোঁহাই**, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও

**শ্ৰীমতী ডেইজী গগৈ**, জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ

**শ্ৰীমতী মিতালী মহন্ত**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, মিৰ্জা

**শ্ৰীভুবনেশ্বৰ ইংতি**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও

**শ্ৰীপ্ৰশান্ত শইকীয়া**, প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ, অসম

**ড° ৰীতা চৌধুৰী**, সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও

**শ্ৰীমতী মিতালী বৰা**, সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও

### পাঠ পুনৰীক্ষক

**ড° অৱনী কুমাৰ ভাগৱতী**, অধ্যাপক, ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অসম

**ড° জয়দীপ বৰুৱা**, উপ-সঞ্চালক, অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, অসম

**ড° সীমান্ত কলিতা**, অধ্যাপক, ডনবস্কো ইউনিভাৰচিটি, অসম

### ভাষা বিশেষজ্ঞ

**ৰূপালী হাজৰিকা বৰুৱা**, অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, শোণিতপুৰ

### পাঠ সম্পাদনা ও সংকলন

**ড° অজন্তা ব্ৰহ্ম**, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**ড° সুমনা ৰয়**, যুটীয়া সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**শ্ৰীমতী বন্দনা দুৱৰী**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ

### সমন্বয়ক

**শ্ৰীমতী বৰ্ষা শইকীয়া**, উপ-সঞ্চালক, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

### অলংকৰণ

**শ্ৰীশংকৰ কলিতা**, চিত্ৰ শিল্পী, ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

**শ্ৰীবিচিত্ৰ শৰ্মা**

### ডি.টি.পি

**শ্ৰীউৎসৱ তালুকদাৰ, শ্ৰীপৰাগ শৰ্মা**

# শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলৰ প্ৰতি

প্ৰাথমিক শিক্ষাৰ প্ৰধান লক্ষ্য হৈছে গুণগত শিকনৰ জৰিয়তে শিশুৰ সৰ্বাংগীণ বিকাশ সাধন। প্ৰতিগৰাকী শিশুৱে যাতে সৰ্বাত্মক বিকাশৰ সুযোগ পায় তাক নিশ্চিত কৰিবলৈ, গুণগত পাঠ্যক্ৰম তথা পাঠ্যপুথি আৰু এটা সুস্থ শৈক্ষিক পৰিৱেশৰ প্ৰয়োজন। এনে পৰিৱেশত শিশুক গুণগত শিক্ষাৰ আদান-প্ৰদান প্ৰক্ৰিয়াৰ জৰিয়তে শিশুৰ গুণগত শিকন প্ৰাপ্তি সম্ভৱ হ'ব। শিক্ষাৰ গুণগত দিশটো সঠিকভাৱে ৰূপায়িত কৰিবলৈ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ (MHRD, Govt. of India) নিৰ্দেশক্ৰমে 'ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ' (NCERT)ৰ তৰফৰ পৰা প্ৰাথমিক স্তৰৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতিৰ লগত সংগতি ৰাখি পাঠ্যক্ৰমিক বিষয়ৰ আকাংক্ষিত শিকন ফলাফলসমূহ (Learning outcomes) প্ৰস্তুত কৰি উলিয়াইছে। এই শিকন ফলাফলসমূহে শিক্ষণ-শিকন প্ৰক্ৰিয়াক সঠিক দিশত আগবঢ়াই নিয়াত কেৱল শিক্ষক-শিক্ষয়িত্ৰীসকলকে সহায় নকৰে, বৰঞ্চ বিদ্যালয় শিক্ষাৰ লগত জড়িত সকলো ব্যক্তি তথা অভিভাৱকসকলকো গুণগত শিক্ষা নিশ্চিতকৰণত সজাগ আৰু দায়বদ্ধ কৰি তুলিব।

প্ৰাথমিক স্তৰৰ শিক্ষাত পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীক নিজৰ চাৰিওফালৰ বাস্তৱ পৰিৱেশৰ লগত পৰিচয় কৰি দিয়াৰ বিষয়ত গুৰুত্ব দিছে। প্ৰাৰম্ভিক পৰ্যায়ত পৰিৱেশ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক নিজৰ চিনাকি পৰিৱেশৰ পৰা আৰম্ভ কৰি (প্ৰাকৃতিক, সামাজিক আৰু সাংস্কৃতিক পটভূমিক সাঙুৰি) নিজৰ ঘৰ, বিদ্যালয় আৰু পৰিয়ালৰ সম্পৰ্কে শিকোৱা আৰু ক্ৰমান্বয়ে বিস্তৃত পৰিৱেশ সম্পৰ্কীয় ধাৰালৈ লৈ যোৱা হয়। পৰিৱেশ অধ্যয়নে ছাত্ৰ-ছাত্ৰীসকলক কেৱল নিজৰ পৰিৱেশৰ লগত চিনাকি কৰি দিয়াই নহয়, ই সেই পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি তেওঁলোকক নিজকে খাপ খুৱাই চলিবলৈও শিকায়। পৰিৱেশ অধ্যয়ন শিক্ষণ প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি শিকন পৰিৱেশ গঢ়ি তোলাটো এটা অতি আৱশ্যকীয় কাম। এই প্ৰক্ৰিয়াত প্ৰত্যক্ষ জ্ঞান, সংজ্ঞা আৰু বৰ্ণনা দিয়াৰ পৰা বিৰত থকাৰ প্ৰয়োজন আৰু তাৰ পৰিৱৰ্তে ছাত্ৰ-ছাত্ৰীয়ে চৌপাশৰ আন আন লগৰীয়া, অভিভাৱক আৰু প্ৰতিষ্ঠিত ব্যক্তিৰ সৈতে কৰা আদান-প্ৰদানৰ জৰিয়তে নিজা অভিজ্ঞতাৰে ধাৰণা গঠন কৰাৰ পৰিৱেশ এটা সৃষ্টি কৰাহে উচিত।

এই সকলোবোৰ দিশ আগত ৰাখি পৰিৱেশ অধ্যয়নৰ এই পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ ৰূপৰেখা-২০০৫' ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ প্ৰয়াস কৰা হৈছে। আশাকৰা হৈছে যে এই পুথিখনিৰ সহায়ত শিকাৰুৱে পৰিৱেশৰ বিষয়ে, পৰিৱেশৰ জৰিয়তে আৰু পৰিৱেশৰ বাবে শিক্ষা লাভৰ সুবিধা পাব। কণ কণ ল'ৰা-ছোৱালীৰ অনুসন্ধিৎসু আৰু সৃজনশীল প্ৰবৃত্তিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত শিশুকেন্দ্ৰিক, আনন্দদায়ক আৰু কাৰ্যভিত্তিক-এই তিনিওধৰণৰ উপাদান পাৰ্যমানে প্ৰতিফলনৰ দিহা কৰা হৈছে। বাস্তৱ পৰিৱেশৰ লগত চিনাকি কৰি দিয়াৰ মানসেৰে নিজে নিজে কৰি, অভিজ্ঞ লোকক সুধি, পাঠ্যপুথিখনৰ লগত তেওঁলোকক জড়িত কৰাবৰ বাবে ইয়াত পদ্য, গদ্য, সাধু আদি পাঠ সন্নিৱিষ্ট কৰা হৈছে।

ইয়াৰ উপৰি ছাত্ৰ-ছাত্ৰীৰ সৃজনশীল গুণৰ বিকাশৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপ যেনে-ছবি অঁকা, আৰ্হি বা নমুনা সজা, চিন্তা কৰি লিখা, বিভিন্ন ধৰণৰ পৰীক্ষা-নিৰীক্ষা কৰা আদি কাৰ্য পাঠ্যপুথিখনত অন্তৰ্ভুক্ত কৰা হৈছে। অবিৰত মূল্যায়নৰ উদ্দেশ্য আগত ৰাখি পাঠসমূহত দলগত কাৰ্য, প্ৰকল্প, নিজে চিন্তা কৰি লিখা আদি ক্ৰিয়া-কলাপৰো অৱতাৰণা কৰা হৈছে। পৰিৱেশ অধ্যয়ন শিক্ষণৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল—

**ক্ৰিয়া-কলাপ ঃ** পাঠত অন্তৰ্নিহিত হৈ থকা শিকন ফলাফলসমূহ যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে তাৰ বাবে পাঠৰ মাজে মাজে '➢' চিহ্নৰে কিছুমান কাৰ্য দলগত বা ব্যক্তিগতভাৱে কৰিবলৈ দিয়া হৈছে। এই কামবোৰ কৰোঁতে প্ৰয়োজনসাপেক্ষে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে সহায় আগবঢ়াব।

এই শিতানত থকা ক্ৰিয়া-কলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি ওপৰঞ্চি ক্ৰিয়া-কলাপ কৰোৱাটো বাঞ্ছনীয়।

**জানি লওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে 'জানি লওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সংগতি থকা অতি প্ৰয়োজনীয় আনুষংগিক কিছু কথাৰ আভাস দিয়া হৈছে। ইয়াৰ জৰিয়তে পাঠৰ বিষয়বস্তুসমূহৰ ধাৰণা স্পষ্ট হোৱাৰ উপৰি পাঠৰ লগত সংগতি থকা কিছু ওপৰঞ্চি জ্ঞান ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰিব। ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি ধাৰণা কৰা হৈছে।

**মানচিত্ৰ/ছবি ঃ** পৰ্যৱেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে, যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

মানচিত্ৰ পৰ্যৱেক্ষণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক সাংকেতিক চিহ্ন, দিশকেইটা, ৰাজ্য বা জিলাখনৰ মানচিত্ৰত উল্লেখ থকা চাৰিসীমা, সদৰ ঠাই আদি প্ৰয়োজনীয় তথ্যসমূহ অধ্যয়ন কৰিবলৈ উৎসাহিত কৰিব। মন কৰিবলগীয়া যে পাঠ্যপুথিত উল্লেখ কৰা তথ্য আৰু মানচিত্ৰসমূহেই ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আহৰণৰ বাবে যথেষ্ট নহয়। গতিকে শিক্ষক-শিক্ষয়িত্ৰীয়ে ভাৰতৰ, অসমৰ আৰু জিলাসমূহৰ মানচিত্ৰ উপস্থাপনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক অধিক শিকনৰ সুবিধা দিয়াটো বাঞ্ছনীয়।

**অনুশীলনী ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে।


**শিকন ফলাফল ঃ** পাঠসমূহৰ শেহৰফালে পাঠভিত্তিক শিকন ফলাফলসমূহ দাঙি ধৰা হৈছে। ফলপ্ৰসূ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ জৰিয়তে এই আকাংক্ষিত শিকন ফলাফলসমূহ ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব বুলি আশা কৰা হৈছে। তাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী সকলোৱে যত্ন কৰিব লাগিব।

শিকন পৰিৱেশত বিশেষভাৱে সক্ষম আৰু অনগ্ৰসৰ শিকাৰুকে ধৰি প্ৰতিজন শিকাৰুৰে নিৰীক্ষণ কৰা, নিজক প্ৰকাশ কৰা, আলোচনা কৰা, প্ৰশ্ন সোধা, জটিল চিন্তা কৰা, কথা কোৱা বা লিখা, বিশ্লেষণ কৰা আদি কাৰ্যত অংশগ্ৰহণ কৰিবলৈ যাতে সুবিধা পায় তাক নিশ্চিত কৰাৰ প্ৰয়োজন।

# সূচীপত্ৰ


| পাঠ নং | পাঠৰ নাম | পৃষ্ঠা |
|---|---|---|
| ১ | গছ-গছনিৰ কথা | ১-৭ |
| ২ | ভিন ভিন প্ৰাণী | ৮-১৯ |
| ৩ | পানী | ২০-২৮ |
| ৪ | শাক-পাচলিৰ বাগিচা | ২৯-৩৮ |
| ৫ | স্বাস্থ্য আৰু সুৰক্ষা | ৩৯-৪৬ |
| ৬ | বায়ু আৰু আমাৰ চৌপাশ | ৪৭-৫৩ |
| ৭ | আমাৰ সামাজিক অনুষ্ঠান | ৫৪-৫৯ |
| ৮ | আমাৰ উৎসৱসমূহ | ৬০-৬৯ |
| ৯ | আমাৰ ৰাষ্ট্ৰীয় পতাকা | ৭০-৭৭ |
| ১০ | আমাৰ ৰাজ্যখন | ৭৮-৯০ |
| ১১ | অসমৰ প্ৰাকৃতিক সম্পদ | ৯১-৯৭ |
| ১২ | অসমৰ কুটীৰ শিল্প | ৯৮-১০৫ |
| ১৩ | শিৱসাগৰলৈ যাত্ৰা | ১০৬-১১২ |
| ১৪ | আমাৰ অধিকাৰ | ১১৩-১১৭ |





J5K8U5

# পাঠ - ১
# গছ-গছনিৰ কথা

আমাৰ চৌপাশে বিভিন্ন প্ৰকাৰৰ উদ্ভিদ আছে। এই উদ্ভিদবোৰৰ কিছুমান একেবাৰে চাপৰ, কিছুমান জোপোহা আৰু কিছুমান ওখ আৰু বহুত ডাল পাতেৰে ভৰা। আকাৰ আৰু গঠন অনুসৰি উদ্ভিদক চাৰিটা ভাগত ভাগ কৰা হয়। যেনে - তৃণ, গুল্ম, লতা আৰু বৃক্ষ। এই বিষয়ে তোমালোকে তৃতীয় শ্ৰেণীৰ পাঠত পাই আহিছা। এই উদ্ভিদসমূহৰ পৰা আমি দৈনন্দিন লাগতিয়াল বস্তু আহৰণ কৰোঁ।




ওপৰৰ ছবিখনত তোমালোকে কি কি গছ-গছনি দেখিছা? সেইবোৰৰ নাম কোৱা।

**পৰ্যৱেক্ষণ কৰি শ্ৰেণী বিভাজন কৰোঁ আহা—**

➢ তোমালোকৰ চৌপাশৰ উদ্ভিদবোৰলৈ মন কৰা। সেইবোৰৰপৰা তোমালোকে কি কি পোৱা তলত দিয়া তালিকা অনুসৰি শ্ৰেণী বিভাগ কৰা—

| উদ্ভিদৰ নাম | উদ্ভিদৰ প্ৰকাৰ<br>গুল্ম/বৃক্ষ/লতা/তৃণ | তাৰ পৰা কি কি পাওঁ |
|---|---|---|
| | | |



সকলো উদ্ভিদৰ এটা অংশ মাটিৰ ওপৰত আৰু এটা অংশ মাটিৰ তলত থাকে। কাষৰ ছবিখনলৈ মন কৰা। মাটিৰ তলত থকা অংশটো হৈছে শিপা। শিপাই মাটিত খামুচি ধৰি উদ্ভিদ জোপাক থিয় হৈ থকাত সহায় কৰে। ইয়াৰ উপৰি শিপাই মাটিৰপৰা পানী আৰু পানীত পমি থকা খনিজ লৱণ শুহি লয়। মাটিৰ ওপৰত থকা উদ্ভিদৰ অংশবোৰ হৈছে গা-গছ বা কাণ্ড, ডাল, পাত, ফুল আৰু ফল। মাটিৰ ওপৰত থকা এই অংশবোৰৰ দ্বাৰা এজোপা গছ চিনিব পাৰি। গা-গছ বা কাণ্ডৰ পৰাই ডাল ওলায়। ডালবোৰত অসংখ্য পাত, ফুল আৰু ফল থাকে।

শিপাই মাটিত খামুচি ধৰি গছজোপা উভালি নপৰাকৈ ৰখাত সহায় কৰে। ইয়াৰ ফলত মাটিখিনি ক্ষয় হ'ব নোৱাৰে। সেয়ে গছৰ শিপাই খহনীয়া ৰোধ কৰাত আৰু মাটি সংৰক্ষণত সহায় কৰে।

**কৰি চাওঁ আহা**

— দুজোপা কোমল গছ উভালি আনা।
— শিপাবোৰ পানীৰে ধুই পৰিষ্কাৰ কৰি লোৱা।
— এজোপা গছৰ শিপা কাটি পেলোৱা।
— দুটা দীঘলীয়া বটলত ৰঙা চিঞাহী দিয়া পানী লোৱা।
— সেই দুজোপা গছ বটল দুটাত ভৰাই লোৱা।
— বটল দুটা দুঘণ্টামান ৰ'দত থোৱা।
— কিছুসময় পাছত গছ দুজোপালৈ লক্ষ্য কৰা।
— শিপা থকা গছজোপাৰ কিবা পৰিৱৰ্তন দেখিছানে?



**শিপাই মাটিৰপৰা পানী আৰু খনিজ লৱণ শুহি লৈ কাণ্ডৰ মাজেৰে পাতলৈ পঠিয়ায়।**


➢ গছ এজোপাৰ ছবি আঁকি ইয়াৰ বিভিন্ন অংশ চিনাক্ত কৰি নামবোৰ লিখা।

উদ্ভিদ আমাৰ বৰ উপকাৰী। উদ্ভিদৰপৰা আমি বহুতো লাগতিয়াল সামগ্ৰী পাওঁ। উদ্ভিদৰপৰা আমি শস্য, শাক-পাচলি, ফলমূল আদি খাদ্য বস্তু পাওঁ। তোমালোকে জানানে যে কিছুমান উদ্ভিদৰ শিপা আমি পাচলি হিচাপে খাওঁ। গাজৰ, মূলা, বীট আদি হৈছে উদ্ভিদৰ শিপা। মাটিৰ তলত থকা শিপাৰ বৰণ সাধাৰণতে বগা হোৱা দেখা যায়। কিন্তু গাজৰ, বীট আদিৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম ঘটে।

উদ্ভিদৰ এটা প্ৰয়োজনীয় অংশ হৈছে পাত। উদ্ভিদৰ পাতবোৰ সেউজীয়া হোৱাৰ কাৰণ কি ? **উদ্ভিদৰ পাতবোৰ সেউজীয়া হোৱাৰ কাৰণ হৈছে পাতত পত্ৰহৰিৎ নামৰ এবিধ ৰঞ্জক পদাৰ্থ থাকে।** পত্ৰহৰিৎ থকাৰ বাবে উদ্ভিদে নিজৰ আহাৰ নিজে তৈয়াৰ কৰি ল'ব পাৰে।

**পাতে কেনেকৈ আহাৰ প্ৰস্তুত কৰে জানি লওঁ আহা—**

শিপাই মাটিৰপৰা পানী শোষণ কৰি লয়। সূৰ্যৰ পোহৰত সেউজীয়া পাতে এই পানী আৰু বায়ুৰপৰা আহৰণ কৰা কাৰ্বন-ডাই-অক্সাইড গেছৰ সহায়ত আহাৰ তৈয়াৰ কৰে আৰু এই প্ৰক্ৰিয়াত অক্সিজেন গেছ বায়ুমণ্ডললৈ এৰি দিয়ে। উদ্ভিদে আহাৰ তৈয়াৰ কৰা এই প্ৰক্ৰিয়াটোৱেই হৈছে **সালোক সংশ্লেষণ।** (তলৰ ছবিখনলৈ মন কৰা)




**সালোক সংশ্লেষণ প্ৰক্ৰিয়া**

**পৰ্যবেক্ষণ কৰি লিখোঁ আহা—**

➢ ওপৰৰ ছবিখন চাই সেউজীয়াপাতে আহাৰ তৈয়াৰ কৰিবলৈ কি কি ব্যৱহাৰ কৰিছে লিখা।

পাতে এৰি দিয়া অক্সিজেন গেছ কি কামত ব্যৱহাৰ হয় জানানে? পাতে এৰি দিয়া অক্সিজেন প্ৰাণীবোৰে উশাহত লৈ জীয়াই থাকে। নিশাহত প্ৰাণীয়ে এৰি দিয়া কাৰ্বন-ডাই-অক্সাইড গেছখিনি উদ্ভিদে আহাৰ তৈয়াৰ কৰিবলৈ ব্যৱহাৰ কৰে। ইয়াৰ ফলত বায়ুমণ্ডলত অক্সিজেন গেছ আৰু কাৰ্বন-ডাই-অক্সাইড গেছৰ পৰিমাণৰ ভাৰসাম্য ৰক্ষা হয়।

**উদ্ভিদে বায়ুমণ্ডলৰ অক্সিজেন গেছ আৰু কাৰ্বন-ডাই-অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা কৰে।**

**জানি লওঁ আহা-**

- জীয়াই থাকিবলৈ আৰু বৃদ্ধি হ'বলৈ সকলো জীৱকে আহাৰ লাগে। যিহেতু 'উদ্ভিদো' জীৱ সেয়েহে উদ্ভিদকো আহাৰ লাগে। উদ্ভিদে নিজৰ আহাৰ নিজে প্ৰস্তুত কৰিব পাৰে।
- উদ্ভিদে আহাৰ তৈয়াৰ কৰা কাৰ্যত এৰি দিয়া অক্সিজেন প্ৰাণীয়ে উশাহত লয় আৰু প্ৰাণীয়ে নিশাহত এৰি দিয়া কাৰ্বন-ডাই-অক্সাইড গেছ উদ্ভিদে খাদ্য তৈয়াৰ কৰোঁতে ব্যৱহাৰ কৰে। এই ক্ষেত্ৰত 'উদ্ভিদ' আৰু 'প্ৰাণী' পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল।
- উদ্ভিদে বায়ুমণ্ডলত অক্সিজেন গেছ আৰু কাৰ্বন-ডাই-অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা কৰে। সেয়েহে যিমান পাৰি গছ ৰোপণ কৰিব লাগে আৰু গছৰ যত্ন ল'ব লাগে।

**দলগতভাবে কৰোঁ আহা—**

➢ গছ ৰোপণৰ বাবে সজাগতা আনিবলৈ শ্ল'গান লিখি প'ষ্টাৰ প্ৰস্তুত কৰা। (চাৰি/পাঁচজনক লৈ দল গঠন কৰি কামটো কৰিবা।)

ফুল উদ্ভিদৰ এটি অংশ। তোমালোকে বিভিন্ন ৰং আৰু বিভিন্ন আকৃতিৰ ফুল দেখিছা। কিছুমান ফুলৰ পাহিবোৰ ৰংচঙীয়া আৰু কিছুমানৰ বগা। ঠিক সেইদৰে কিছুমান ফুলৰ গোন্ধ আছে আৰু কিছুমানৰ নাই। এই বিষয়ে তোমালোকে তৃতীয় শ্ৰেণীত পঢ়ি আহিছা। বিভিন্ন ঋতুত বিভিন্ন ফুল ফুলে। গোলাপ, নয়নতৰা, জবা আদি ফুলবোৰ বছৰৰ প্ৰায় সকলো সময়তে ফুলি থকা দেখা যায়। শেৱালি, ৰজনীগন্ধা আদি ৰাতি ফুলা ফুল। ফুলৰ ৰং আৰু গোন্ধে কীট-পতংগ, পখিলা, মৌ-মাখি আদিক আকৰ্ষণ কৰে। ফুলৰপৰাই ফল হয়। সেই ফলৰ ভিতৰত থকা গুটিৰপৰাই আকৌ নতুন গছ হয়।




**পৰ্যৱেক্ষণ কৰি লিখোঁ আহা—**

➢ তোমালোকে দেখা ফুলবোৰৰ নাম লিখি তলৰ তালিকাখন পূৰ কৰা—

| **ফুলৰ নাম** | **ফুলাৰ সময় (ঋতু)/ সকলো সময়তে ফুলে** | **ৰং-চঙীয়া/বগা** | **গোন্ধ আছে/নাই** |
|---|---|---|---|
| গোলাপ | সকলো সময়তে ফুলে | ৰং-চঙীয়া | গোন্ধ আছে। |

বিভিন্ন ঋতুত আমি বিভিন্ন ফল খাওঁ। গৰমৰ দিনত তোমালোকে কি কি ফল খোৱা? আম, কঁঠাল, জামু, লিচু, লেটেকু, পনিয়ল আদি নহয়নে? এইবোৰ হৈছে গ্ৰীষ্ম ঋতুত হোৱা ফল। আনহাতে কমলা, বগৰী, ৰবাবটেঙা, জলফাই আদি শীত ঋতুত হোৱা ফল। কল, আপেল আদি ফলবোৰ বছৰৰ সকলো সময়তে পোৱা যায়।







ওপৰৰ ছবিখনলৈ মন কৰা। সকলোবোৰ ফলৰ সোৱাদ একেনে? বিভিন্ন ফলৰ আকাৰ, আকৃতি, বৰণ, সোৱাদ, গোন্ধ আদি বেলেগ বেলেগ। ফলৰ ভিতৰত গুটি বা বীজ থাকে। কিছুমান ফলৰ এটা, কিছুমানৰ দুটা আৰু কিছুমান ফলৰ বহুত গুটি থাকে। এটা গুটি থকা ফলক এগুটীয়া আৰু বহুত গুটি থকা ফলক বহুগুটীয়া ফল বুলি কোৱা হয়। আম, লিচু, বগৰী, জলফাই আদি এগুটীয়া ফল। আনহাতে কঁঠাল, লেটেকু, ডালিম, কমলা, ৰবাবটেঙা আদি বহুগুটীয়া ফল।

কিছুমান ফলৰ আকাৰ ডাঙৰ, যেনে - কঁঠাল, মাটি কঁঠাল, তৰমুজ আদি। কিছুমানৰ আকাৰ সৰু। যেনে - বগৰী, লিচু, লেটেকু, পনিয়ল ইত্যাদি। সাধাৰণতে ফলবোৰ কেঁচা অৱস্থাত সেউজীয়া আৰু পকিলে হালধীয়া বৰণৰ হয়।

**ফলৰ গুটি বা বীজৰপৰা নতুন উদ্ভিদৰ সৃষ্টি হয়।**

**পৰ্যবেক্ষণ কৰি কৰোঁ আহা—**

➢ তোমালোকে খোৱা ফলবোৰৰ নাম লিখি তলৰ তালিকাখন পূৰ কৰা।

| ফলৰ নাম | বছৰৰ কোন সময়ত পোৱা যায় | আকৃতি | বৰণ | এগুটীয়া/ বহুগুটীয়া | গোন্ধ আছে/ নাই |
|---|---|---|---|---|---|
| কমলা | শীতকালত | ঘূৰণীয়া | কমলা | বহুগুটীয়া | আছে |
| | | | | | |

**পাতৰ এলবাম সাজোঁ আহা—**



— বিভিন্ন আকৃতিৰ পাত সংগ্ৰহ কৰা। পাতবোৰ কিতাপৰ মাজত ভাঁজ নলগাকৈ হেঁচা দি থোৱা।
— শুকাই গ'লে কাগজত আঠা লগাই পাতৰ এলবাম প্ৰস্তুত কৰা।
— বিভিন্ন আকৃতিৰ পাতৰপৰা প্ৰাণী বা অন্যান্যৰ নক্সা প্ৰস্তুত কৰি তোমাৰ এলবামত সজোৱা।

**গছৰ জৰীপ কৰোঁ আহা—**

— চাৰি/পাঁচজনীয়া দলত ভাগ হৈ লোৱা। বিদ্যালয়ৰ ওচৰতে থকা পাঁচঘৰ মানুহৰ চৌহদলৈ লক্ষ্য কৰা। কি কি ফুল আৰু ফলৰ গছ আছে নাম লিখা।

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) উদ্ভিদ এজোপাৰ অংশসমূহৰ নাম লিখা।

(খ) শিপাক পাচলি হিচাপে খোৱা তিনিবিধ উদ্ভিদৰ নাম লিখা।

(গ) উদ্ভিদৰ পাতৰ বৰণ সেউজীয়া হোৱাৰ কাৰণ কি ?

(ঘ) বছৰৰ সকলো সময়তে ফুলি থকা দুবিধ ফুলৰ নাম লিখা।

(ঙ) গ্ৰীষ্ম ঋতুত হোৱা তিনিবিধ ফলৰ নাম লিখা।

(চ) চাৰিবিধ বহুগুটীয়া ফলৰ নাম লিখা।

২। খালী ঠাই পূৰ কৰা-

(ক) উদ্ভিদে আহাৰ প্ৰস্তুত কৰিবলৈ ——— গেছ ব্যৱহাৰ কৰে।

(খ) লিচু, জলফাই আদিৰ——— গুটি থাকে।

(গ) উদ্ভিদে বায়ুমণ্ডলত —— গেছ আৰু কাৰ্বন-ডাই-অক্সাইড গেছৰ ভাৰসাম্য ৰক্ষা কৰে।

(ঘ) ফুলৰপৰাই —— উৎপন্ন হয়।

(ঙ) ফুলৰ ৰং আৰু ——— কীট-পতংগক আকৰ্ষণ কৰে।

৩। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) উদ্ভিদে আহাৰ তৈয়াৰ কৰোঁতে বায়ুমণ্ডলৰপৰা কাৰ্বন-ডাই-অক্সাইড / অক্সিজেন গেছ আহৰণ কৰে।

(খ) শেৱালি, ৰজনীগন্ধা আদি দিনত/ৰাতি ফুলে।

(গ) কমলা, বগৰী আদি গ্ৰীষ্ম ঋতু/ শীত ঋতুত হোৱা ফল।

(ঘ) মাটি কঁঠাল, তৰমুজ আদিৰ আকাৰ সৰু/ডাঙৰ।

৪। তুমি খাই ভাল পোৱা এবিধ ফলৰ ছবি আঁকি ৰং কৰা।

◆◆◆◆◆

## পাঠ - ২
# ভিন ভিন প্ৰাণী






ওপৰৰ ছবিখনলৈ চোৱা। প্ৰাণীবোৰে কোনে কি খাইছে? তোমালোকৰ ঘৰত থকা বা চুবুৰীত দেখা প্ৰাণীবোৰে কি কি খায় মন কৰিছানে? তলত দিয়া তালিকাখন পূৰ কৰা।

| প্ৰাণীৰ নাম | কি কি খায় | প্ৰাণীৰ নাম | কি কি খায় |
|---|---|---|---|
| (১) গৰু — | | (১১) এন্দুৰ — | |
| (২) ছাগলী — | | (১২) সাপ — | |
| (৩) পাৰ — | | (১৩) বান্দৰ — | |
| (৪) মেকুৰী — | | (১৪) শামুক — | |
| (৫) হাঁহ — | | (১৫) ঘোঁৰা — | |
| (৬) কুকুৰ — | | (১৬) শগুণ — | মৰাশ |
| (৭) কুকুৰা — | | (১৭) হাতী — | |
| (৮) কাউৰী — | | (১৮) কেৰ্কেটুৰা — | |
| (৯) কেঁচু — | | (১৯) মৌমাখি — | |
| (১০) জেঠী — | | (২০) বগলী — | |

তালিকাখনত লিখা ভিন ভিন প্ৰাণীবোৰৰ খাদ্য একেইনে?

গৰু, ছাগলী, ম'হ আদিয়ে ঘাঁহ-বন, গছৰ পাত আদি খায় বাবে এই প্ৰাণীবোৰ **তৃণভোজী প্ৰাণী**। আনহাতে বাঘ, সিংহ, শিয়াল আদিয়ে মাংস খাই জীয়াই থাকে। এই প্ৰাণীবোৰ **মাংসভোজী প্ৰাণী**। মানুহ সৰ্বভোজী প্ৰাণী। মানুহে খাদ্যৰ বাবে উদ্ভিদ আৰু প্ৰাণী উভয়ৰে ওপৰত নিৰ্ভৰ কৰে। মানুহৰ দৰে আন কিছুমান প্ৰাণীয়েও যেনে- কুকুৰ, মেকুৰী, ভালুক, কাউৰী আদিয়ে সকলো ধৰণৰ আহাৰ খায়। এই প্ৰাণীবোৰ সৰ্বভোজী প্ৰাণী।

**বিভিন্ন প্ৰাণী চিনাক্ত কৰি শ্ৰেণী বিভাজন কৰোঁ আহা—**

➢ তুমি জনা প্ৰাণীবোৰৰ খাদ্যাভ্যাস অনুসৰি নামবোৰ তলৰ তালিকাত দিয়া ধৰণে ভগোৱা—

| প্ৰাণীৰ নাম | | |
|---|---|---|
| **তৃণভোজী** | **মাংসভোজী** | **সৰ্বভোজী** |
| | | |

খাদ্যাভ্যাসৰ ওপৰত ভিত্তি কৰি প্ৰাণীবোৰক তিনি প্ৰকাৰে ভাগ কৰা হয়- তৃণভোজী, মাংসভোজী আৰু সৰ্বভোজী।

**বিভিন্ন ধৰণৰ প্ৰাণীয়ে কেনেকৈ আহাৰ খায় জানি লওঁ আহা—**


ছবিখনলৈ মন কৰাচোন। গৰুটোৱে কি খাইছে? ঘাঁহ, নহয় জানো? গৰু, ম'হ, ছাগলী, ঘোঁৰা, উট আদি তৃণভোজী প্ৰাণীবোৰে ঘাঁহ-বন, গছৰ পাত আদি দাঁতেৰে ছিঙি অলপমান চোবাই গিলি থয়। জিৰণি লোৱাৰ সময়ত সেইবোৰ পেটৰ পৰা উগাৰি মুখলৈ উলিয়াই আনি পুনৰ চোবাই বা পাগুলি গুড়ি কৰি খায়। পাগুলি আহাৰ খোৱা প্ৰাণীবোৰৰ দাঁতবোৰ ডাঙৰ আৰু চেপেটা হয়।



কাষৰ ছবিখনত বাঘটোৱে কি খাই থকা দেখিছা? বাঘ-সিংহ আদিয়ে হাবিত থকা তৃণভোজী প্ৰাণীবোৰ চিকাৰ কৰি খায়। ইহঁতৰ হাতোৰা শক্তিশালী হোৱা বাবে চিকাৰ হাতৰপৰা ওলাই যাব নোৱাৰে। ইহঁতে চিকাৰ কৰা প্ৰাণীটোৰ মঙহ চোকা দাঁত আৰু নখেৰে ছিঙি টুকুৰা-টুকুৰ কৰি খায়। কেৱল প্ৰাণীৰ কেঁচা মঙহ খাই জীয়াই থাকে বাবে ইহঁত মাংসভোজী প্ৰাণী।







**চিন্তা কৰি লিখা-**

➢ হাবিত থকা তৃণভোজী প্ৰাণীবোৰে সদায় জাক পাতি থাকে। কাৰণ কি?

**চৰাইবোৰে কেনেকৈ আহাৰ খায় জানি লওঁ আহা-**

সকলো চৰাইৰ আহাৰ একে নহয়। ভিন ভিন চৰায়ে ভিন ভিন খাদ্য খায়। চৰাইৰ দাঁত নাই। ইহঁতৰ ঠোঁটে দাঁতৰ কাম কৰে। খাদ্যাভ্যাসৰ ওপৰত ভিত্তি কৰি ভিন ভিন চৰাইৰ ঠোঁট ভিন ভিন হয়।

**শস্য খোৱা চৰাই**



পাৰ কপৌ শালিকা

পাৰ, শালিকা, কপৌ আদি শস্য খোৱা চৰাইৰ ঠোঁট চুটি, জোঙা আৰু টান। ইহঁতে ঠোঁটেৰে খুটিয়াই খুটিয়াই ধান, মাহ আদি শস্য কোমল কৰি খায়। কিছুমান শস্য খোৱা চৰায়ে পোক-পতংগ আদিও খায়।

### ফল-মূল খোৱা চৰাই

ভাটৌৰ ঠোঁট চুটি, শকত আৰু আগটো বেঁকা। ইহঁতে ফল-মূল খাই ভাল পায়। ঠোঁট খুব টান হোৱা বাবে কাঠ বাদামৰ নিচিনা টান ফলো ফালি ছিঙি খাব পাৰে।



ভাটৌ



মৌ-পিয়া

### মৌ খোৱা চৰাই

মৌ-পিয়া নামৰ কণমানি মৌ খোৱা চৰাইবিধৰ ঠোঁট ঠেক/লাহী, দীঘল আৰু ধেনুভিৰীয়া। ইহঁতৰ জিভাখনো ঠেক আৰু দীঘল। ইহঁতে ঠোঁটটো ফুলৰ ভিতৰলৈ সুমুৱাই জিভাখনেৰে ফুলৰ মৌ চুহি খায়। মৌ যদিও ইহঁতৰ প্ৰিয় খাদ্য, কেতিয়াবা ইহঁতে ফৰিং, পোক-পতংগ আদিও খায়।

### মাছ খোৱা চৰাই

বগলী, কণামুচৰী, মাছৰোকা আদি মাছ খোৱা চৰাইবোৰৰ ঠোঁট দীঘল আৰু জোঙা। ঠেং দুখন দীঘল হোৱা বাবে ইহঁতে সহজে পানীত ডুব নোযোৱাকৈ পানীৰ তলৰপৰা মাছ ধৰি আনি খাব পাৰে। ইহঁতে পানীত থকা ভেকুলী, কেঁকোৰা, শামুক আদিও খায়।



বগলী



মাছৰোকা



ফেঁচা



শগুন



চিলনী



### মাংস খোৱা চৰাই

শগুন, ফেঁচা, চিলনী আদি মাংস খোৱা চৰাই। ইহঁতে ঠোঁটেৰে মঙহ ছিঙি টুকুৰা-টুকুৰ কৰি খায়। ইহঁতৰ ঠেঙৰ নখবোৰ চোকা হাঁকোটাৰ দৰে হোৱা বাবে ইহঁতৰপৰা চিকাৰ ওলাই যাব নোৱাৰে। ইহঁতক চিকাৰী চৰাই বুলিও কোৱা হয়।

তোমালোকে কেতিয়াবা হাঁহে খাদ্য খোৱা লক্ষ্য কৰিছানে ? হাঁহৰ ঠোঁট বহল আৰু চেপেটা হোৱাৰ বাবে এবাৰতে সৰহকৈ খাদ্য খাব পাৰে। ইহঁতে বোকা পানীৰ পৰা কেঁচু, কুমটি, পোক-পৰুৱা আদি উলিয়াই আনি খায়। ইহঁতে খাদ্যত মিহলি হৈ থকা বোকা পানীবোৰ ঠোঁটত থকা দুটা ফুটাৰে বাহিৰলৈ উলিয়াই দিয়ে। শামুক হাঁহৰ প্ৰিয় খাদ্য।


হাঁহ

➢ তলত কিছুমান চৰাইৰ ঠোঁটৰ ছবি দিয়া হৈছে। ঠোঁটবোৰ চাই কোনবিধ চৰায়ে কি খাদ্য খায় লিখা।


ঘনচিৰিকা


হামিংবাৰ্ড


বৰটোকোলা


শেন চৰাই

**নিৰীক্ষণ কৰি লিখোঁ আহা—**

➢ তোমালোকৰ চৌপাশে থকা চৰাইবোৰে কি কি খাদ্য খায় তলৰ তালিকাখনত লিখা

| চৰাইৰ নাম | কি কি খাদ্য খায় |
|---|---|
| | |



শগুন, বৰটোকোলা, কাউৰী, শিয়াল আদি প্ৰাণীয়ে মৃত জীৱ-জন্তু, গেলা-পচা বস্তু খাই পৰিৱেশ নিকা কৰি ৰাখে।

**চৰাইৰ বাহিৰেও আন কিছুমান প্ৰাণীয়ে কি খাদ্য খায় অলপ জানি লওঁ আহা-**

মাছে পানীত হোৱা উদ্ভিদ, পোক-পৰুৱা আদি খায়। কিছুমান ডাঙৰ মাছে ভেকুলী আৰু সৰু সৰু মাছ খায়।







জেঠী, ভেকুলী আদি প্ৰাণীবোৰে জিভাৰ সহায়ত পোক পতংগ ধৰি খায়। ইহঁতৰ জিভা দীঘল, মুখৰ সন্মুখত লাগি থাকে। জিভাখন আঠাযুক্ত। ইহঁতে জিভাখন দূৰলৈ উলিয়াই দি পোক-পতংগ ধৰি খায়।

**পৰ্যবেক্ষণ কৰি লিখা—**

➢ তলত দিয়া প্ৰাণীবোৰে কি খাদ্য খায় ?

মৌ-মাখি ________________________________ ।

মকৰা ________________________________ ।

পখিলা ________________________________ ।

কাউৰী ________________________________ ।

সকলো প্ৰাণীয়ে শক্তি পাবলৈ, সু-স্বাস্থ্যৰে জীয়াই থাকিবলৈ আহাৰ খায়। আহাৰে শৰীৰক কাম কৰিবলৈ শক্তি দিয়ে। বৃদ্ধি আৰু বিকাশত সহায় কৰে।

**প্ৰাণীৰ বাসস্থান বা আশ্ৰয়স্থল**











পৃথিৱীত বাস কৰা সকলো প্ৰাণীকেই বাসস্থান বা আশ্ৰয়স্থলৰ প্ৰয়োজন। ৰ'দ, বতাহ, বৰষুণ আৰু হিংস্ৰ প্ৰাণীৰ আক্ৰমণৰপৰা ৰক্ষা পাবলৈ প্ৰাণীক বাসস্থানৰ প্ৰয়োজন। সকলো প্ৰাণীৰ আশ্ৰয়স্থল একে নহয়। ঘৰচীয়া আৰু পোহনীয়া প্ৰাণীবোৰে মানুহে সাজি দিয়া বাসস্থানত থাকে। উদাহৰণস্বৰূপে- গৰু, ম'হ, ঘোঁৰা, হাঁহ, কুকুৰা, গাহৰি আদি। আনহাতে, বনৰীয়া প্ৰাণীবোৰে মুকলিমূৰীয়াকৈ হাবিত ঘূৰি ফুৰে, যেনে- বাঘ, সিংহ, হাতী, গঁড়, জিৰাফ, জেব্ৰা ইত্যাদি। ইহঁতে নিজৰ আশ্ৰয়স্থল নিজেই যোগাৰ কৰি লয়।

চিৰিয়াখানাত যিবোৰ প্ৰাণী ৰখা হয়, সেইবোৰক থাকিবলৈ গড়াল বা আশ্ৰয়স্থল সাজি দিয়া হয়।

**কাৰ কি আশ্ৰয়স্থল জানি লওঁ আহা -**

| প্ৰাণী | | আশ্ৰয়স্থল | প্ৰাণী | | আশ্ৰয়স্থল |
|---|---|---|---|---|---|
| মকৰা | - | জাল | বাঘ | - | গুহা |
| মৌ-মাখি | - | মৌ-চাক | সিংহ | - | গুহা |
| শহাপহু | - | গাঁত | ঘোঁৰা | - | আস্তাবল |
| এন্দুৰ | - | গাঁত | গাহৰি | - | গড়াল |
| সাপ | - | গাঁত | ফেঁচা | - | গছৰ খোৰোং |
| উঁই | - | উঁই হাফলু | গৰু | - | গোহালি |
| ফৰিং | - | ঘাঁহনি | বান্দৰ | - | গছ |
| হৰিণা | - | ওখ ঘাঁহনি | গঁড় | - | ওখ ঘাঁহনি |

**সাজোঁ আহা—**

➢ পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি যি কোনো এটা প্ৰাণীৰ আশ্ৰয়স্থলৰ আৰ্হি প্ৰস্তুত কৰা।

কিছুমান মাছ পানীত থকা জোপোহা উদ্ভিদ, মেটেকা আদিত বাস কৰে। শিঙি, মাগুৰ, কুচিয়া, চেঙেলি আদি মাছ গাঁতত সোমাই থাকে। নদীত থকা শিলঘৰীয়া মাছে শিলৰ ফাঁকত আশ্ৰয় লয়।




**চিন্তা কৰি কোৱা-**

➢ ঘৰচীয়া প্ৰাণীৰ দৰে বনৰীয়া প্ৰাণীবোৰেও আমাক নানা ধৰণে সহায় কৰে। এই উপকাৰী প্ৰাণীবোৰ নাইকিয়া হ'লে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

চৰায়ে কণী পাৰি পোৱালি জগাবলৈ বাহ সাজে। চৰায়ে গছৰ সৰু ঠাল-ঠেঙুলি, তাঁৰ, ঘাঁহ-বন, খেৰ-কুটা আদি ঠোঁটেৰে গোটাই থকা মন কৰিছানে? এইবোৰেৰে সিহঁতে নিজৰ বাহ সাজি লয়।

**চৰায়ে কেনেদৰে বাহ সাজে চাওঁ আহা—**



বাৰৈটোকা চৰায়ে ঠোঁটেৰে খুটিয়াই খুটিয়াই গা-গছত খোৰোং কৰি থাকে। ইহঁতৰ ঠোঁট বৰ টান আৰু জোঙা।



টুনী চৰায়ে জোপোহা গছ বা বেঙেনা গছৰ পাত দুটা লগ লগাই গছৰ পাতৰ আঁহেৰেই এখন মোনাৰ দৰে পাত দুটা চিলাই কৰে। এই মোনাখনৰ ভিতৰত খেৰ-কুটা, তুলা-সূতা আদি ভৰাই বাহটো আৰামদায়ক কৰি লয়।



টোকোৰা চৰায়ে তামোল, খেজুৰ, নাৰিকল, তাল আদি ওখ গছত সৰু টেকেলি এটাৰ দৰে বাহ সাজে। বাহ সজাৰ আহিলা হ'ল কেঁচা দীঘল বন, নাৰিকল, খেজুৰ, কলগছ আদিৰ পাতৰ আঁহ। ইহঁতে আঁহডালৰ গুৰিটো খামুচি ধৰি ঠোঁটেৰে আঁহডাল পকাই পকাই মিহিকৈ বাহটো গুঠি লয়। বাহ সজাত পাৰ্গত বাবে ইহঁতক **শিপিনী চৰাই** বুলিও কয়।



পাতসীয়া চৰায়ে গছৰ পাত সী বাহ সাজে।



বুলবুলি চৰায়ে সাধাৰণতে জোপোহা গছৰ ডালত বাহ সাজে। বাহটো চাউল থোৱা খৰাহীটোৰ নিচিনা ধুনীয়া।



বসন্ত কালত কুউ কুউকৈ মতা কুলি চৰায়ে নিজে বাহ নাসাজে। ইহঁতে কাউৰীৰ বাহত কণী পাৰে। কাউৰীয়ে কুলিৰ কণীবোৰ নিজৰ কণী বুলি ভাবি উমনি দি পোৱালি জগায়।



কণামুচৰি আৰু মাছৰোকা চৰায়ে মাছ খাই ভাল পায় বাবে নৈ, বিল আদিৰ পাৰত থকা দেখা যায়। ইহঁতে তাত থকা গছত বাহ সাজি বাস কৰে।

> কুলি, কেতেকী, ময়ূৰ আদি চৰায়ে বাহ নাসাজে।

**পৰ্যৱেক্ষণ কৰি কৰোঁ আহা-**

তোমালোকৰ চৌপাশে থকা চৰাইবোৰে ক'ত ক'ত বাহ সাজে আৰু কি কি সামগ্ৰীৰে বাহ সাজে পৰ্যৱেক্ষণ কৰি তলৰ তালিকাখন পূৰ কৰা—

| **চৰাইৰ নাম** | **বাহ সজা সামগ্ৰী** | **ক'ত বাহ সাজে** |
|---|---|---|
| | | |

চৰাইয়ে মুকলিমূৰীয়াকৈ উৰি ভাল পায়। তোমালোকে চৰাইৰ সজাবোৰ যে দেখা, এইবোৰ কিন্তু ইহঁতৰ বাসস্থান নহয়। তোমালোকে কেতিয়াও চৰাই আৰু প্ৰাণীক সজাত বন্দী কৰি নাৰাখিবা।

**পৰিভ্ৰমী চৰাই—**



ছবিকেইখনত থকা চৰাইকেইটা চিনি পাইছানে?

কিছুমান চৰাই বহু দূৰ-দূৰণিৰপৰা হাজাৰ হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰি প্ৰতি বছৰে অসমলৈ উৰি উৰি আহে। কিছুমান আকৌ ওচৰ-চুবুৰীয়া ঠাইৰ পৰাও আহে। এই চৰাইবোৰ বছৰৰ কোনো কোনো সময়তহে অসমত দেখা যায়। বাকী সময়ত আমাৰ চকুত নপৰে। ইহঁত মৰুভূমি, বৰফে ঢকা শীতল অঞ্চল, গভীৰ অৰণ্য, সাগৰৰ পাৰ আদি বিভিন্ন প্ৰাকৃতিক অঞ্চলৰ পৰা আহে। কেইমাহমান অসমত থাকি আকৌ নিজৰ ঠাইলৈ উৰি গুচি এায়। একে ঠাইতে নাথাকি দেশ-বিদেশ ঘূৰি ফুৰা বাবে ইহঁতক **পৰিভ্ৰমী চৰাই** বুলি জনা যায়।

ইহঁত আমাৰ ৰাজ্যলৈ কিয় আহে জানানে? ইহঁতে খাদ্যৰ সন্ধানত নাইবা নিজে বসবাস কৰা অঞ্চলৰ অতিপাত গৰম নাইবা শীতৰ প্ৰকোপ সহ্য কৰিব নোৱাৰি অসমলৈ আহে।


অসমলৈ প্ৰতি বছৰে ভিন ভিন প্ৰজাতিৰ বহুতো পৰিভ্ৰমী চৰাই আহে। এনে কিছুমান পৰিভ্ৰমী চৰাই হ'ল বালিমাহী, কুলি, দেওহাঁহ, ধৃতৰাজ, ষ্টাৰলিং, চাতক, বগজাতীয় চৰাই আদি।

এই পৰিভ্ৰমী চৰাইবোৰ মানুহৰ ভিৰ থকা ঠাইৰপৰা আঁতৰত থাকে। খাদ্যাভ্যাস অনুসৰি এই চৰাইবোৰক জলাশয়সমূহৰ ওচৰে-পাজৰে, বালিচৰ, শস্যৰ পথাৰ, হাবি-বননি/বনাঞ্চল আদিত দেখা যায়।

**অসমৰ জলাশয়, অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যানসমূহকে ধৰি বনাঞ্চলসমূহ এই পৰিভ্ৰমী চৰাইবোৰৰ বিচৰণভূমি। এই পৰিভ্ৰমী চৰাইবোৰ চাবলৈ দেশ-বিদেশৰপৰা বহুতো পৰ্যটক আহে।**

## অসমৰ মানচিত্ৰ

## পৰিভ্ৰমী চৰাইৰ বিচৰণভূমি




(মাপনী অনুসৰি নহয়)

সিপিঠিৰ মানচিত্ৰখন চাই তলৰ তালিকাখন পূৰ কৰা

| বনাঞ্চলসমূহ | বনাঞ্চল থকা জিলাসমূহৰ নাম |
|---|---|
| | |

**উপকাৰী প্ৰাণী হিচাপে চৰাইক আমি সংৰক্ষণ আৰু নিৰাপত্তা দিয়া অতি আৱশ্যক। চৰাই মৰা অনুচিত। পৰিভ্ৰমী চৰাইবিলাকৰ সুৰক্ষাৰ বাবে আজিকালি চৰকাৰী আৰু বেচৰকাৰী পৰ্যায়ত বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে।**

পৰিভ্ৰমী চৰাইৰ সুৰক্ষাৰ বাবে চৰকাৰ আৰু কিছুমান বেচৰকাৰী প্ৰতিষ্ঠানে হাতত লোৱা কিছুমান ব্যৱস্থাৰ বিষয়ে জানি লওঁ আহা—

- পৰিভ্ৰমী চৰাই অহা কিছুমান ঠাইক অভয়াৰণ্য হিচাপে ঘোষণা কৰা হৈছে, যেনে- দীপৰ বিল অভয়াৰণ্য।
- পৰিভ্ৰমী চৰাই চিকাৰ কৰা আইনমতে নিষেধ।
- পৰিভ্ৰমী চৰাই আহি পৰা খাল, বিল, পিতনি, জলাহ আদি জলাশয়সমূহ চাফ-চিকুণকৈ ৰখা হয়। ইয়াত থকা মাছবোৰ পৰিভ্ৰমী চৰাইবোৰে খায়। সেয়েহে এই ঠাইবোৰত মাছ মৰা নিষেধ। তদুপৰি পৰিভ্ৰমী চৰাইৰ বাবে সময়ে সময়ে মাছ, পোনা আদিও এই জলাশয়সমূহত এৰি দিয়া হয়, যাতে ইহঁতৰ খাদ্যৰ অভাৱ নহয়।
- ইহঁতে বিচৰণ কৰি ফুৰা ঠাইবোৰত বনভোজ খোৱা নিষেধ, যাতে ঠাইবোৰ প্ৰদূষিত হৈ চৰাইবোৰৰ যি কোনো ধৰণৰ বেমাৰ-আজাৰ নহয়।
- এনে ঠাইবোৰত গছকটা নিষেধ, কাৰণ এই গছ-গছনিবোৰ কিছুমান পৰিভ্ৰমী চৰাইৰ অস্থায়ী বাসস্থান। প্ৰাকৃতিক দুৰ্যোগত গছ-গছনিৰ ক্ষতি হ'লে তাত নতুনকৈ গছপুলি ৰোপণ কৰা হয়।
- তেনে ঠাইত উদ্যোগ স্থাপন বা বান্ধ নিৰ্মাণ কৰা নিষেধ।

পৰিভ্ৰমী চৰাইবোৰ অসমৰ বিভিন্ন অঞ্চললৈ আহি বিচৰণ কৰি ফুৰা ঠাইবোৰৰ শোভা বঢ়ায়। ইহঁত আমাৰ অতিথি। ইহঁতৰ কেতিয়াও অনিষ্ট কৰিব নালাগে।

**শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ সহায়ত কৰোঁ আহা—**

➢ পৰিভ্ৰমী চৰাইৰ ছবি সংগ্ৰহ কৰি এখন এলবাম প্ৰস্তুত কৰা।

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) মানুহক কিয় সৰ্বভোজী প্ৰাণী বোলে?

(খ) মাংসভোজী প্ৰাণী কাক বোলে?

(গ) তৃণভোজী প্ৰাণী কাক বোলে?

(ঘ) প্ৰাণীক বাসস্থানৰ কিয় প্ৰয়োজন?

(ঙ) ভেকুলীয়ে কেনেকৈ পোক-পৰুৱা ধৰি খায়?

(চ) প্ৰাণীক আহাৰৰ কিয় প্ৰয়োজন?

(ছ) টোকোৰা চৰায়ে কেনেকৈ বাহ সাজে?

(জ) মাছে কোন কোন ঠাইক বাসস্থান হিচাপে ব্যৱহাৰ কৰে?

(ঝ) পৰিভ্ৰমী চৰাইবোৰে কিয় দেশ-বিদেশ ঘূৰি ফুৰে?

২। শুদ্ধ উত্তৰটো বাছি উলিওৱা

(ক) টুনী/কুলি/বুলবুলী চৰায়ে বাহ নাসাজে।

(খ) ধৃতৰাজ/বুলবুলী/ময়ূৰ এবিধ পৰিভ্ৰমী চৰাই।

৩। খালী ঠাই পূৰ কৰা—

(ক) দেশ-বিদেশৰপৰা অসমলৈ পৰিভ্ৰমী চৰাই চাবলৈ অহা লোকক ——— বোলে।

(খ) হাঁহৰ ঠোঁট ----- আৰু ----------।

(গ) বাহ সজাত পাৰ্গত বাবে টোকোৰা চৰাইক ———— বুলিও কয়।

৪। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| | |
|---|---|
| কণামুচৰিয়ে | শামুক খায়। |
| চিলনীয়ে | ফলমূল খায়। |
| হাঁহে | মাছ খায়। |
| ভাটৌৰে | মাংস খায়। |

◆◆◆◆◆

# পাঠ - ৩
# পানী



গীতা আৰু মীনা দুয়ো বান্ধৱী। গীতাই ককায়েকৰ লগত মীনাহঁতৰ ঘৰলৈ ফুৰিবলৈ গৈছিল।



মীনাহঁতৰ চোতালতে এটা পানীৰ ফিল্টাৰ। মীনাৰ মাকে কুঁৱাৰপৰা পানী তুলি আনি ফিল্টাৰটোত ঢালি দিয়া তাই দেখিলে। ফিল্টাৰটোৰে পাৰ হৈ অহা পানীখিনি ধৰিবলৈ এটা বাল্টিও তেওঁ পাতি দিলে। গীতাই সকলোখিনি মন দি চাই আছিল। তেতিয়া তাই খুড়ীক সুধিলে- খুড়ী, বাল্টিৰ পানীখিনি আপোনালোকে কি কি কামত ব্যৱহাৰ কৰে?

খুড়ীয়ে ক'লে- এই পানীৰে আমি গা ধোওঁ, কাপোৰ ধোওঁ আৰু উতলাই লৈ খাবলৈ ব্যৱহাৰ কৰোঁ।

গীতাই চিন্তা কৰিলে- ঘৰত দেখোন আমি পানীকল খুলিলেই পানী পাওঁ।

ঘৰলৈ উভতি অহাৰ পাছত মনৰ খুদুৱনি মাৰিবলৈ গীতা মাকৰ ওচৰলৈ গ'ল। পানীৰ বিষয়ে তাই মাকৰ লগত বহুতো কথা পাতিলে।

মাকে ক'লে- আমাৰ চাৰিওফালে বহু ঠাইত পানী থাকিলেও সকলোবোৰ পানীয়ে ব্যৱহাৰযোগ্য নহয়।

**ওপৰৰ কথাখিনিৰ পৰা কি বুজিলা?**

— গীতা আৰু মীনাহঁতে ঘৰত ব্যৱহাৰ কৰা পানী ক'ৰ পৰা পায়?

— গীতাহঁতৰ ঘৰত যে পানীকল খুলিলেই পানী পায়, সেই পানী ক'ৰ পৰা আহে?

— মীনাৰ মাকে কিয় পানী ফিল্টাৰ কৰিছিল?

— মীনাহঁতে কিয় পানী উতলাই খায়?

— আমাৰ চাৰিওফালে থকা সকলোবোৰ পানী কিয় ব্যৱহাৰৰ উপযোগী নহয়?



ভূ-পৃষ্ঠৰ পানী


ভূ-পৃষ্ঠৰ চাৰিভাগৰ প্ৰায় তিনি ভাগেই পানীয়ে আগুৰি আছে। পৃথিৱীত পোৱা প্ৰায় সকলোখিনি পানীয়েই সাগৰ, মহাসাগৰ, নদী, হ্ৰদ, জান-জুৰি, পুখুৰী, ভূ-গৰ্ভ আদিত আছে। ইয়াৰ উপৰি ওখ পৰ্বতৰ শীতল অঞ্চলতো পানী বৰফ হিচাপে আছে।

খাল-বিল, নদ-নদী, জান-জুৰি, সাগৰ-মহাসাগৰ, হ্ৰদ আদি হৈছে **ভূ-পৃষ্ঠত থকা পানীৰ উৎস**। এই উৎসবোৰৰপৰাই আমি পানী পাওঁ।

➢ তোমালোকৰ ঘৰত ব্যৱহাৰ কৰা পানীৰ উৎস কি?

দমকল, কুঁৱা আদিৰপৰাও আমি পানী পাওঁ। এই পানীবোৰ বাৰু ক'ত থাকে? এই পানী ভূ-গৰ্ভত সঞ্চিত হৈ থাকে। বৰষুণ, নৈ, পুখুৰী আদিৰ পানী নিগৰি মাটিৰ তললৈ সোমাই যায় আৰু মাটিৰ তলত থকা শিলাস্তৰৰ খালী ঠাই বা ফাঁকসমূহৰ মাজত পানী সঞ্চিত হৈ থাকে। এই পানীভাগৰ নামেই **ভূ-গৰ্ভস্থ পানী বা ভূ-জল**।

নদী, হ্ৰদ, পুখুৰী, কুঁৱা, দমকল আদিৰ পানী পাম্পৰ সহায়ত উঠাই টেংকিত জমা কৰি থয়। এই পানী নলীৰ মাজেৰে নি বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। নলীৰ মুখত টেপ বা কল লগোৱা থাকে। এই টেপ খুলিলেই পানী পোৱা যায়। এনে উৎসৰপৰা পোৱা পানী শোধন কৰিও ল'ব পাৰি।



ভূ-গৰ্ভস্থ পানী

সাগৰৰ পানী হ'ল ভূ-পৃষ্ঠৰ পানী। কিন্তু এই পানী লুণীয়া হোৱা বাবে পোনে পোনে ব্যৱহাৰ কৰিব নোৱাৰি।



**তথ্য সংগ্ৰহ কৰোঁ আহা-**

নিজৰ আৰু দুঘৰ ওচৰ চুবুৰীয়াৰ পৰা সংগ্ৰহ কৰা তথ্য তলৰ তালিকাত ভৰোৱা।

(ক) খোৱা পানী ক'ৰ ক'ৰ পৰা সংগ্ৰহ কৰে?

(খ) খোৱা পানী শোধন কৰি খায় নে? যদি খায় কি প্ৰণালীৰে শোধন কৰে?

| ঘৰ | খোৱা পানী ক'ৰ ক'ৰ পৰা সংগ্ৰহ কৰে কুঁৱা/দমকল/পুখুৰী/অন্যান্য | খোৱা পানী শোধন কৰি খায়নে? যদি খায় কি প্ৰণালীৰে শোধন কৰে |
|---|---|---|
| নিজৰ | | |
| প্ৰথম চুবুৰীয়া | | |
| দ্বিতীয় চুবুৰীয়া | | |

ভূ-গৰ্ভৰ পানী ঘৰুৱা কামত ব্যৱহাৰ কৰাৰ উপৰি উদ্যোগ, জলসিঞ্চন আদি বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। সময়ে সময়ে ভূ-জল বা বিভিন্ন উৎসৰ পানীৰ পৰিমাণ কম-বেছি হয়।

**চিন্তা কৰি লিখা-**

➤ ভূ-গৰ্ভৰ পানী শুকাই গ'লে আমাৰ কি কি অসুবিধা হ'ব পাৰে?

ভূ-গৰ্ভ আৰু ভূ-পৃষ্ঠৰ পানীৰ উৎসসমূহ পানীৰে কেনেকৈ পূৰ্ণ হৈ থাকে চাওঁ আহা-




জলচক্ৰ

বৰষুণৰ পানী খাল-বিল, নদ-নদী, জান-জুৰি, সাগৰ-হ্ৰদ আদিত জমা হৈ থাকে, কিছু অংশ মাটিৰ তললৈও নিগৰি যায়। ৰ'দৰ তাপত খাল-বিল, নদ-নদী, জান-জুৰি, সাগৰ-হ্ৰদ আদিৰ পানী জলীয় ভাপত পৰিণত হয়। এই জলীয় ভাপ ওপৰলৈ গৈ চেঁচা বায়ুৰ সংস্পৰ্শত ক্ষুদ্ৰ ক্ষুদ্ৰ পানীৰ কণিকাত পৰিণত হয়। এই পানীৰ কণিকাবোৰ লগ লাগি ডাৱৰৰ সৃষ্টি হয়। ডাৱৰৰপৰাই বৰষুণ হয়। কেতিয়াবা এই পানীৰ কণিকাবোৰ অধিক চেঁচা বায়ুৰ মাজেৰে যায়। তেতিয়া ই বৰফ বা শিল-বৰষুণ হিচাপে পৃথিৱীত পৰে। ইয়াৰ ফলত খাল, বিল, নদী, পুখুৰী, হ্ৰদ আদি পুনৰ পানীৰে ভৰি পৰে। এই প্ৰক্ৰিয়াটো অহৰহ চলি থাকে। এনেদৰে চলি থকা পানীৰ প্ৰক্ৰিয়াটোৰেই হৈছে **জলচক্ৰ**।

**কৰি চাওঁ আহা–**

➢ এটা কেটলিত পানী গৰম কৰা। কিছু সময় পাছত দেখিবলৈ পাবা যে কেটলিৰ নলীডালেৰে পানীৰ ভাপ ওলাইছে।

তাপ পালে পানী জলীয় ভাপত পৰিণত হয়। এই প্ৰক্ৰিয়াটোকে **বাষ্পীভৱন** বোলে

➢ কাষৰ পৰীক্ষাটোত পানীৰপৰা ভাপ ওলাইছে। ভাপখিনি ছবিত দেখুওৱাৰ দৰে এটা ঠাণ্ডা চচপেনৰ তলিত লাগিবলৈ দিয়াচোন। চচপেনত পানীৰ টোপাল কিছুমান দেখিবলৈ পাবা।

পানীৰ ভাপ চেঁচা কৰিলে ই পুনৰ পানী হয়। এই প্ৰক্ৰিয়াটোকে **ঘনীভৱন** বোলে।





➢ এটা কাচৰ গিলাচত এগিলাচ পানী লোৱা। এচামুচ নিমখ লৈ পানীখিনিত দিয়া। নিমখখিনি পমি গৈছেনে? দেখিবা গোটেইখিনি নিমখ পমা নাই। চামুচ এখনেৰে লৰাই দিয়া। নিমখখিনি একেবাৰে নাইকিয়া হ'ল। অৰ্থাৎ নিমখখিনি পানীত মিলি গ'ল।

**দলত আলোচনা কৰি কোৱা—**

➢ পানীত বস্তু পমিলে আমাৰ কি সুবিধা আৰু অসুবিধা হয়।

**পৰীক্ষা কৰি চাওঁ আহা—**

➢ সকলো বস্তু পানীত পমেনে? পানীত কি কি বস্তু পমে? তলত কিছুমান সামগ্ৰী দিয়া হৈছে। কোনবোৰ পানীত পমি যায় আৰু কোনবোৰ পমি নাযায় পৰীক্ষা কৰি তালিকাখনত লিখা— চেনি, চাহপাত, তেল, বালি, গুৰ, আটা, চকৰ গুড়ি, মিচিৰি, মাটি, হালধি, চাবোন।

| সামগ্ৰীৰ নাম | |
|---|---|
| **পানীত পমে** | **পানীত নপমে** |
| | |

**দলত আলোচনা কৰি লিখা —**

➢ তোমাৰ বিদ্যালয় আৰু ঘৰৰ আশে পাশে থকা পানীৰ উৎসসমূহত কি কি মিহলি হৈ থাকিব পাৰে? দলত আলোচনা কৰি মিহলি হোৱাৰ কাৰণবোৰ লিখা।

নদী, বিল, পুখুৰী, হ্ৰদ আদিত মানুহে পেলোৱা আবৰ্জনাৰ ফলত পানী ঘোলা আৰু বীজাণুযুক্ত হ'ব পাৰে। সেই বীজাণুৰ পৰা মানুহৰ নানা বেমাৰ হয়, যেনে - হাইজা, গ্ৰহণী, সন্নিপাত জ্বৰ, পেটৰ অসুখ আদি। গতিকে আমি বিশুদ্ধ পানীহে খাব লাগে। মাটিৰ তলৰপৰা পোৱা পানী খোৱাৰ বাবে কিছু নিৰাপদ যদিও সেই পানীত প্ৰয়োজনতকৈ অধিক খনিজ লৱণ মিহলি হৈ থাকিব পাৰে। বৰষুণৰ পানী বিশুদ্ধ। কিন্তু শিল্প প্ৰধান চহৰৰ বায়ুমণ্ডলত বহুত পৰিমাণে গেছ, ধূলিকণা, কাৰ্বন, (ক'লা ধোঁৱা) আদি থাকে। সেইবোৰ ঠাইৰ বৰষুণৰ পানী বিশুদ্ধ নহয়।

তোমাৰ নাইবা তোমাৰ বন্ধুৰ কেতিয়াবা পানীৰপৰা হ'ব পৰা কিবা বেমাৰ হৈছেনে? যদি হৈছে সেই বেমাৰটোৰ নাম কি?

পানী উতলালে পানীত থকা বেমাৰৰ বীজাণু মৰে। সেইবাবে মীনাৰ মাকে পানী ফিল্টাৰ কৰিছিল আৰু খোৱাৰ বাবে পানীখিনি উতলাইছিল।

> সদায় উতলোৱা পানী খালে পানীৰ পৰা পাব পৰা খনিজ লৱণসমূহৰ পৰা বঞ্চিত হ'ব লাগিব। পানীত বীজাণু থাকিলেহে উতলাব লাগে।

পানী শোধনৰ ক্ষেত্ৰত ফিট্‌কিৰীৰ ব্যৱহাৰ কিদৰে কৰা হয়? শিক্ষকক সুধি জানি লোৱা।

**পৰিষ্কাৰ পানীৰ বাবে বালি ফিল্টাৰ এটা কেনেকৈ সাজিব পাৰি চাওঁ আহা-**

১। এটাপ্লাষ্টিকৰ পাত্ৰ লোৱা, স্বচ্ছ হ'লে ভাল। এটা ছেফ্‌টি পিন বা বেজিৰ মূৰটো গৰম কৰি পাত্ৰটোৰ তলিত কিছুমান সৰু সৰু বিন্ধা কৰা।

২। এতিয়া চিত্ৰত দেখুওৱাৰ দৰে পাত্ৰটো এঙাৰ, সৰু সৰু শিলগুটি আৰু বালিৰে পূৰ্ণ কৰা।


৩। তাৰ পিছত যোৰা লগোৱা টেপৰ সহায়ত পাত্ৰটোত এটা চুপি সংযোগ কৰা। তোমাৰ ফিল্টাৰ তৈয়াৰ হ'ল। ফিল্টাৰটোৰ ওপৰত কিছু ঘোলা পানী ঢালি দিয়া আৰু তলেৰে বৈ অহা পৰিষ্কাৰ পানীলৈ লক্ষ্য কৰা।



বালি ফিল্টাৰ

**নগৰৰ পানী যোগান আঁচনি**

নগৰৰ পানী যোগান ব্যৱস্থাত কেইবাটাও পৰ্যায় বা খাপ থাকে। প্ৰথমতে পানী পাম্পৰ সহায়ত ওখ ঠাইৰ টেংকিলৈ নি গেদ পৰিবলৈ থৈ দিয়া হয়। ইয়াৰ পাছত বিশেষভাৱে নিৰ্মিত পাত্ৰত পেলাই পৰিষ্কাৰ কৰিবলৈ কেইবা তৰপ বস্তুৰ মাজেৰে পঠোৱা হয়। শেষত ক্লৰিনৰদ্বাৰা বা আন উপায়ে বীজাণুমুক্ত কৰি ঘৰে ঘৰে পঠোৱা হয়।




নগৰৰ পানী যোগান ব্যৱস্থা

কিছুমান গাঁৱতো পানী যোগানৰ ব্যৱস্থা আছে।

তোমালোকৰ অঞ্চলত চৰকাৰীভাৱে পানী যোগানৰ ব্যৱস্থা আছেনে?

এহাতে জনসংখ্যা বৃদ্ধি, উদ্যোগ আৰু কৃষিৰ প্ৰসাৰে পানীৰ প্ৰয়োজন বঢ়াইছে। আনহাতে পৃথিৱীত ব্যৱহাৰৰ উপযোগী পানীৰ পৰিমাণ সীমিত। সেয়েহে পানী ব্যৱহাৰ কৰোঁতে যিমানখিনিৰ দৰকাৰ সিমানখিনিহে ব্যৱহাৰ কৰিব লাগে। কোনো কাৰণতে পানী অপচয় কৰিব নালাগে।

➢ তোমালোকৰ বিদ্যালয়ত, ঘৰত বা ওচৰে-পাজৰে পানীৰ অপচয় হৈছে নেকি লক্ষ্য কৰিবা।

**শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ পৰা জানি লৈ চমুকৈ লিখা–**


➢ খেতি পথাৰত আলি বান্ধি পানী কিদৰে সঞ্চয় কৰা হয় ?

➢ কি কি উপায়ে পানী সঞ্চয় কৰিব পাৰি ?

এবাৰ ব্যৱহাৰ হোৱা পানীখিনি পুনৰ বিভিন্ন কামত ব্যৱহাৰ কৰিও আমি পানীৰ নাটনি ৰোধত সহায় কৰিব পাৰোঁ। তোমালোকৰ ঘৰত কি কি কামত পানীৰ পুনৰ ব্যৱহাৰ হয় মন কৰা আৰু তলৰ তালিকাত দিয়াৰ দৰে লিখা।

| **প্ৰথমবাৰ ব্যৱহাৰ কৰা পানী** | **দ্বিতীয়বাৰ কিহত ব্যৱহাৰ হয়** |
| --- | --- |
| | |

বিভিন্ন কামত ব্যৱহাৰ কৰা পানী এবাৰ ব্যৱহাৰ কৰাৰ পাছত লেতেৰা হৈ পৰে। এই পানীখিনি পৰিশোধন কৰিও পুনৰ ব্যৱহাৰ কৰিব পাৰি। এই পদ্ধতিটোক **পুনৰাৱৰ্তন** বোলে। এইটো এটা দীঘলীয়া পদ্ধতি। ডাঙৰ হ'লে তোমালোকে এই বিষয়ে বিতংকৈ জানিব পাৰিবা।


বৰষুণৰ পানী সংৰক্ষণ

বৰষুণৰ পানীৰ অপচয় ৰোধ কৰিও আমি পানীৰ নাটনি কমাব পাৰোঁ। তাৰ বাবে আমি বৰষুণৰ পানী সংৰক্ষণ কৰিব লাগিব।

বহুতো অঞ্চলত পানীৰ বাবে মানুহে ঘাইকৈ বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰে। তেওঁলোকে বহুদিনলৈ বৰষুণৰ পানী সংগ্ৰহ কৰি জমা কৰি ৰাখে।

➢ তোমালোকৰ ঘৰত বা বিদ্যালয়ত বৰষুণৰ পানী সংৰক্ষণ কৰানে ?

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) আমি কেনেকুৱা পানী খাব লাগে?

(খ) বীজাণুযুক্ত পানী খালে কি হয়?

(গ) পানী কেনেকৈ বীজাণুমুক্ত কৰিব পাৰি।

(ঘ) পানীত পমি যোৱা কিছুমান বস্তুৰ নাম লিখা।

(ঙ) নদ-নদী, সাগৰ, জান-জুৰিৰ পানীক কিহে ভাপলৈ পৰিৱৰ্তন কৰে?

২। খালী ঠাই পূৰ কৰা—

(ক) শিল বৰষুণত ———— থাকে।

(খ) সাগৰৰ পানী ———।

(গ) পানী উতলালে বেমাৰৰ——— মৰে।

(ঘ) তাপ পালে পানী ——— পৰিৱৰ্তন হয়।

(ঙ) পানীৰ ভাপ চেঁচা কৰিলে——— সলনি হয়।

৩। ঘৰুৱা কামৰ বাহিৰেওআৰু কি কি কামৰ বাবে পানী ব্যৱহাৰ কৰা হয়?

৪। বেছি বৰষুণ দিলে আমাৰ কি কি অসুবিধা হয়?

৫। জলচক্ৰৰ ছবি এখন আঁকি ৰং কৰা।

৬। দলত আলোচনা কৰি বিদ্যালয়ৰ খোৱাপানীৰ ব্যৱস্থা সম্বন্ধে এখন প্ৰতিবেদন যুগুত কৰা (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)

- বিদ্যালয়ত খোৱা পানী ক'ৰপৰা লোৱা হয়?
- যদি তোমালোকৰ পানীকল, দমকল নাই, তেনেহ'লে খোৱা পানী ক'ৰ পৰা পোৱা?
- সকলোবোৰ টেপ বা দমকলত পানী থাকেনে?
- পানী থোৱা পাত্ৰবোৰ ঢাকি থোৱা থাকেনে?
- পাত্ৰবোৰ নিয়মিতভাৱে চাফা কৰা হয়নে?
- পানীখিনি কি ব্যৱস্থাৰে খোৱাৰ উপযোগী কৰা হয়?

◆◆◆◆◆

# পাঠ - ৪
# শাক-পাচলিৰ বাগিচা

কাষৰ শাক-পাচলি বাগিচাৰ ছবিখনলৈ মন কৰাচোন। তাত কি কি শাক-পাচলি আৰু ফল-মূল দেখা পাইছা? এই বাগিচাখনৰ উপৰি তোমালোকৰ ঘৰৰ বা চুবুৰীয়া লোকৰ বাগিচাত আৰু কি কি পাচলি দেখিছা? তোমালোকে দেখা সেই শাক-পাচলিবোৰৰ নাম আৰু সেইবোৰ কেনেকৈ খায় জানানে? তেনে শাক-পাচলিবোৰৰ নাম লিখি উলিওৱা আৰু সেইবোৰৰ কোন অংশ খোৱা হয় তলৰ তালিকাত দিয়া ধৰণে নিজৰ বহীত লিখা।



শাক-পাচলিৰ বাগিচা

**শাক-পাচলিৰ নাম-** (১).......... (২).......... (৩).......... (৪)......... (৫)...............

(৬).......... (৭)........... (৮)........... (৯).......... (১০)...........

| কোন অংশ খোৱা হয় | | | | |
|---|---|---|---|---|
| **শিপাৰ অংশ** | **গা-গছৰ অংশ** | **পাত** | **ফল** | **বীজ** |
| গাজৰ | ওলকবি | পালেং | অমিতা | |
| | | | | |

তোমালোকে নিশ্চয় জানা যে, কিছুমান শাক-পাচলি আমি ৰান্ধি খাওঁ আৰু কিছুমান কেঁচাই খাওঁ। অমিতা, গাজৰ, বিলাহী, তিয়ঁহ আদি পাচলিবোৰ আমি ৰান্ধিও খাওঁ আৰু কেঁচায়ো খাওঁ।

➢ তোমালোকৰ ঘৰত কোনবোৰ শাক-পাচলি ৰান্ধি খোৱা আৰু কোনবোৰ কেঁচাই খোৱা লিখা-

- ৰান্ধি খোৱা শাক-পাচলি—
- কেঁচাই খোৱা শাক-পাচলি



শাক-পাচলিৰ খেতি

শাক-পাচলিৰ লগতে আমি আৰু বহুতো খাদ্যবস্তুক আহাৰ হিচাপে গ্ৰহণ কৰোঁ, যেনে — ভাত, দাইল, ৰুটি, তেল, চেনি, মচলা আদি। এইবোৰ আহাৰ খাই আমি জীয়াই থাকোঁ। ভাত আমাৰ প্ৰধান আহাৰ। ধানৰপৰা চাউল পাওঁ। চাউলৰ পৰা ভাত হয়। সেইদৰে ঘেঁহুৰপৰা আটা, কুঁহিয়াৰৰপৰা চেনি, সৰিয়হৰপৰা তেল হয়। এই সকলোবোৰ খাদ্যবস্তু আমি শস্যৰপৰা পাওঁ। এই শস্যবোৰ পাবলৈ আমি ভিন ভিন বতৰ বা ঋতু অনুসৰি ভিন ভিন শস্যৰ খেতি কৰোঁ।

বতৰ অনুসৰি ভিন ভিন শাক-পাচলিৰ খেতি কৰা হয়। কিছুমান শাক-পাচলিৰ খেতি বাৰিষা কালত কৰা হয়। আনহাতে, কিছুমান শাক-পাচলিৰ খেতি খৰালি কালত কৰা হয়।

**লিখোঁ আহা —**

➢ তলত দিয়া শাক-পাচলিবোৰ বাৰিষা কালত নে খৰালি কালত হয়?

লাইশাক, বেঙেনা, গাজৰ, লাও, মূলা, তিয়ঁহ, ৰঙা লাও, কোমোৰা, জিকা আৰু অমিতা।

| বাৰিষা কালত হোৱা শাক-পাচলিৰ নাম | খৰালি কালত হোৱা শাক-পাচলিৰ নাম |
|---|---|
| ............................................................ | ............................................................ |
| ............................................................ | ............................................................ |
| ............................................................ | ............................................................ |
| ............................................................ | ............................................................ |

**জানি লওঁ আহা**

বিশেষ কৌশল প্ৰয়োগ কৰি আৰু উন্নতমানৰ বীজ ব্যৱহাৰ কৰি বাৰিষা কালত হোৱা শাক-পাচলিৰ খেতি খৰালি কালতো কৰিব পৰা যায়। তেনেদৰে খৰালি কালৰ খেতিও বাৰিষাকালত কৰিব পাৰি।



ধাননি পথাৰ

আঘোণ মাহৰ পথাৰত লহপহকৈ বাঢ়ি অহা ধাননি ডৰালৈ চাবাচোন। পকা ধানৰ থোকেৰে ধান গছবোৰ ভৰি পৰে। পথাৰখন সোণোৱালী হৈ পৰে। দেখিলে চকু-মন জুৰ পৰি যায়। সেইদৰে সৰিয়হ ফুলাৰ সময়ত পথাৰখন হালধীয়া হৈ চালে চকুৰোৱা হৈ পৰে। এই সকলোবোৰ খাদ্য শস্য। ধান, মাহ, তেল, মচলা জাতীয় শস্য, কুঁহিয়াৰ, মৰাপাট আদিয়েই অসমত হোৱা প্ৰধান শস্য। তদুপৰি আলু, বেঙেনা, বিলাহী, জলকীয়া আদিৰ খেতিও আমাৰ ৰাজ্যত প্ৰচুৰ পৰিমাণে হয়। আমাৰ খেতিয়কসকলে বহু শ্ৰম কৰি এনেবোৰ শস্যৰ খেতি কৰে। তেওঁলোকে উৎপাদন কৰা শস্যবোৰ আমি দোকান বা বজাৰৰপৰা কিনি আনো। এই শস্য আৰু শাক-পাচলিবোৰেৰে আমি ৰান্ধনিশালত আহাৰ প্ৰস্তুত কৰি খাওঁ।







ওপৰৰ ছবিখনলৈ মন কৰা। তাত কি কি কাম কৰা হৈছে কোৱা।

➢ তোমালোকে খেতি পথাৰ দেখিছানে ? খেতিয়কে তাত কি কি কৰে ? তেওঁলোকে উৎপাদন কৰা শস্যবোৰ আমি কেনেকৈ পাওঁ ? তলৰ ছবিকেইখনলৈ চোৱা আৰু দলত আলোচনা কৰি শস্য উৎপাদনৰ পৰা ৰান্ধনিশালত ৰান্ধি খোৱালৈকে একাদিক্ৰমে নম্বৰবোৰ দিয়া আৰু কাৰ্যবোৰৰ নাম লিখা ।



......................................



......................................



......................................



......................................



......................................



......................................



......................................



......................................

**খেতিৰ বিষয়ে জানি লওঁ আহা—**

খেতি কৰিবলৈ প্ৰথমতে মাটিডৰা ভালদৰে চহাব লাগে। মাটি বিভিন্ন প্ৰকাৰে চহোৱা হয়, যেনে- হাল বোৱা, কোৰ মৰা, ট্ৰেক্টৰেৰে চহোৱা। ট্ৰেক্টৰেৰে কম সময়ৰ ভিতৰতে অধিক মাটি চহাব পাৰি। প্ৰয়োজন মতে মাটিডৰাত সাৰ আৰু পানীৰ যোগান ধৰিব লাগে। তদুপৰি কীট-পতংগৰপৰা শস্য ৰক্ষা কৰিবলৈ উচিত পৰিমাণত কীটনাশক ঔষধ দিব লাগে আৰু উন্নত জাতৰ বীজ ব্যৱহাৰ কৰিব লাগে। গোবৰ, পচন সাৰ আৰু কৃত্ৰিম সাৰ ব্যৱহাৰ কৰি মাটি সাৰুৱা কৰি তোলা হয়।

**অভিভাৱকৰপৰা জানি লৈ লিখা—**

➢ কৃষিৰ বাবে প্ৰয়োজনীয় উন্নত ব্যৱস্থাসমূহ আৰু খেতিৰ সঁজুলিবোৰৰ নাম লিখা।



ট্ৰেক্টৰেৰে মাটি চহোৱা



পাৱাৰ-টিলাৰ

গৰুৰদ্বাৰা হাল বোৱাৰ সলনি প্ৰায়বোৰ খেতিয়কেই আজিকালি মাটি চহ কৰিবলৈ ট্ৰেক্টৰ ব্যৱহাৰ কৰে। মাটি চহ কৰাৰ লগতে শস্যৰ বীজ সিঁচা আৰু শস্য কাটিয়াবলৈ পাৱাৰ-টিলাৰ আদি উন্নত যন্ত্ৰ ব্যৱহাৰ কৰে। ইয়াৰ ফলত কম পৰিশ্ৰমতে বহুখিনি মাটিত খেতি কৰিব পাৰি।

**তলৰ ছবিত দেখা খেতিৰ সঁজুলিবোৰৰ নাম লিখা—**



দূৰদৰ্শন আৰু অনাতাঁৰ মাধ্যমৰ জৰিয়তে উন্নত মানৰ খেতিৰ প্ৰণালীৰ বিষয়ে বিভিন্ন কাৰ্যসূচীৰ যোগেদি সম্প্ৰচাৰ কৰা হয়। ইয়াৰ দ্বাৰা খেতিয়কসকলে বিভিন্ন প্ৰকাৰৰ শস্যৰ খেতি কেনেকৈ কৰিব পাৰি বা উন্নতমানৰ খেতি কৰি কেনেকৈ অধিক লাভৱান হ'ব পাৰি সেই বিষয়ে ভালদৰে জানিব পাৰে। আজি-কালি ম'বাইল ফোনৰ যোগেদিও খেতি কৰাৰ পদ্ধতি সম্পৰ্কে নানা কৌশল আয়ত্ত কৰিব পাৰে।

ধানখেতিৰ বাবে যথেষ্ট পৰিমাণে পানীৰ প্ৰয়োজন। অসমৰ বেছিভাগ খেতিয়কেই বৰষুণৰ ওপৰতে নিৰ্ভৰ কৰি খেতি কৰে। বৰষুণৰ অভাৱ হ'লে শস্যৰ উৎপাদন ভাল নহয়। অসমত বাৰিষা আৰু খৰালি দুয়োটা সময়তে ধান খেতি কৰা হয়।

বাৰিষাকালত বৰষুণৰ ওপৰত নিৰ্ভৰ কৰি অন্য কিছুমান শস্যৰো খেতি কৰা হয়। আনহাতে খৰালি কালত কৰা কিছুমান শস্যকো পানীৰ দৰকাৰ। তেনেবোৰ খেতিত কৃত্ৰিমভাৱে পানী যোগান ধৰা হয়। বিদ্যুৎ বা ডিজেল চালিত পাম্পৰ সহায়ত নৈ, পুখুৰী আৰু নলীনাদৰ পৰা পানী নি খেতি পথাৰত যোগান ধৰা হয়।


কৃত্ৰিমভাৱে খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা

খেতি-বাতি কৰি বহুলোকে জীৱিকা নিৰ্বাহ কৰে। আজি-কালি উন্নত কৃষি প্ৰণালী প্ৰয়োগ কৰি অধিক শস্য উৎপাদন কৰিব পাৰে। উৎপাদিত কৃষিজাত সামগ্ৰীৰ ওপৰত ভিত্তি কৰি বিভিন্ন ধৰণৰ উদ্যোগ গঢ়ি উঠে। আমাৰ ৰাজ্যখনত প্ৰধানকৈ ধান, মাহ, সৰিয়হ, কুঁহিয়াৰ, চাহ, মৰাপাট, আনাৰস, কমলা, বাঁহ-বেত আদি প্ৰচুৰ পৰিমাণে উৎপাদন কৰা হয়। এইবোৰ সামগ্ৰীৰ ওপৰত ভিত্তি কৰি চাহ উদ্যোগ, চেনি কল, মৰাপাট কল, কাগজ কল, বাঁহ-বেতৰ উদ্যোগ, মিঠাতেলৰ উদ্যোগ আদি গঢ়ি উঠিছে। এই উদ্যোগসমূহে আমাৰ ৰাজ্যৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাত সহায় কৰিছে।

**কৰি চাওঁ আহা**-(অভিভাৱক বা শিক্ষকৰ সহায় ল'বা)

➢ তিনিটা খালী টিনৰ পাত্র বা প্লাষ্টিকৰ গিলাচত তিনি প্রকাৰৰ মাটি ভৰাই লোৱা। তিনিওটা পাত্রৰ প্রতিটোতে এটাকৈ পানীত তিয়াই থোৱা কোমল বুটমাহ পুতি দিয়া আৰু ৰ'দ পৰা ঠাইত থৈ দিয়া। প্রতিদিনে পাত্রকেইটাত পানী দি লক্ষ্য কৰি থাকিবা।

**এতিয়া তলৰ তালিকা অনুসৰি কি পালা লিখা।**

| | **গছপুলিৰ বৃদ্ধি (ছেণ্টিমিটাৰত)** | |
|---|---|---|
| **মাটিৰ প্রকাৰ** | **৫ দিনৰ পাছত** | **১২ দিনৰ পাছত** |
| বালিচহীয়া মাটি | | |
| বোকা মাটি | | |
| পলসুৱা মাটি | | |

কোনবিধ মাটিত গছপুলিৰ বৃদ্ধি ভাল হৈছে আৰু কোনবিধ মাটিত বেয়া হৈছে চোৱা আৰু কিয় হৈছে চিন্তা কৰা।

পলসুৱা মাটিত গছপুলিৰ বৃদ্ধি ভাল হৈছে। কাৰণ ইয়াত গছৰ বৃদ্ধিৰ বাবে লাগতিয়াল জৈৱিক সাৰ থাকে। **উদ্ভিদৰ বৃদ্ধিৰ বাবে মাটিৰ গুণাগুণৰ উপৰি সূৰ্যৰ তাপ, পোহৰ আৰু পানীৰ আৱশ্যক।**

## জানি লওঁ আহা

- ✪ পলসুৱা মাটি খেতিৰ বাবে উপযোগী।
- ✪ আজি-কালি খেতি কৰোঁতে বৈজ্ঞানিক পদ্ধতি প্রয়োগ কৰা হয়। ইয়াৰ ফলত শস্যৰ উৎপাদন বাঢ়ে, বেমাৰ-আজাৰ কমে আৰু কম দিনতে খেতি সম্পূর্ণ কৰিব পাৰি। বৈজ্ঞানিক পদ্ধতিত খেতিয়কৰ শ্রমো লাঘৱ হয়।
- ✪ খেতিৰপৰা অধিক উৎপাদন পাবলৈ খেতিত সাৰ প্রয়োগ কৰা হয়।
- ✪ গছ-গছনি, শাক-পাচলি আৰু ফল-মূলৰ পেলনীয়া অংশ কিছুদিন গাঁতত পুতি থৈ আমি পচন সাৰ প্রস্তুত কৰি ল'ব পাৰোঁ।
- একেডৰা মাটিতে একেবিধ শস্যকে বছৰি বছৰি কৰি নাথাকি শস্য পৰিৱৰ্তন কৰি মাহ জাতীয় শস্য উৎপাদন কৰি মাটিডৰাৰ উৰ্বৰতা অধিক বৃদ্ধি কৰিব পাৰি।
- গোবৰ, প্রাণীৰ মলমূত্র, হাড়ৰ গুড়ি, কেঁচুসাৰ আদি হৈছে জৈৱিক সাৰ।

**শস্যবোৰৰ নাম জানো আহা—**





**ধানজাতীয় শস্য**— আহু, শালি আৰু বাওকে আদি কৰি নানা বিধ ধানৰ খেতি কৰা হয়।







**মাহজাতীয় শস্য**— মাটিমাহ, মগুমাহ, ৰহৰ, মচুৰ, মটৰমাহ আদি।





**তেলজাতীয় শস্য**— তিল, সৰিয়হ, তিচি, বেলিফুল আদি ।







**মচলাজাতীয় শস্য**— আদা, নহৰু, জালুক, জিৰা, ধনিয়া আদি।

**ঔষধি গুণযুক্ত উদ্ভিদ—**

প্ৰাথমিক চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা ঔষধি গুণ থকা উদ্ভিদৰ লগত চিনাকি হওঁ আহা—



মানিমুনি



নিমপাত



তুলসী



নয়নতৰা ফুল

➢ ঘৰৰ জ্যেষ্ঠসকলৰ পৰা জানি লৈ আৰু কিছুমান ঔষধি গুণযুক্ত উদ্ভিদৰ নাম লিখা।


ধানবোৰ ভঁৰালত জমা কৰি থোৱা হয়। ভঁৰালটো ওখ ঠাইত হ'ব লাগে, যাতে পানী জমা হৈ ধানবোৰ নষ্ট নকৰে।



ভঁৰাল



ডুলি



টোম

বাঁহেৰে তৈয়াৰী ডাঙৰ **ডুলি**বোৰত সৰিয়হ, তিল আদি তেলজাতীয় শস্য আৰু মাটিমাহ, মগুমাহ আদি মাহজাতীয় শস্য গোটেই বছৰৰ বাবে সংৰক্ষণ কৰি ৰখা হয়। শস্যৰ বীজবোৰ বাঁহেৰে তৈয়াৰী এটা পাত্ৰত ৰখা হয়। বীজ সংৰক্ষণ কৰা পাত্ৰটো হৈছে **টোম**।

শাক-পাচলি, মাছ-মঙহ, ফল-মূল আদি কিছুদিনলৈ সতেজ কৰি ৰাখিবৰ বাবে **ৰেফ্ৰিজাৰেটৰ** নামৰ যন্ত্ৰবিধ ব্যৱহাৰ কৰা হয়।



ৰেফ্ৰিজাৰেটৰ




সোনকালে নষ্ট হৈ নোযোৱাকৈ শাক-পাচলি, ফল-মূল আদি এক নিৰ্দিষ্ট উষ্ণতাত শীতল কৰি ৰখা হয়। এনেদৰে শীতল কৰি ৰাখিব পৰা ভঁৰালেই হৈছে **শীতল ভঁৰাল**। কৃষিজাত শস্য, যেনে- ধান, মাহ, চাহপাত আদি বিশেষভাৱে নিৰ্মাণ কৰা **পণ্যাগাৰ**ত ৰখা হয়। এই পণ্যাগাৰসমূহত শস্যবোৰ বহুতদিন ভালে থাকিবৰ বাবে নিৰ্দিষ্ট উষ্ণতাত ৰখা হয়।

## অনুশীলনী

১। চমু উত্তৰ দিয়া-

(ক) দুবিধ কেঁচাই খোৱা পাচলিৰ নাম লিখা।

(খ) দুবিধ বাৰিষা কালত হোৱা পাচলিৰ নাম লিখা।

(গ) দুবিধ খৰালি কালত হোৱা পাচলিৰ নাম লিখা।

(ঘ) মাহজাতীয় শস্য দুবিধৰ নাম লিখা।

(ঙ) তেলজাতীয় শস্য দুবিধৰ নাম লিখা।

(চ) ধানজাতীয় শস্য দুবিধৰ নাম লিখা।

(ছ) মচলাজাতীয় শস্য দুবিধৰ নাম লিখা।

(জ) দুবিধ খেতিৰ সঁজুলিৰ নাম লিখা।

২। শুদ্ধ নে অশুদ্ধ লিখা-

(ক) খেতি কৰিবলৈ প্ৰথমতে মাটিডৰা ভালকৈ চহাব লাগে।

(খ) ঘেঁহু অসমৰ প্ৰধান শস্য।

(গ) সৰিয়হ এবিধ মাহজাতীয় শস্য।

(ঘ) আজিকালি মাটি চহ কৰিবলৈ ট্ৰেক্টৰ ব্যৱহাৰ কৰা হয়।

(ঙ) খেতি-বাতি কৰি বহুলোকে জীৱিকা নিৰ্বাহ কৰে।


৩। ধান খেতি কৰিবলৈ হ'লে কি কি কৰিব লাগে?

৪। কি কি উপায়েৰে খেতি পথাৰত পানী যোগান ধৰা হয়?

৫। শীতল ভঁৰাল কি? শীতল ভঁৰালত কি কি খাদ্য বস্তু ৰখা হয় আৰু কিয় ৰখা হয়?

## পাঠ- ৫
# স্বাস্থ্য আৰু সুৰক্ষা

Y4Z6E4



ওপৰৰ ছবিকেইখনলৈ চোৱা, কি বুজিলা ভাবা আৰু দলত আলোচনা কৰা—

বেমাৰ-আজাৰ হ'লে আমাৰ শৰীৰটো দুৰ্বল হৈ পৰে। তেনে অৱস্থাত খেলা-ধূলা কৰিবলৈ আৰু মনোযোগেৰে পঢ়া-শুনা আদি কৰিবলৈ শৰীৰত শক্তি নোহোৱা হয়। একেদৰে কিবা কাৰণত মন বেয়া লাগি থাকিলেও খেলা-ধূলা, পঢ়া-শুনা আদি কামবোৰ উদ্যমেৰে কৰিবলৈ মন নোযোৱা হয়। যদি আমি স্বাস্থ্যৱান হৈ থাকোঁ, তেতিয়া এই সকলোবোৰ কাম কৰিবলৈ আমি উৎসাহী হৈ পৰোঁ।

**স্বাস্থ্যৱান মানে কি ?**

স্বাস্থ্যৱান বুলিলে আনন্দ মনেৰে দৈনন্দিন লাগতিয়াল কাম-কাজবোৰ কৰিব পৰা, খেলা-ধূলা, পঢ়া-শুনা আদি কামবোৰ উদ্যমেৰে কৰিব পৰা আৰু বেমাৰ-আজাৰ নোহোৱা শৰীৰৰ অৱস্থাকে বুজোৱা হয়। মানুহ এজনক স্বাস্থ্যৱান বুলি ক'বলৈ হ'লে মানুহজনৰ শৰীৰটো নিৰোগী হোৱাৰ উপৰি মানুহজনৰ মনটোও আনন্দ-উৎসাহেৰে কাম কৰিব পৰাকৈ উদ্যমী হ'ব লাগিব।

➢ স্বাস্থ্য ভালে ৰাখিবৰ বাবে তোমালোকে কি কি কাম কৰা লিখা।

স্বাস্থ্য ভালে ৰাখিবলৈ হ'লে দেহৰ যতন ল'ব লাগে। ইয়াৰ উপৰি কিছুমান স্বাস্থ্যৰক্ষাৰ নীতি-নিয়মো মানি চলিব লাগে। এতিয়া দেহৰ যতনবোৰনো কি কি তলৰ ছবিকেইখন চাই আলোচনা কৰোঁ



**ছবি পৰ্যৱেক্ষণ কৰি লিখোঁ আহা—**

➢ ওপৰৰ ছবিসমূহ পৰ্যৱেক্ষণ কৰা আৰু দলত আলোচনা কৰি দেহৰ যতন লোৱা কামসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

➢ **‘স্বাস্থ্যই পৰম ধন’** — এই কথাষাৰৰ অৰ্থনো কি শিক্ষকৰ সহায় লৈ ব্যাখ্যা কৰা।

**যোগাসন আৰু ধ্যান ঃ** নিয়মিত যোগাসন আৰু ধ্যান কৰিলে দেহ-মন ভালে থাকে। যোগাসন আৰু ধ্যানে একাগ্ৰতা বৃদ্ধি কৰাত সহায় কৰে। খেলা-ধূলা, পঢ়া-শুনাত মনোযোগ বৃদ্ধি কৰিবলৈ তোমালোকে নিয়মিত যোগাসন আৰু ধ্যান কৰিবা।

**আকস্মিক দুৰ্ঘটনা আৰু প্ৰাথমিক চিকিৎসা ঃ**

আমি নিজকে নিৰোগী কৰি ৰাখিবৰ বাবে শৰীৰৰ যতন লোৱা, সুষম খাদ্য খোৱা, স্বাস্থ্য ৰক্ষাৰ নীতি-নিয়মবোৰ মানি চলা অতি আৱশ্যক। তদুপৰি সাৱধানে দৈনন্দিন জীৱনৰ কাম-কাজবোৰ কৰিব লাগে। সাৱধান হৈ নচলিলে আমাৰ শৰীৰ নানা ধৰণে আঘাতপ্ৰাপ্ত হ’ব পাৰে।


আমি সকলোৱে পুৱা শুই উঠাৰপৰা ৰাতি শুৱলৈ যোৱালৈকে বিভিন্ন কাম কৰি থাকোঁ। কেতিয়াবা খেলা-ধূলা কৰি থাকোঁতে নাইবা অন্যান্য সৰু-সুৰা কাম-কাজ কৰোঁতেও হঠাতে আমি আঘাতপ্ৰাপ্ত হ’ব পাৰোঁ। এনেদৰে হঠাতে বা অকস্মাতে ঘটি যোৱা দুৰ্ঘটনাই হৈছে **আকস্মিক দুৰ্ঘটনা**। আকস্মিক দুৰ্ঘটনাবোৰৰ পৰা হাত সাৰি থাকিবলৈ সদায় সাৱধান হ’ব লাগে। বেছিভাগ দুৰ্ঘটনাই আমাৰ অসাৱধানতাৰ বাবে সংঘটিত হয়। তলত দিয়া নিয়মবোৰ মানি চলিলে দুৰ্ঘটনাৰ সম্ভাৱনা হ্ৰাস কৰিব পাৰি।

আলিবাটত সদায় নিজৰ বাওঁহাতে খোজ কাঢ়িব লাগে। আলিবাট পাৰ হওঁতে প্ৰয়োজন সাপেক্ষে আগলৈ-পাছলৈ, সোঁফালে আৰু বাওঁফালে চাই লৈ কোনো ধৰণৰ যান-বাহন নাহিলেহে পাৰ হোৱা উচিত। আলিবাটত সদায় ‘ট্ৰেফিক’ৰ সংকেত মানি চলা অতি প্ৰয়োজন।

ট্ৰেফিক লাইটৰ ৰঙকেইটাই কি বুজায়?



- ৰঙা ৰঙে ৰ’বলৈ কয়।
- হালধীয়া ৰঙে সাজু হ’বলৈ কয়।
- সেউজীয়া ৰঙে যাবলৈ কয়।






কেতিয়াও জুই লৈ বা জুইশলা আদি জ্বলাই খেলিব নালাগে। তোমালোকে জুইৰ একেবাৰে কাষত নবহিবা। তেনে কৰিলে পিন্ধি থকা কাপোৰত জুই লাগি দুৰ্ঘটনা ঘটিব পাৰে।



তিতা হাতেৰে আৰু খালী ভৰিৰে কেতিয়াও বৈদ্যুতিক সৰঞ্জাম আৰু বৈদ্যুতিক ছুইচ চুব নালাগে। টেবুল ফেন, হিটাৰ আদি বৈদ্যুতিক সৰঞ্জামসমূহ ছুইচ অন্ হৈ থকা অৱস্থাত স্পৰ্শ কৰিলে বিদ্যুৎপৃষ্ট হৈ দুৰ্ঘটনা হ'ব পাৰে।



নৈ, পুখুৰী আদিৰ পানীত ঘৰৰ অভিভাৱক বা ডাঙৰৰ অনুমতি অবিহনে সাঁতুৰিবলৈ যাব নালাগে।



সাপ, বৰল আদিক জোকাই লৈ আমনি কৰিব নালাগে। সেইবোৰে আমনি পালে খঙত দংশন কৰিলে দুৰ্ঘটনা হ'ব।


খেলা-ধূলা কৰি থাকোঁতে কেতিয়াবা কোনো কোনো ল'ৰা-ছোৱালী আঘাতপ্ৰাপ্ত হোৱা দেখা যায়। গতিকে খেলোঁতেও সাৱধান হোৱা উচিত।

**খেলা-ধূলা কৰোঁতে কি কি সাৱধানতা ল'ব লাগে?**

- শিল, আইনাৰ টুকুৰা, গজাল আদি পৰি থকা ঠাইত খেলিব নালাগে।
- ওখোৰা-মোখোৰা ঠাইত খেলিব নালাগে।
- নদীৰ পাৰত, জুইৰ কাষত, পানী পৰি পিছল হোৱা ঠাইত আৰু বেছি হাবি-বন থকা ঠাইত খেলিব নালাগে।
- লাঠী, দা-কটাৰী, জুই হাতত লৈ খেলিব নালাগে।
- খেলি থাকোঁতে ইজনে-সিজনৰ গালৈ দুখ পাব পৰা কোনো বস্তু দলিয়াব নালাগে।
- খেলোঁতে অযথা ঠেলা-হেঁচা কৰিব নালাগে আৰু কেতিয়াও এজনে আনজনক আঘাত কৰিব নালাগে।

দুৰ্ঘটনাত পোৱা আঘাত কেতিয়াবা কম আৰু কেতিয়াবা বেছিও হ'ব পাৰে। আঘাত কম পৰিমাণে হ'লে ঘৰতেই চিকিৎসা কৰি ভাল কৰিব পাৰি। যাক আমি **প্ৰাথমিক চিকিৎসা** বুলি কওঁ। বিভিন্ন ধৰণৰ আঘাত পোৱাৰ লগে লগে আমি প্ৰাথমিক চিকিৎসাৰ বাবে কিছুমান ব্যৱস্থা হাতত ল'ব পাৰোঁ।

কাম-কাজ কৰোঁতে বা খেলা-ধূলা কৰোঁতে আমাৰ কেতিয়াবা কটা-ছিঙা হ'ব পাৰে বা আঙুলি কাটিব পাৰে। কেতিয়াবা হাত-ভৰি মোচোকা খাবও পাৰে। কেতিয়াবা আকৌ মৌ-মাখি, বৰল, পৰুৱা আদিয়েও কামুৰিব পাৰে। এনে অৱস্থাত আমি আমাৰ চৌপাশত থকা গছ-গছনি, গছৰ পাত, ফুল আদি ব্যৱহাৰ কৰি প্ৰাথমিক চিকিৎসা কৰিব পাৰোঁ। উদাহৰণস্বৰূপে- নাৰ্জি ফুল, বিশল্যকৰণী আদি গছৰ পাত ব্যৱহাৰ কৰি আমাৰ শৰীৰৰ সৰু-সুৰা কটা-ছিঙাত সুফল পাব পাৰোঁ। হাত-ভৰি মোচোকা খালে সেই ঠাইত বৰফ লগাই বা কেঁচা হালধি পিহি লগাই দিলে বিষৰ পৰা উপশম পাব পাৰি। মৌ-মাখি, বৰল আদিয়ে বিন্ধিলে উখহা ঠাইত নহৰু নাইবা পিঁয়াজৰ ৰস সানিলেও বিষ কমে। জোকে কামুৰিলে নিমখ সানিলে জোক সৰি পৰে।



**মা-দেউতা/ককা-আইতা/শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা জানি লৈ লিখা—**

➢ আঘাত পোৱাৰ লগে লগে কিদৰে প্ৰাথমিক চিকিৎসা কৰিব পাৰি ?

| আঘাতসমূহ | আমি কি কি কৰিব লাগে |
| --- | --- |
| শৰীৰৰ কোনো ঠাইত কাটিলে | |
| জুয়ে পুৰিলে | |
| হাত-ভৰি মোচোকা খালে | |
| মৌ-মাখি, বৰলে বিন্ধিলে | |
| জোকে কামুৰিলে | |

**চিন্তা কৰি কোৱা–**

➢ একেলগে খেলা-ধূলা কৰোঁতে হঠাৎ তোমাৰ বান্ধৱী এগৰাকীয়ে ভৰিত মোচোকা খাই দুখ পালে। তেতিয়া তুমি কি কৰিবা ?

**দলত আলোচনা কৰি লিখা—**

➢ তোমালোকৰ কেতিয়াবা কোনো ধৰণৰ আকস্মিক দুৰ্ঘটনা হৈছিল নেকি ? কি কি সাৱধানতা লোৱা হ'লে তেনে দুৰ্ঘটনাৰ পৰা হাত সাৰিব পাৰিলাহেঁতেন।

➢ সাপে খুঁটিলে তলৰ কোনটো কাম কৰা উচিত আৰু কিয় ?

— বেজৰ ওচৰলৈ জৰা-ফুকাৰ বাবে যাব লাগে।

— তৎক্ষণাত চিকিৎসা কেন্দ্ৰলৈ লৈ যাব লাগে।

— সাপটো মাৰি পেলাব লাগে।

প্ৰাথমিক চিকিৎসাৰে আমি শৰীৰৰ আঘাত পোৱা ঠাইত চিকিৎসা কৰিব পাৰোঁ। ইয়াৰ উপৰি গুৰুতৰ দুৰ্ঘটনা ঘটাৰ সময়ত চিকিৎসা কেন্দ্ৰ গৈ পোৱাৰ আগৰ সময়খিনিত স্বাস্থ্যৰ যাতে অধিক অৱনতি নঘটে তাৰ বাবে দুৰ্ঘটনাগ্ৰস্ত লোকক প্ৰাথমিক চিকিৎসা প্ৰদান কৰিব লাগে। প্ৰাথমিক চিকিৎসাৰ পাছতে চিকিৎসকৰ ওচৰলৈ যাব লাগে।

**প্ৰাথমিক চিকিৎসাৰ বাকচ সাজোঁ আহা—**

আকস্মিক দুৰ্ঘটনা সংঘটিত হ'লে ততাতৈয়াকৈ চিকিৎসা প্ৰদান কৰিব পৰাকৈ বিদ্যালয়ত আৰু ঘৰত একোটাকৈ প্ৰাথমিক চিকিৎসাৰ বাকচ থকা উচিত। তলত দিয়া সামগ্ৰীসমূহৰ সহায়ত প্ৰাথমিক চিকিৎসাৰ বাকচ এটি প্ৰস্তুত কৰি ৰাখিব পাৰি। তোমালোকে শিক্ষক নাইবা ডাঙৰৰ সহায় লৈ তেনে প্ৰাথমিক চিকিৎসাৰ বাকচ এটা সাজি উলিয়াবা।


হঠাতে আঘাত পালে চিকিৎসাৰ বাবে সহজতে ব্যৱহাৰ কৰিব পৰা কিছুমান দৰকাৰী বস্তু হ'ল-

- ✪ বিশুদ্ধ কপাহ
- ✪ বেণ্ডেজ বা চাফা কাপোৰ
- ✪ গ্ল 'ভছ
- ✪ থাৰ্মমিটাৰ
- ✪ জুলীয়া এণ্টিচেপ্টিক
- ✪ বীজাণুনাশক মলম
- ✪ বিষ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা মলম
- ✪ এখন সৰু কেঁচী।








এনেদৰে এই সামগ্ৰীসমূহ এটা সৰু বাকচত ভৰাই ৰাখিলে প্ৰয়োজন হোৱা মাত্ৰেই পোৱা যাব আৰু বস্তুবোৰো ভালে থাকিব। এই প্ৰাথমিক চিকিৎসাৰ বাকচটো সহজে সকলোৱে চিনি পাব পৰাকৈ এটা ডাঙৰ ৰঙা যোগ চিন ইয়াৰ পিঠিত আঁকি দিয়া হয়।

**চিকিৎসকৰ সহায় নোলোৱাকৈ আঘাত পোৱাৰ লগে লগে চিকিৎসা কৰিব পৰা ব্যৱস্থাই হ'ল প্ৰাথমিক চিকিৎসা।**

## অনুশীলনী

১। (ক) প্ৰাথমিক চিকিৎসাৰ বাকচত কি কি বস্তু ৰাখিব লাগে ?

(খ) আলিবাটত খোজ কাঢ়োঁতে কি কি নিয়ম মানিব লাগে ?

(গ) যোগাসন আৰু প্ৰাণায়াম কৰিলে কি হয় ?

(ঘ) খেলোঁতে কি কি সাৱধানতা লোৱা উচিত ?

২। খালী ঠাই পূৰ কৰা —

(ক) শৰীৰত কম পৰিমাণে পোৱা আঘাত ——— চিকিৎসাৰ দ্বাৰাই ভাল কৰিব পাৰি।

(খ) বেমাৰ-আজাৰ হ'লে আমাৰ শৰীৰটো ——— হৈ পৰে।

(গ) অকস্মাতে হোৱা দুৰ্ঘটনাই হ'ল ——— দুৰ্ঘটনা।

(ঘ) তিতা হাতেৰে ——আৰু ------- চুব নালাগে।

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা-

(ক) চিকিৎসকৰ সহায় নোলোৱাকৈ আঘাত পোৱাৰ লগে লগে কৰা চিকিৎসাক আকস্মিক /প্ৰাথমিক চিকিৎসা বোলে।

(খ) ওখোৱা-মোখোৱা ঠাইত খেলিব লাগে/নালাগে।

(গ) আলিবাটত সদায় নিজৰ বাওঁহাতে/ সোঁহাতে খোজ কাঢ়িব লাগে।

(ঘ) জুইৰ কাষত /আঁতৰত বহিব লাগে।

৪। স্বাস্থ্য ভালে ৰাখিবলৈ আমি কি কি কৰিব লাগে ?

৫। আলোচনা চক্ৰ আয়োজন কৰা—

বিষয় ঃ প্ৰাথমিক চিকিৎসাৰ প্ৰয়োজনীয়তা

## পাঠ - ৬

# বায়ু আৰু আমাৰ চৌপাশ

বায়ু সকলোতে আছে। বায়ু আমি চকুৰে দেখা নাপাওঁ, কিন্তু বতাহ বলিলে ইয়াৰ উপস্থিতি অনুভৱ কৰোঁ। প্ৰকৃততে ই গেছীয় মিশ্ৰ পদাৰ্থ। উদ্ভিদ আৰু প্ৰাণী সকলোৱে উশাহ-নিশাহ ল'বলৈ বায়ু ব্যৱহাৰ কৰে। বায়ু নহ'লে আমি জীয়াই থাকিব নোৱাৰোঁ।

বায়ু সকলোতে আছে। ইয়াক আমি চকুৰে নেদেখোঁ, অনুভৱহে কৰোঁ। এই কথা বুজিবলৈ আমি তলত দিয়া কাৰ্যসমূহ কৰি চাওঁ আহা-

- তোমাৰ হাতৰ তলুৱাৰ ওপৰত মুখেৰে এবাৰ ফুঁ মাৰি দিয়াচোন। হাতত কিবা লগা যেন অনুভৱ কৰিছানে? তোমাৰ মুখৰ ভিতৰৰপৰা ওলাই অহা বায়ুৰ বাবে হাতত বতাহ লগাৰ দৰে অনুভৱ কৰিছা।






- পলিথিনৰ মোনা এটাৰ মুখখন খুলি ৰাখি তোমাৰ চাৰিওফালেদি এপাক ঘূৰাই লোৱা। এতিয়া খোলা মুখখন বন্ধ কৰি দিয়া। পলিথিনৰ মোনাটো ফুলি উঠিলনে? কিয় ফুলি উঠিল? ইয়াৰ ভিতৰত বায়ু সোমাল কাৰণে ই ফুলি উঠিল।



- এটা ডাঙৰ পাত্ৰত পানী ভৰাই লোৱা। এটা খালী বটলৰ খোলা মুখখন ওপৰমুৱাকৈ ধৰি পানীখিনিত বটলটো পোনে পোনে তললৈ ডুবাই দিয়া। পানীৰপৰা বুৰ্বুৰণি ওলাইছেনে? যদি ওলাইছে, কিয়? বটলৰ ভিতৰত থকা বায়ু বুৰ্বুৰণি দি ওলাই গৈছে।



➢ এটা গিলাচত পানী ভৰাই তাত শুকান মাটিৰ সৰু চপৰা এটা পেলাই দিয়া। পানীত বুৰ্বুৰণি ওলোৱা দেখিছানে? এই বুৰ্বুৰণিবোৰ কিহৰ বাবে ওলাইছে? মাটিৰ চপৰাৰ ভিতৰত সোমাই থকা বায়ুখিনি ওলাই আহিছে আৰু সেই ঠাই পানীৰে পূৰ হৈছে। ইয়াৰপৰা বুজিলা যে মাটিৰ ভিতৰতো বায়ু থাকে।

➢ এতিয়া এই কাৰ্যটো চক পেঞ্চিলৰ টুকুৰা বা শুকান ইটাৰ সৰু টুকুৰা এটা লৈ কৰা।

ওপৰৰ কথাখিনিৰপৰা বুজিব পাৰিলোঁ যে আমাৰ শৰীৰ, খালী বটল বা টেমা, চপৰা মাটি, ইটাৰ টুকুৰা, চক পেঞ্চিল আদিত বায়ু থাকে। পলিথিনৰ খোলা মুখৰ মোনাটো ঘূৰাই লোৱাৰ পাছত তাৰ ভিতৰতো বায়ু থাকে। বায়ু সকলোতে আছে। বায়ু আমি চকুৰে দেখা নাপাওঁ, কিন্তু অনুভৱ কৰোঁ।



**কৰি চাওঁ আহা -**

➢ এটা বেলুন লোৱা আৰু ফুলোৱা। বেলুনটোৰ ভিতৰত কি সোমাল? তাৰ পিছত ছবিত দেখুওৱাৰ দৰে দুইখন হাতৰ আঙুলিৰে ধৰি বেলুনটোৰ মুখখন মেলি ধৰা। কিবা শব্দ শুনিছানে?

বেলুনৰ মুখখন খুলি দিয়াত বায়ুখিনি জোৰেৰে ওলাই আহিল। এই ওলাই অহা বায়ুৱে শব্দৰ সৃষ্টি কৰিলে।



➢ চকৰি এটা হাতত লৈ দৌৰ মাৰা। চকৰিটো ঘূৰিছিনে? যদি ঘূৰিছে কিয়? বায়ু চলাচল কৰাৰ বাবে চকৰিটো ঘূৰে।

বায়ু দেখা পোৱা নাযায়। বায়ুৰ ক্ৰিয়া-কলাপবোৰহে দেখা যায়। উদাহৰণস্বৰূপে, গৰমৰ দিনত বতাহ বলিলে গা-মন জুৰ পৰি যায়। চলাচল কৰা বায়ুৱে হ'ল বতাহ। বতাহ বলিলে বায়ুৰ স্থিতিৰ বিষয়ে অনুমান কৰিব পাৰি। বতাহ লাহে লাহে বলিলে মৃদু বতাহ বা ফিৰফিৰীয়া বতাহ আৰু বৰ জোৰেৰে বলিলে আমি ধুমুহা অহা বুলি কওঁ।

**বায়ুত বিভিন্ন গেছ মিহলি হৈ থাকে।**



**কৰি চাওঁ আহা-**

➢ মেজত দুডাল মমবাতি জ্বলোৱা। এতিয়া কাষৰ ছবিত দেখুওৱাৰ দৰে তাৰে এডাল মমবাতি কাঁচৰ গিলাচেৰে ঢাকি দিয়া। দুইডাল মমবাতিলৈ অলপ সময় লক্ষ্য কৰা। কি দেখিলা? গিলাচেৰে ঢাকি দিয়া মমডাল জ্বলি আছেনে? যদি নুমাই গ'ল, তাৰ কাৰণ কি?

ইয়াৰপৰা অনুমান কৰিব পাৰি যে বায়ুত এনে এবিধ গেছ আছে যিয়ে মুকলিকৈ ৰখা মমডাল জ্বলি থকাত সহায় কৰিছে। আনহাতে গিলাচৰ ভিতৰত থকা সেই গেছখিনিয়ে ঢাকি দিয়া মমডালক কিছু সময় জ্বলাই ৰখাত সহায় কৰিছিল। গিলাচত অলপহে বায়ু আছিল। বাহিৰৰপৰা বায়ু সোমাব পৰা নাছিল। গিলাচৰ ভিতৰত বায়ুৰ পৰিমাণ কমি যোৱাৰ ফলত মমডাল নুমাই গ'ল। ইয়াৰপৰা বুজিলা যে গিলাচৰ ভিতৰত থকা বায়ুত এনে এবিধ গেছ আছে যিয়ে জুই জ্বলাত সহায় কৰে। এই গেছটোকে **অক্সিজেন গেছ** বোলে। মানুহ আৰু আন প্ৰাণীয়ে উশাহত এই গেছ ব্যৱহাৰ কৰে।

**অক্সিজেন গেছ আমাৰ বাবে বৰ প্ৰয়োজনীয়। প্ৰাণী আৰু উদ্ভিদ সকলোকে জীয়াই থাকিবলৈ অক্সিজেন গেছ লাগে।**

**পৰ্যৱেক্ষণ কৰোঁ আহা-**


বিদ্যালয়ৰ ওচৰত বা অন্য ঠাইত থকা গৰু, ছাগলী, কুকুৰ আদি প্ৰাণী শুই বা বহি থাকোঁতে সিহঁতৰ পেটবোৰ যে উঠা-নমা কৰে, মন কৰিছানে? ইহঁতে উশাহ লওঁতে বায়ু পেটৰ ভিতৰলৈ টানি নিয়ে আৰু নিশাহত এৰি দিয়ে। সেইবাবে পেটবোৰে উঠা-নমা কৰা দেখা যায়।

**কৰি চাওঁ আহা**

➢ তোমাৰ নাকটোৰ ওচৰত হাতখন ধৰি নিশাহ এৰি দিয়া। হাতখনত কিবা লগা যেন অনুভৱ কৰিছানে? আকৌ এইবাৰ দীঘলকৈ উশাহ লোৱা। নাকৰ ভিতৰত কি সোমাল কোৱাচোন?

**আমি উশাহত বায়ু গ্ৰহণ কৰোঁ।**







- সাগৰৰ তললৈ যোৱা ডুবাৰুসকলে অক্সিজেন গেছৰ চিলিণ্ডাৰ লৈ ফুৰে।
- উশাহ-নিশাহ ল'বলৈ কষ্ট পোৱা ৰোগীক অক্সিজেন দিয়া হয়। পৰ্বত আৰোহণকাৰীসকলে অক্সিজেনৰ চিলিণ্ডাৰ লগত লৈ যায়।

**চিন্তা কৰি কোৱা-**

- বায়ুত অক্সিজেনৰ পৰিমাণ কমি গ'লে কি হ'ব?
- মাটিত থকা প্ৰাণী কেঁচু, কুমটি আদিয়ে উশাহ ল'বলৈ বায়ু ক'ৰ পৰা পায়?
- পানীত থকা প্ৰাণীয়ে অক্সিজেন ক'ৰ পৰা পায়?

**আমি নিশাহত এৰি দিয়া গেছবিধৰ নাম হ'ল - কাৰ্বন-ডাই-অক্সাইড।**

**কি কি কামত কাৰ্বন-ডাই-অক্সাইড গেছ ব্যৱহাৰ কৰা হয় জানি লওঁ আহা-**




- জুই নুমুৱাবলৈ কাৰ্বন-ডাই অক্সাইড গেছ ব্যৱহাৰ কৰা হয়।
- কাৰ্বন-ডাই-অক্সাইড গেছ উদ্ভিদৰ বাবে অতি লাগতিয়াল। ইয়াৰ সহায়ত উদ্ভিদে নিজৰ আহাৰ তৈয়াৰ কৰি লয়।

বায়ুত থকা আন এবিধ গেছ হ'ল নাইট্ৰ'জেন। উদ্ভিদৰ বৃদ্ধিৰ বাবে এই নাইট্ৰ'জেন অতি আৱশ্যক। নাইট্ৰ'জেন গেছ ৰাসায়নিক সাৰ প্ৰস্তুত কৰাত ব্যৱহাৰ কৰা হয়।

**আলোচনা কৰি উত্তৰ দিওঁ আহা—**

- বায়ুত থকা কাৰ্বন-ডাই-অক্সাইড গেছ উদ্ভিদৰ বাবে কিয় প্ৰয়োজন ? ই কি কামত সহায় কৰে? ইয়াৰ অভাৱ হ'লে উদ্ভিদৰ কি ক্ষতি হ'ব পাৰে?

**বায়ুত প্ৰধানকৈ অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰ'জেন আদি গেছৰ উপৰি জলীয় বাষ্প, ধূলিকণা আদিও মিহলি হৈ থাকে।**

ধূপ এডাল জ্বলালে তাৰ গোন্ধ চাৰিওফালে বিয়পি পৰে। তেনেদৰে ৰান্ধনি ঘৰত তোমালোকৰ মাৰাই মাছ-মাংস ৰান্ধিলে আঁতৰৰপৰাই গোন্ধ পোৱা, নহয় জানো? বায়ুয়ে বস্তুৰ গোন্ধ বিয়পাই নিয়ে। বায়ুৰ নিজৰ কোনো গোন্ধ নাই আৰু বৰণো নাই। কিন্তু ইয়াত অন্য বস্তু আহি সহজে মিহলি হয়।

গেলা-পচা জাবৰ-জোঁথৰ, মৰা জীৱ-জন্তু, গেলা-পচা মাছ-মাংস আদিৰপৰা ওলোৱা গেছ বায়ুৰ লগত মিহলি হৈ বায়ু দূষিত বা প্ৰদূষিত কৰে। দূষিত বায়ু স্বাস্থ্যৰ বাবে হানিকাৰক। মূৰৰ বিষ, ছালৰ বেমাৰ, চকুৰ অসুখ, পানী লগা জ্বৰ আদি দূষিত বায়ুৰপৰাই হয়। ছিগাৰেটৰ ধোঁৱাই মানুহৰ হাঁওফাঁওৰ বেমাৰ, কৰ্কটৰোগ আদি সৃষ্টি কৰিব পাৰে।

**বায়ু কেনেদৰে দূষিত হয় তাক জানি লওঁ আহা—**

গছ-গছনি কমি গ'লে বায়ুত অক্সিজেনৰ পৰিমাণ কমি যায়। কল-কাৰখানাৰ লগতে খৰি, জাবৰ-জোঁথৰ, গছৰ পাত আদি পুৰিলে ওলোৱা ধোঁৱাই কাৰ্বন-ডাই-অক্সাইডৰ পৰিমাণ বৃদ্ধি কৰে। এইবোৰৰ উপৰি আতচ-বাজী বা ফট্‌কা জ্বলালে, প্লাষ্টিক পুৰিলে নাইবা চিগাৰেট হুপিলেও আমাৰ চৌপাশৰ বায়ু প্ৰদূষিত হয়। হাবি-বননিত জুই লাগিলে, সেইবোৰৰ পৰা ওলোৱা ধোঁৱা আৰু গেছ বায়ুত মিহলি হৈ বায়ু প্ৰদূষিত কৰে। তদুপৰি খেতি-বাতি, গছ-গছনিত দিয়া ৰাসায়নিক কীটনাশক দ্ৰব্যৰ পৰাও বায়ু প্ৰদূষিত হয়। মানুহৰ হাঁচি-কাহৰ লগত ওলোৱা বীজাণু আদিও বায়ুৰ লগত মিহলি হৈ বায়ু প্ৰদূষিত হয়।

**বায়ু প্ৰদূষিত হ'লে আমাৰ কি কি অসুবিধা হ'ব পাৰে-**

- বায়ু প্ৰদূষণৰ ফলত এলাৰ্জি, হাপানী, চৰ্দি, কাহ-জ্বৰ, শ্বাস-প্ৰশ্বাসৰ কষ্ট, চকু জলা-পোৰা কৰা, ৰঙা পৰা, চকুৰ পানী ওলোৱা, নাক আৰু ডিঙিত পোৰণি, হাঁও-ফাঁওৰ ৰোগ আদি হ'ব পাৰে।
- বায়ু প্ৰদূষণে উদ্ভিদ আৰু আন প্ৰাণীৰো ক্ষতি কৰে।
- বায়ু প্ৰদূষণৰ ফলত পৃথিৱীত গৰমৰ মাত্ৰাও দিনে দিনে বাঢ়ি গৈছে।

**বায়ু প্ৰদূষণ ৰোধ কৰাৰ কিছুমান উপায়—**

✦ গছ-গছনি বেছিকৈ ৰোপণ কৰি বায়ু প্ৰদূষণ ৰোধত সহায় কৰিব পাৰি।

✦ কল-কাৰখানাৰপৰা ওলোৱা দূষিত পদাৰ্থবোৰ নিয়ন্ত্ৰণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি বায়ু প্ৰদূষণ কমাব পাৰি।



✦ সহজে পচি নোযোৱা বস্তু, যেনে- টিন, পলিথিন, প্লাষ্টিকৰ বস্তু নলা-নৰ্দমাত পেলাব নালাগে। সহজে পচি যোৱা বস্তুবোৰ পচন সাৰৰ গাঁতত পেলাই পুতি থ'ব লাগে। এনে কৰিলে জাবৰ পোৱাৰ পৰা উদ্ভৱ হোৱা ধোঁৱাৰপৰা মুক্ত হোৱাৰ লগতে দুৰ্গন্ধৰপৰাও মুক্ত হ'ব পাৰি।

✦ ৰাসায়নিক কীটনাশকৰ সলনি জৈৱিক কীটনাশক ব্যৱহাৰ কৰিলে প্ৰদূষণৰ পৰা হাত সাৰিব পাৰি।

✦ গাড়ী-মটৰ কমকৈ ব্যৱহাৰ কৰি বায়ু প্ৰদূষণ ৰোধ কৰিব পৰা যায়।

✦ মৰা জীৱ-জন্তু আদি গাঁতত পুতিও প্ৰদূষণ প্ৰতিৰোধ কৰিব পাৰি।



✦ হাঁচি-কাহ মৰাৰ সময়ত মুখ আৰু নাকত ৰুমাল ব্যৱহাৰ কৰিলে বায়ুত বীজাণু মিহলি হোৱাৰ সম্ভাৱনা কমাব পাৰি।

**চিন্তা কৰি সিদ্ধান্ত লওঁ আহা—**

কম দূৰত্বৰ ঠাইলৈ যোৱাৰ সময়ত গাড়ী অথবা মটৰ চাইকেল ব্যৱহাৰ কৰা উচিতনে?

**কৰোঁ আহা—**

'বায়ু প্ৰদূষণ ৰোধ কৰিব পাৰি।' সেই বিষয়ে সজাগতা আনিবলৈ শ্লোগান লিখি প'ষ্টাৰ তৈয়াৰ কৰা। প্ৰয়োজনীয় সামগ্ৰী-চাৰ্ট পেপাৰ, পেঞ্চিল, ৰঙীন পেঞ্চিল আদি।

## অনুশীলনী

১। উত্তৰ লিখা —

(ক) বায়ু কি ?

(খ) জুই জ্বলাত সহায় কৰা গেছবিধৰ নাম কি ?

(গ) উশাহত লোৱা বায়ু কেনে হ'ব লাগে ?

(ঘ) বতাহ কাক বোলে ?

২। খালী ঠাই পূৰ কৰা—

(ক) বায়ু আমি চকুৰে দেখা——।

(খ) জোৰেৰে বলা বতাহক —— বোলে।

(গ) উদ্ভিদে বায়ুৰপৰা —— গেছ সংগ্ৰহ কৰি প্ৰ'টিন তৈয়াৰ কৰে।

(ঘ) —— বায়ু স্বাস্থ্যৰ বাবে হানিকাৰক।

৩। শুদ্ধ উত্তৰটো বাছি উলিয়াই '✓' চিন দিয়া

(ক) নিৰ্মল বায়ুৰ বৰণ আছে/নাই।

(খ) বায়ু আমি দেখোঁ/অনুভৱ কৰোঁ।

(গ) জীয়াই থাকিবলৈ সকলো প্ৰাণী আৰু উদ্ভিদক বায়ু লাগে/নালাগে।

(ঘ) প্ৰদূষিত বায়ু স্বাস্থ্যৰ বাবে হানিকাৰক হয়/নহয়।

৪। বায়ুৰ চাৰিটা ব্যৱহাৰৰ বিষয়ে লিখা।


৫। (ক) দূষিত বায়ুৰপৰা হ'ব পৰা তিনিবিধ বেমাৰৰ নাম লিখা ?

(খ) বায়ু প্ৰদূষণ ৰোধ কৰাৰ চাৰিটা উপায় লিখা।

(গ) পাৰ্থক্য লিখা ঃ ধুমুহা আৰু ফিৰফিৰীয়া বতাহ।

৬। পানীত মাটিৰ চপৰা এটা পেলাই দিলে বুৰবুৰণি উঠে কিয় ?

## পাঠ - ৭
# আমাৰ সামাজিক অনুষ্ঠান



**সিপিঠিৰ ছবিখন পৰ্যৱেক্ষণ কৰি লিখা-**

— তাত ল'ৰা-ছোৱালীয়ে কি কৰি আছে?

— ল'ৰা-ছোৱালীবোৰে লিখা-পঢ়াৰ লগতে বিদ্যালয়ত আন কি কি কাম কৰে?

— বিদ্যালয়খনৰ চৌহদত কি কি গছ আছে?

— গছবোৰৰ পৰা তেওঁলোকে কি কি সহায় পাইছে?

— তোমাৰ বিদ্যালয়খন পৰিষ্কাৰকৈ ৰাখিবৰ বাবে তোমালোকে কি কি কৰা?

— তোমালোকৰ বিদ্যালয়ত প্ৰস্ৰাৱঘৰ, শৌচাগাৰ আৰু খোৱাপানীৰ বাবে কি কি ব্যৱস্থা আছে?

— তোমাৰ বিদ্যালয়খনৰ লগত ছবিত দেখা বিদ্যালয়খনৰ কি কি মিল আৰু অমিল আছে?

- বিদ্যালয়ত লিখা-পঢ়াৰ উপৰি নাচ-গান, খেল-ধেমালি, তৰ্ক প্ৰতিযোগিতা আদি পতা হয়।
- নিজৰ ল'ৰা-ছোৱালীৰ বিভিন্ন দিশত হোৱা অগ্ৰগতিৰ বিষয়ে জনাবলৈ অভিভাৱকক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰা হয়।
- বিদ্যালয়ৰ উন্নয়নৰ কাম, যেনে - ঘৰ-দুৱাৰ মেৰামতি কৰা, চৌহদত বেৰ দিয়া, খোৱা পানীৰ ব্যৱস্থা কৰা, শৌচাগাৰ আৰু প্ৰস্ৰাৱঘৰ নিৰ্মাণ কৰা আদি কামত ৰাইজে সহযোগ কৰিব পাৰে।

বিদ্যালয়ৰ উপৰি আমাৰ পৰিৱেশত আন বহুতো অনুষ্ঠান-প্ৰতিষ্ঠান আছে। এই অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে আমাক বিভিন্ন ধৰণে সহায় কৰে। কেইটামান অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰোঁ আহা-




**পুথিভঁৰাল**

— কাষৰ ছবিখনত কি কি দেখিছা?

— ইয়াৰপৰা আমাৰ কি উপকাৰ হয়?

— তোমালোকৰ বিদ্যালয়ত পুথিভঁৰাল আছেনে?

**জানি লওঁ আহা-**

- পুথিভঁৰালৰ পৰা কিতাপ আনি পঢ়াটো ভাল অভ্যাস।
- পুথিভঁৰালত থকা কিতাপ, আলোচনী আদি পঢ়ি বহুতো নজনা কথা জানিব পাৰি।
- পুথিভঁৰালৰ পৰা কিতাপ অনা আৰু ঘূৰাই দিয়াৰ নিৰ্দিষ্ট নিয়ম থাকে।
- নিজৰ নিজৰ ঘৰতো বিদ্যালয়ৰ দৰে পুথিভঁৰাল গঢ়ি তুলিব পাৰি।
- আজি-কালি কম্পিউটাৰৰ সহায়ত ডিজিটেল পুথিভঁৰালৰ জৰিয়তে ঘৰতে বহি কিতাপ পঢ়িব পাৰি।

**চিকিৎসালয়-**




— এনে ধৰণৰ অনুষ্ঠানলৈ তুমি কেতিয়াবা গৈছানে ?
— যদি গৈছা কিয় গৈছা ?
— এনেকুৱা অনুষ্ঠানলৈ মানুহ কিয় যায় ?

➢ ৰোগীসকলক চিকিৎসা কৰিবলৈ ইয়াত কোন কোন থাকে ? (দলত আলোচনা কৰি লিখা ।)

➢ তোমাৰ ঘৰৰ ওচৰত এনেধৰণৰ অনুষ্ঠান আছে যদি সেই বিষয়ে বৰ্ণনা কৰা ।

**জানি লওঁ আহা**

- ৰোগীৰ চিকিৎসাৰ বাবে ঠায়ে ঠায়ে চৰকাৰে চিকিৎসালয় পাতি দিয়ে ।
- গৰু, ম'হ, কুকুৰ, হাঁহ, কুকুৰা আদিৰ চিকিৎসাৰ বাবেও পশু চিকিৎসালয় আছে ।
- নগৰবোৰত বেচৰকাৰী চিকিৎসালয়ো থাকে ।

**আৰক্ষী চকী**




**এইখন কিহৰ ছবি ?**

— ছবিত দেখাৰ দৰে পোছাক পিন্ধা লোকক আমি কি বুলি কওঁ ?
— তেওঁলোকক কি কি কাম কৰা দেখিছা ?
— তোমাৰ ওচৰত এনেকুৱা অনুষ্ঠান আছেনে ?
— তেওঁলোকৰপৰা আমি কি কি কামত সহায় পাব পাৰোঁ ?

➢ তোমালোকৰ ঘৰৰ ওচৰত থকা আৰক্ষী চকীটোৰ নাম কি ?

**জানি লওঁ আহা**

**আৰক্ষীৰ লোকে—**

- দেশৰ শান্তি-শৃংখলা ৰক্ষা কৰে ।
- সমাজৰ অপকাৰ হ'ব পৰা কাম-কাজ কৰাত বাধা দিয়ে ।
- আলিবাটৰ যান-বাহন নিয়ন্ত্ৰণ কৰা আদি কামত সহায় কৰে ।






**ডাক-ঘৰ**

— ছবিত দেখা এই অনুষ্ঠানটোৰ নাম কি ?

— ইয়াত কি কি কাম কৰা হয় ?

— তুমি কেতিয়াবা ডাক-ঘৰলৈ গৈছানে ?

➤ তোমাৰ ওচৰত থকা ডাক-ঘৰটোলৈ যোৱা আৰু তাত কি কি কাম হয় চোৱা।

**জানি লওঁ আহা-**

- ডাক-ঘৰৰ যোগেদি চিঠি-পত্ৰ অনা-নিয়া কৰা হয়।
- ডাক-ঘৰৰ যোগেদি টকা-পইচাৰ আদান-প্ৰদানো হয়।
- ডাক-ঘৰৰ চিঠি-পত্ৰ, টকা-পইচা আদি বিলোৱা মানুহজনক ডাকোৱাল (পিয়ন) বোলে।
- ডাক-ঘৰৰ সকলোবোৰ কাম চোৱা-চিতা কৰা মানুহজনক পোষ্টমাষ্টৰ বোলে।

**চিঠি লিখোঁ আহা-**

➤ এইবাৰ বিহুৰ বন্ধত তোমাৰ ঘৰলৈ নিমন্ত্ৰণ জনাই তোমাৰ বন্ধু-বান্ধৱীলৈ এখন চিঠি লিখা।

**ধৰ্মীয় অনুষ্ঠান**






ওপৰৰ ছবিকেইখন চাই উপাসনা গৃহবোৰৰ নাম কোৱা। কোনটো অনুষ্ঠানত কি ধৰ্মৰ মানুহে উপাসনা কৰে ?

**জানি লওঁ আহা ঃ**

- ৰাজহুৱাভাৱে সকলোবোৰ আমাৰ ধৰ্মীয় কাম-কাজবোৰ এই অনুষ্ঠানবোৰত পালন কৰা হয়।

আমাৰ ঠাইত থকা সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আমাৰ নিজৰ সম্পত্তি। এইবোৰ নষ্ট হ'লে আমাৰ সকলোৰে বহুত অসুবিধা হ'ব। এইবোৰ ভালে ৰখাৰ দায়িত্বও আমাৰেই।

**চিন্তা কৰি কোৱা—**

- শিক্ষানুষ্ঠান, আৰক্ষী চকী, চিকিৎসালয় আদি নাথাকিলে আমাৰ কি কি অসুবিধা হ'ব পাৰে?
- পুথিভঁৰালৰ কিতাপ-পত্ৰ নষ্ট হ'লে আমাৰ কি কি অসুবিধা হ'ব?
- এই অনুষ্ঠানবোৰ ভালে ৰাখিবলৈ আমি কি কৰা উচিত?

**ক্ষেত্ৰ ভ্ৰমণ কৰোঁ আহা -**

- শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে নিজৰ ঠাইখন চাবলৈ যোৱা। ঠাইখনত তলৰ তালিকাখনৰ কি কি দেখিলা তাত '✓' চিন দিয়া।

| **অনুষ্ঠান-প্ৰতিষ্ঠান** | **শিক্ষানুষ্ঠান** |
|---|---|
| ডাক-ঘৰ | প্ৰাথমিক বিদ্যালয় |
| চিকিৎসালয় | মজলীয়া বিদ্যালয় |
| আৰক্ষী চকী | উচ্চ মাধ্যমিক বিদ্যালয় |
| পুথিভঁৰাল | মহাবিদ্যালয় |
| নামঘৰ, মন্দিৰ, মছজিদ, গির্জা, গুৰুদ্বাৰ | |

- তোমাৰ বিদ্যালয়ৰ চৌহদটো এবাৰ ভালদৰে নিৰীক্ষণ কৰা। পৰিৱেশ দূষিত হ'ব পৰা কিবা কাৰক আছে নেকি বিচাৰি চোৱা। যদি আছে তলৰ তালিকা অনুসৰি নিজৰ বহীত লিখা।

| **পৰিৱেশ দূষিত হ'ব পৰা কাৰক** | **দূৰীকৰণৰ উপায়** |
|---|---|
| | |

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) তোমাৰ বিদ্যালয়খনৰ নাম কি ?

(খ) ডাক-ঘৰৰ চিঠি-পত্ৰ বিলোৱা মানুহজনক কি বোলে ?

(গ) ৰোগীবিলাকক কোন প্ৰতিষ্ঠানত চিকিৎসা কৰা হয় ?

(ঘ) চিকিৎসালয়ত ৰোগীৰ চিকিৎসাৰ বাবে কোন কোন থাকে ?

২। তোমাৰ বিদ্যালয়ৰ ক্ষেত্ৰত তলত দিয়া বাক্যবোৰৰ, যিটো হয় সেইটোত '✓' চিন দিয়া।

(ক) বিদ্যালয়ত জাবৰ-জোঁথৰ, ফটা কাগজ আদি পেলোৱা ঠাই নিৰ্দিষ্ট কৰি দিয়া আছে/নাই।

(খ) শৌচ- প্ৰস্ৰাৱ কৰাৰ বাবে শৌচাগাৰ আৰু প্ৰস্ৰাৱঘৰ আছে/নাই।

(গ) খোৱাপানীৰ বাবে কুঁৱা/দমকল/পুখুৰী/নলী আছে/নাই।

(ঘ) আমি চৌহদত গছ-গছনি ৰোওঁ/ নোৰোওঁ।

(ঙ) বিদ্যালয়ৰ ঘৰৰ ভেটিটো ওখ/চাপৰ।

(চ) বিদ্যালয়ৰ ঘৰটো ৰ'দ পৰা/ জেকা লগা।

(ছ) পানী ওলাই যাবৰ বাবে নলা-নৰ্দমাৰ ব্যৱস্থা আছে/নাই।

৩। তলৰ খালী ঠাইত উপযুক্ত শব্দ বহুওৱা।

(ক) ডাক-ঘৰত চিঠি-পত্ৰৰ উপৰি ———— ৰ আদান-প্ৰদান হয়।

(খ) পশু-পক্ষীৰ চিকিৎসাৰ বাবে ————— চিকিৎসালয় থাকে।

(গ) চিকিৎসালয়ত ——— আৰু ———— ৰোগীৰ চিকিৎসা কৰে।

(ঘ) আৰক্ষীৰ লোকে দেশৰ ————— ৰক্ষাত সহায় কৰে।

৪। কাগজেৰে চিঠিৰ খাম এটা সাজি উলিওৱা।

◆◆◆◆◆

পাঠ - ৮

# আমাৰ উৎসৱসমূহ








ওপৰৰ ছবিবোৰ চোৱা আৰু তলত দিয়া প্ৰশ্নকেইটা দলত আলোচনা কৰি কোৱা।

- ছবি কেইখনত কি কি দেখা পাইছা ?
- প্ৰত্যেকখন ছবিত কেনে ধৰণৰ কাৰ্য-কলাপ দেখিবলৈ পাইছা ?
- এই কাৰ্যবোৰ কোন সময়ত আৰু কি কাৰণত কৰা হয় ?
- তোমালোকে পালন কৰা কিছুমান উৎসৱৰ নাম লিখা।

**উৎসৱ-পাৰ্বণ বুলিলে আমি কি বুজো ?**

উৎসৱ-পাৰ্বণ বুলিলে সাধাৰণতে আনন্দ-উলাহ, নতুন কাপোৰ পিন্ধা-উৰা, নানা তৰহৰ খোৱা-বোৱা, নাচ-গান আদিৰ কথা আমাৰ মনলৈ আহে। উৎসৱ-পাৰ্বণ হৈছে বিভিন্ন জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকসকলে পৰম্পৰাগতভাৱে পালন কৰা কিছুমান আচাৰ-অনুষ্ঠান। উৎসৱ-পাৰ্বণসমূহ সমূহীয়াকৈ সমিলমিলেৰে ৰং-ৰহইচ আৰু উলহ-মালহেৰে পালন কৰা হয়।

অসমৰ বিভিন্ন জাতি জনগোষ্ঠীয়ে বছৰটোৰ বিশেষ দিন কিছুমানত নীতি-নিয়ম মানি উলহ-মালহেৰে কিছুমান কাৰ্য সম্পন্ন কৰা দেখা যায়। নীতি-নিয়মৰ মাজেৰে উলহ-মালহেৰে সম্পন্ন কৰা এনে কাৰ্যকে **উৎসৱ বুলি কোৱা** হয়।

উৎসৱসমূহৰ যোগেদি আমাৰ মাজত মিলা-প্ৰীতি আৰু একতাৰ ভাব গঢ়ি উঠে। উৎসৱসমূহে সমাজত চলি অহা সংস্কৃতিও ৰক্ষা কৰে।

অসম এখন কৃষিপ্ৰধান ৰাজ্য। ইয়াৰ সৰহ সংখ্যক লোকেই খেতি-বাতিৰ সৈতে জড়িত। আমাৰ ভাৰতটো কৃষিৰ লগত জড়িত কিছুমান উৎসৱ পালন কৰা হয়, যেনে — অসমৰ বিহু, কেৰালাৰ ওনাম, তামিলনাডুৰ পোংগল আদি।

**বিহু**

বিহু অসমৰ জাতীয় উৎসৱ। জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে অসমৰ সকলোৱে বিহু পালন কৰে। বিহুৰ সৈতে আমাৰ কৃষিকৰ্মৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। সেয়েহে বিহুক কৃষিভিত্তিক উৎসৱ বুলি গণ্য কৰা হয়। বিহু তিনিটা— ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু।

চ'ত মাহৰ শেষৰ দিনাখনৰপৰা ব'হাগ বিহু আৰম্ভ হয়। এই বিহু সাতদিনলৈ চলে। এই বিহুৰ প্ৰথম দিনটো হ'ল গৰু বিহু। সেইদিনা ৰাতিপুৱাই গৰুৰ গাত মাহ-হালধি ঘঁহি ধুৱাই-পখলাই দিয়া হয়। গধূলি গৃহস্থই নতুন পঘাৰে গৰুক বান্ধে, ধূনা চাকি জ্বলায় আৰু নতুন বিচনীৰে বিচি গোহালিত গৰুক ধোঁৱা দিয়ে। এনেদৰেই সিহঁতৰ শ্ৰীবৃদ্ধি কামনা কৰা হয়। মানুহ আৰু জীৱ-জন্তুৰ মাজৰ আত্মিক সম্পৰ্কৰ ই এক সুন্দৰ উদাহৰণ।



*গৰু বিহু*

**দলত আলোচনা কৰি কোৱা —**

➢ তোমালোকৰ অঞ্চলত গৰু বিহুৰ দিনা গৰুক গা-ধুওৱাৰ উপৰি আৰু কি কি কৰা হয় ?

ব'হাগ বিহুৰ দ্বিতীয় দিনটো মানুহ বিহু হিচাপে পালন কৰা হয়। এই বিহুত সকলোৱে বিহুৱান লয় আৰু আনকো দিয়ে। সৰুৱে ডাঙৰক সেৱা জনাই আশীৰ্বাদ লয়। গাঁৱৰ ৰাইজে ঘৰে ঘৰে গৈ ঢোল, পেঁপা, গগনা লৈ হুঁচৰি গাই গৃহস্থৰ কুশল-মংগল কামনা কৰে। এনেদৰে ৰং-ৰহইছ আৰু উলহ-মালহেৰে পালন কৰা হয় বাবে ব'হাগ বিহুক ৰঙালী বিহুও বোলা হয়। গৰু বিহুৰ দিনাৰপৰা এই বিহু সাতদিনলৈ চলে।

### জানি লওঁ আহা

ব'হাগ বিহুৰ তৃতীয় দিনটো গোসাঁই বিহু, চতুৰ্থ দিনটো তাঁতৰ বিহু, পঞ্চম দিনটো নাঙলৰ বিহু, ষষ্ঠ দিনটো জীয়ৰী চেনেহী বিহু আৰু সপ্তম দিনটো চেৰা বিহু বুলি সুকীয়া সুকীয়াকৈ পালন কৰা হয়।



আহিন আৰু কাতি মাহৰ সংক্ৰান্তি বা দোমাহীত কাতি বিহু পালন কৰা হয়। এই বিহুত ঘৰে ঘৰে তুলসীৰ পুলি ৰুই গধূলি তাৰ তলত চাকি জ্বলাই শৰাই আগবঢ়াই নাম গোৱা হয়। পদূলি আৰু খেতিপথাৰতো চাকি-বন্তি জ্বলোৱা হয়। এনেদৰে চাকি-বন্তি জ্বলাই লখিমীক আদৰণি জনোৱা হয়। এই সময়ত মানুহৰ অভাৱ-অনাটন বেছি হয় বাবে এই বিহুক কঙালী বিহুও বোলে।



পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনা মাঘ বিহু পালন কৰা হয়। এই সময়ত অসমৰ মানুহে শস্য চপাই ভঁৰাল ঘৰ ভৰায়। অভাৱ-অনাটন কমে। সেয়েহে এই বিহুক ভোগৰ বিহু, অৰ্থাৎ ভোগালী বিহু বুলি কোৱা হয়। পথাৰৰ নৰা কাটি মুকলি ঠাইত ৰাইজে ভেলাঘৰ সাজে। সেই ভেলাঘৰত উৰুকাৰ নিশা ৰাইজে মিলি-জুলি ভোজ-ভাত খায়। পাছদিনা পুৱাই গা-পা ধুই ৰাইজে সাজি থোৱা মেজি জ্বলাই অগ্নিক সেৱা কৰে। এই বিহুত অসমীয়া মানুহৰ ঘৰত সান্দহ, দৈ-চিৰা, নানা তৰহৰ পিঠা-পনা প্ৰস্তুত কৰা হয়।

**দলত আলোচনা কৰি লিখা-**

- তোমালোকে মাঘৰ বিহু কেনেদৰে পালন কৰা?
- বিভিন্ন পিঠা-পনাৰ নামৰ তালিকা এখন প্ৰস্তুত কৰা।


অসমত আমি যিদৰে বিভিন্ন উৎসৱ পালন কৰোঁ সেইদৰে আমাৰ দেশ ভাৰতবৰ্ষৰ আন আন প্ৰদেশতো বিভিন্ন নামেৰে বিভিন্ন উৎসৱ পালন কৰা হয়। কিছুমান উৎসৱ সাধাৰণতে ঋতুৰ ওপৰত, কিছুমান ৰীতি-নীতি তথা ধৰ্মৰ ওপৰত, কিছুমান কৃষিৰ ওপৰত নিৰ্ভৰ কৰি অনুষ্ঠিত কৰা হয়। এই উৎসৱবোৰৰ ভিতৰত কেৰালা ৰাজ্যৰ 'ওনাম উৎসৱ', তামিলনাডুৰ 'পোংগল উৎসৱ', উৰিষ্যাৰ 'পৌষ সংক্ৰান্তি', পশ্চিমবংগৰ 'নববৰ্ষ', পঞ্জাবৰ 'বৈশাখী', বিহাৰৰ 'চট্ পূজা' আৰু মহাৰাষ্ট্ৰৰ 'গণেশ চতুৰ্থী' আদি বিশেষভাৱে উল্লেখযোগ্য। ইয়াৰ উপৰি ভাৰতবৰ্ষৰ প্ৰায় সকলো ৰাজ্যতে ৰাখীবন্ধন, ঈদ, বৰদিন, দুৰ্গাপূজা, দেৱালী, সৰস্বতী পূজা আদি উৎসৱ পালন কৰা হয়। এই সকলোবোৰ উৎসৱে আমাৰ মাজত ভাতৃত্ববোধ, ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি গঢ়ি উঠাত সহায় কৰে।

**ওনাম উৎসৱ**

**ওনাম** ভাৰতৰ দক্ষিণ-পশ্চিম প্ৰান্তত অৱস্থিত কেৰালা ৰাজ্যৰ এটা প্ৰধান উৎসৱ। ওনাম উৎসৱৰ দিনা পুৱা সৰু সৰু ল'ৰা-ছোৱালীয়ে গীত গাই গাই ফুল বুটলিবলৈ ওলাই আহে। শাওণ-ভাদ মাহত শস্য চপোৱাৰ পাছত এই উৎসৱ অনুষ্ঠিত হয়। এই উৎসৱ দহদিন ধৰি চলে। ওনাম উৎসৱৰ সৈতে **'কাইকোট্টিকালি'** নাচ আৰু **'ভেকুমকালি'** নাওখেলৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। এই উৎসৱত ৰাজ্যখনৰ সকলো শ্ৰেণীৰ লোক জড়িত হৈ পৰে। ওনাম এটি ধৰ্ম নিৰপেক্ষ লোক উৎসৱ। হিন্দু, মুছলমান আৰু খ্ৰীষ্টান আটায়ে সমান আগ্ৰহেৰে এই উৎসৱ পালন কৰে।



কাইকোট্টিকালি নাচ



ভেকুমকালি নাওখেল

## পোংগল উৎসৱ



পোংগল উৎসৱ তামিলনাডু ৰাজ্যত উদ্‌যাপন কৰা হয়। পোংগল উৎসৱক আমাৰ ভোগালী বিহুৰ লগত তুলনা কৰিব পাৰি। সেইদিনা সকলোৱে নিজৰ ঘৰ-দুৱাৰ চাফ-চিকুণ কৰে আৰু জাবৰ-জোঁথৰ এঠাইত গোট খুৱাই জমা কৰে। ৰাতি সমূহীয়াভাৱে আহাৰ গ্ৰহণ কৰাৰ পাছত পুৱা মাঘ বিহুৰ মেজিৰ দৰে সেই জমা কৰা জাবৰত জুই জ্বলাই দিয়ে। এই উৎসৱত সকলোৱে লগ হৈ ঢোল বজাই আনন্দ কৰে।

## বিচাৰি চাওঁ আহা-

➢ কেৰালা আৰু তামিলনাডু ৰাজ্য ভাৰতৰ মানচিত্ৰৰ কোনখিনিত আছে বিচাৰি চোৱা।

আমাৰ ৰাজ্য অসমত বিভিন্ন জাতি-জনগোষ্ঠী আৰু ধৰ্মাৱলম্বী লোকে মিলা-প্ৰীতিৰে বসবাস কৰে। অসমৰ জনগোষ্ঠীসমূহৰ ভিতৰত ডিমাছা, বড়ো, ৰাভা, মিছিং, তিৱা, দেউৰী, কাৰ্বি, সোণোৱাল কছাৰী, গাৰো, চাহ জনগোষ্ঠী আদি প্ৰধান। এই জনগোষ্ঠীসমূহৰ নিজাববীয়াকৈও কিছুমান উৎসৱ আছে। তলত দিয়া তালিকাখনত অসমৰ কেইটামান জনগোষ্ঠী আৰু তেওঁলোকে পালন কৰা উৎসৱ-পাৰ্বণসমূহৰ নাম উল্লেখ কৰা হৈছে।

| জনগোষ্ঠীৰ নাম | পালন কৰা উৎসৱ-পাৰ্বণ |
|---|---|
| ১। মিছিং | আলি-আয়ে-লৃগাং |
| ২। টাই আহোম | মে-ডাম-মে-ফি |
| ৩। টাই বৌদ্ধ ধৰ্মীসকল (টাই ফাকে, টাই খাময়াং, টাই খামতি, টাই আইতন আৰু টাই তুৰুং) | পয় ছাংকেন |
| ৪। বড়ো | বৈশাগু, খেৰাই উৎসৱ |
| ৫। ৰাভা | বায়খো বা খোকচি |
| ৬। কাৰ্বি | চ'মাংকান, হাছাকেকান |
| ৭। ডিমাছা | বুচু ডিমা |
| ৮। তিৱা | জংখং পূজা |
| ৯। চাহ জনগোষ্ঠী | কৰম পৰব |
| ১০। ঠেঙাল কছাৰী | তৰাছিৰা বিহু |

উৎসঃ 'উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় উৎসৱ-অনুষ্ঠান' (সম্পাদনা দেৱজিৎ বৰা) ২০১৮ চনৰ সংস্কৰণটোৰ পৰা লোৱা হৈছে।

**তলত বিভিন্ন উৎসৱৰ ছবি দিয়া হৈছে। শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত দলগতভাৱে আলোচনা কৰি কোনটো উৎসৱ কোন জনগোষ্ঠীৰ চিনাক্ত কৰি উলিওৱা—**



















আমাৰ দেশ ভাৰতত বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰে। সকলো ধৰ্মৰ উৎসৱসমূহো আমাৰ দেশত উলহ-মালহেৰে পালন কৰা হয়, যেনে - দুৰ্গা পূজা, দেৱালী, ঈদ, গুৰুনানক জয়ন্তী, খ্ৰীষ্টমাছ, বুদ্ধ পূৰ্ণিমা আদি।

## দেৱালী

দেৱালী হৈছে পোহৰৰ উৎসৱ। আমি দেৱালীৰ দিনা গধূলি চাকি-বন্তি জ্বলাও আৰু মিঠাই খাওঁ। নহয়নে?

➤ দেৱালী উৎসৱত তোমালোকে কি কি কৰা?



**জানানে ?**

দেৱালীত ফুলজাৰি, ফট্‌কা আদি জ্বলাই আতচ-বাজী কৰিবলৈ তোমালোকে ভাল পোৱা, নহয়নে বাৰু? এই আতচ-বাজীৰ ফলত বায়ু প্ৰদূষণ, শব্দ প্ৰদূষণ আৰু পোহৰ প্ৰদূষণ হয়। আতচ-বাজীৰ ফলত হোৱা প্ৰদূষণে জীৱজগতৰ ক্ষতি সাধন কৰে। ফট্‌কাৰ প্ৰচণ্ড শব্দৰ বাবে কিছুমান প্ৰাণী আৰু চৰাই-চিৰিকটিৰ মৃত্যু পৰ্যন্ত ঘটিব পাৰে। এই বিষয়ে তোমালোকে শিক্ষকৰ সৈতে আলোচনা কৰি জানি ল'বা।

## ঈদ

সকলো ইছলামধৰ্মী লোকে ঈদ পালন কৰে। ঈদ দুটা- ঈদ-উল-ফিতৰ আৰু ঈদুজ্জোহা। ঈদত সকলোৰে নতুন কাপোৰ পিন্ধি সমূহীয়াকৈ নামাজ পঢ়ে। ধনী-দুখীয়াৰ ভেদাভেদ পাহৰি সকলোৰে এজনে আনজনক আলিংগন কৰি শুভেচ্ছা জনায়। এই উপলক্ষে ঘৰে ঘৰে নানা ধৰণৰ আহাৰ তৈয়াৰ কৰে। ঈদত দুখীয়াক দান কৰা হয় যাতে তেওঁলোকেও প্ৰয়োজনীয় খাদ্য-সামগ্ৰী লাভ কৰিব পাৰে। এসাজ নতুন কাপোৰ পিন্ধি সকলোৰে সৈতে সমানে আনন্দ-উলাহেৰে ঈদ পালন কৰিব পাৰে।



## বুদ্ধ পূৰ্ণিমা




বুদ্ধদেৱ

বৌদ্ধধৰ্মৰ প্ৰবৰ্তক বুদ্ধদেৱ। বুদ্ধদেৱৰ জন্ম, সিদ্ধিলাভ আৰু মৃত্যু ব'হাগ মাহৰ পূৰ্ণিমা তিথিতে হৈছিল। সেয়েহে ব'হাগ মাহৰ পৱিত্ৰ পূৰ্ণিমাৰ দিনটো বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে **বুদ্ধ পূৰ্ণিমা** হিচাপে পালন কৰে। ভাৰতকে ধৰি পৃথিৱীৰ বিভিন্ন দেশৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই দিনটো উৎসৱ হিচাপে পালন কৰে। বুদ্ধদেৱৰ অহিংসা নীতি অনুসৰি বুদ্ধ পূৰ্ণিমাৰ দিনা বন্দী চৰাই আৰু প্ৰাণীসমূহক মুকলি কৰি দিয়া হয়।

## বৰদিন বা খ্ৰীষ্টমাছ

বৰদিন হ'ল খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে পালন কৰা এটা উৎসৱ। এই উৎসৱ ডিচেম্বৰ মাহৰ ২৫ তাৰিখে যীশুখ্ৰীষ্টৰ জন্মদিনৰ দিনা পালন কৰা হয়।



এই উৎসৱত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে নতুন কাপোৰ লয় আৰু গিৰ্জাত সমূহীয়া প্ৰাৰ্থনা কৰে। এই উৎসৱ উপলক্ষে ৰং-বিৰঙৰ লাইট আৰু পুতলাৰে এজোপা খ্ৰীষ্টমাছ গছ সজাই তোলা হয়। গছজোপাৰ চাৰিওফালে সকলোৰে গোট খাই গীত গাই, নৃত্য-গীত পৰিৱেশন কৰে। ইজনে সিজনক শুভেচ্ছা জনায়, ডাঙৰে সৰুক উপহাৰ দিয়ে। পৰিয়াল আৰু আত্মীয়-স্বজন সকলোৰে মিলি আনন্দ মনেৰে আহাৰ খায়। এই উৎসৱে আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱক ওচৰ চপাই আনে, আত্মীয়তা বঢ়ায়।

### গুৰুনানক জয়ন্তী



গুৰুনানক

গুৰুনানক শিখ ধৰ্মৰ প্ৰৱৰ্তক আছিল। কাতি মাহৰ পূৰ্ণিমা তিথিত গুৰুনানকৰ জন্ম হৈছিল। সেই জন্মদিনটোক শিখ ধৰ্মাৱলম্বী লোকসকলে গুৰুনানক জয়ন্তী হিচাপে পালন কৰে। শিখ ধৰ্মাৱলম্বী লোকসকলে সেইদিনা পৰিয়ালৰ সৈতে গুৰুদ্বাৰলৈ যায়। তাত তেওঁলোকে গুৰুৰ বাণীসমূহ শ্ৰদ্ধা-ভক্তিৰে পাঠ কৰে। অমৃতসৰৰ স্বৰ্ণমন্দিৰ আৰু আন আন সকলো গুৰুদ্বাৰতে এই উৎসৱত অংশ লোৱা সকলোকে আহাৰ যোগান ধৰা হয়। এই আহাৰক 'গুৰু কা লংগৰ' বোলা হয়।

### ফাঁকুৱা বা হোলী উৎসৱ ঃ



**ফাঁকুৱা** বা **হোলী** এক সৰ্বভাৰতীয় উৎসৱ। ফাগুন মাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। বিভিন্ন ধৰ্মাৱলম্বী লোকে এই উৎসৱত অংশগ্ৰহণ কৰি আনন্দ উপভোগ কৰে। ভাৰতৰ ভিন ভিন ঠাইত ফাঁকুৱা বা হোলী বিভিন্ন ধৰণে পালন কৰা হয়। এই উৎসৱক অসমত দৌল উৎসৱ বুলি কোৱা হয়।

প্ৰথমতে হোলী উৎসৱ শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ উৎসৱ হিচাপে আৰম্ভ হৈছিল যদিও কালক্ৰমত সকলো ধৰ্মৰ লোকেই এই উৎসৱ পালন কৰিবলৈ লয়। বসন্ত কালত পালন কৰা হয় বাবে কোনো কোনো ঠাইত হোলীক বসন্ত উৎসৱ বুলিও জনা যায়।

### শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ পৰা জানি লৈ লিখা-

➢ অসমৰ কোন কোন জিলাত দৌল উৎসৱক ভক্তিভাৱেৰে আৰু উলহ-মালহেৰে পালন কৰা হয় ?

ফাঁকু খেলোঁতে তোমালোকে খুব সাৱধানে খেলিবা যাতে চকু-মুখত ৰাসায়নিক ৰঙবোৰ সোমাই নাযায়। পৰাপক্ষত প্ৰাকৃতিক ৰঙেৰে হোলী খেলিবা। প্ৰাণীবোৰৰ গাত ৰং নাসানিবা। ৰঙবিলাকত থকা ৰাসায়নিক পদাৰ্থই চালৰ ক্ষতি কৰিব পাৰে।

## অনুশীলনী

১। চমু উত্তৰ লিখা —

(ক) শিখ ধৰ্মাৱলম্বী লোকসকলে পালন কৰা উৎসৱটোৰ নাম কি ?

(খ) বৰদিন কোন ধৰ্মাৱলম্বী লোকে পালন কৰে ?

(গ) অসমৰ কোনটো উৎসৱৰ লগত পোংগল উৎসৱৰ মিল আছে?

(ঘ) বুদ্ধ পূৰ্ণিমা কেতিয়া পালন কৰা হয় ?

(ঙ) সৰ্বভাৰতীয় ৰঙৰ উৎসৱটোৰ নাম কি ?

২। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া—

(ক) গুৰুনানক বৌদ্ধধৰ্ম/শিখ ধৰ্ম/খ্ৰীষ্টান ধৰ্মৰ প্ৰৱৰ্তক।

(খ) বিহু/ হোলী/ দেৱালী এক কৃষিভিত্তিক উৎসৱ।

(গ) ৰঙালী বিহু/কঙালী বিহু/ ভোগালী বিহুত ভেলাঘৰ সজা হয়।

৩। উৎসৱ বুলিলে কি বুজা লিখা।

৪। আমি উৎসৱসমূহ কিয় পালন কৰিব লাগে ?

৫। তুমি ভালপোৱা যিকোনো এটা উৎসৱৰ বিষয়ে পাঁচটা বাক্য লিখা।

৬। ফাঁকুৱা বা হোলী উৎসৱ কেনেদৰে পালন কৰা হয় ?

৭। মাঘ বিহুত কি কি কৰা হয়। সেই বিষয়ে পাঁচটা বাক্য লিখা।

৮। গৰু বিহুৰ দিনাখন গৰুক গা-ধুওৱাৰ উপৰি আৰু কি কি কৰা হয় ?

৯। এজোপা খ্ৰীষ্টমাছ গছ আঁকা।

১০। ডাঙৰকৈ এটা বেলুনৰ ছবি আঁকি ক'লাজ তৈয়াৰ কৰা।

# পাঠ - ৯
# আমাৰ ৰাষ্ট্ৰীয় পতাকা

R1J7R7




*তিনি বৰণীয়া জাতীয় পতাকা*
*বতাহত উৰি নাচে।*
*ওপৰত গেৰুৱা মাজত বগা*
*তলত সেউজীয়া ৰং আছে।*
*মাজৰ গাঢ় নীলা অশোক চক্ৰত*
*চৌবিশডাল দণ্ড আছে।*
*ৰাষ্ট্ৰীয় দিৱসত পতাকাখনিক*
*সকলোৱে সন্মান যাচে।*

ওপৰৰ ছবিখনত শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে ল'ৰা-ছোৱালীয়ে একেলগে কি কৰিছে? তেওঁলোকে উত্তোলন কৰা পতাকাখনেই হ'ল তিনি বৰণীয়া জাতীয় পতাকা বা আমাৰ ৰাষ্ট্ৰীয় পতাকা।

— পতাকাখনত তোমালোকে কেইটা ৰং দেখিবলৈ পাইছা?

— পতাকাখনত আৰু কিহৰ ছবি দেখিছা?

সকলো দেশৰে নিজা নিজা ৰাষ্ট্ৰীয় পতাকা আছে। এই ৰাষ্ট্ৰীয় পতাকাসমূহে নিজ নিজ দেশৰ ঐতিহ্য বহন কৰে। আমাৰ দেশ ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাখনৰ তিনিটা ৰং থকাৰ বাবে ত্ৰিৰংগা পতাকা বুলি কোৱা হয়। ১৯৪৭ চনৰ ২২ জুলাইত এই ত্ৰিৰংগা পতাকাখনে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা হিচাপে স্বীকৃতি পাইছিল। এই ৰাষ্ট্ৰীয় পতাকাখন আমাৰ দেশৰ গৌৰৱ। ৰাষ্ট্ৰীয় পতাকাই দেশখনক প্ৰতিনিধিত্ব কৰে। আমাৰ ৰাষ্ট্ৰীয় পতাকাখনৰ ৰঙবোৰে বেলেগ বেলেগ অৰ্থ বহন কৰে।


**জানি লওঁ আহা-**



- ওপৰৰ গেৰুৱা ৰং শক্তি আৰু সাহসৰ প্ৰতীক।
- মাজৰ বগা ৰং সত্য আৰু শান্তিৰ প্ৰতীক।
- তলৰ সেউজীয়া ৰং উৰ্বৰতা, সমৃদ্ধি আৰু মংগলময়তাৰ প্ৰতীক।
- বগা অংশৰ মাজত গাঢ় নীলা ৰঙৰ **অশোক চক্ৰ** থাকে। চক্ৰটো গতিশীলতাৰ প্ৰতীক। ইয়াৰ গাঢ় নীলা ৰঙে আকাশ আৰু সমুদ্ৰক বুজায়।

Source : Knowindia.gov.in/india.gov.in webste)

অশোক চক্রটোক ধৰ্মচক্রও বোলে। সাৰনাথৰ ‘অশোক স্তম্ভ’ৰ পৰা এই চক্রটো লোৱা হৈছে। চক্রটোত ২৪ ডাল দণ্ড আছে।



## ৰাষ্ট্ৰীয় পতাকা ব্যৱহাৰৰ কিছুমান নিয়ম-

- ৰাষ্ট্ৰীয় পতাকাখন উত্তোলন কৰোঁতে গেৰুৱা ৰঙটো সদায় ওপৰত থাকিব লাগে।
- ৰাষ্ট্ৰীয় পতাকাখন টেবুল বা অইন কোনো বস্তুৰ ওপৰত পাৰিব নালাগে।
- পতাকাখন ঘৰ বা আন কোনো ঠাইত যেনে-তেনে ওলোমাই থ’ব নালাগে।
- সভাকক্ষ বা সভাথলীত বক্তাৰ সোঁফালে ৰাষ্ট্ৰীয় পতাকাখন থাকিব লাগে।
- সমদল উলিয়ালে, পতাকা বহন কৰা ব্যক্তিজন একেবাৰে আগত থাকিব লাগে।
- আমাৰ দেশত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় খেলসমাৰোহ আদিত অইন ৰাষ্ট্ৰৰ পতাকাৰ সৈতে একে শাৰীত আমাৰ পতাকাখন থাকে। পতাকাখন একেবাৰে প্ৰথমত সোঁফালে থাকিব লাগে।


**বিশ্বৰ যিকোনো ঠাইত ৰাষ্ট্ৰীয় পতাকাখনেই নিজৰ দেশৰ চিনাকি দিয়ে। এই পতাকা আমাৰ গৌৰৱ। ৰাষ্ট্ৰীয় পতাকাখনক সন্মান কৰাটো আমাৰ কৰ্তব্য।**

**ৰাষ্ট্ৰীয় পতাকাখন লগে-ভাগে আঁকো আহা-**


— ৯ চে. মি. দীঘল এডাল ৰেখা আঁকা





— ৰেখাডালৰ দুই মূৰত, সমকোণ উৎপন্ন হোৱাকৈ ৬ চে. মি. দীঘলকৈ একোডাল ৰেখা আঁকা।
(শিক্ষকৰ সহায় ল’বা)





— ৰেখাদুডালৰ মূৰ দুটা পেঞ্চিলেৰে সংযোগ কৰি আন এডাল ৰেখা আঁকা।



— ওপৰৰ পৰা দুই চে. মি. আঁতৰত পথালিকৈ আন এডাল ৰেখা আঁকা।




— একেদৰে ওপৰৰ পৰা ৪ চে. মি. আঁতৰত পথালিকৈ আৰু এডাল ৰেখা আঁকা।





— এতিয়া ওপৰৰ অংশত গেৰুৱা আৰু তলৰ অংশটোত সেউজীয়া ৰং বোলোৱা। (ৰাষ্ট্ৰীয় পতাকাখনত তিনিটা ৰঙৰ ভাগ সমান হ'ব লাগিব)।



— বগা অংশৰ ঠিক মাজত এটা বৃত্ত আঁকা আৰু বৃত্তটোৰ কেন্দ্ৰৰ পৰা ছবিত দেখুওৱাৰ দৰে ২৪ ডাল দণ্ড আঁকা। বৃত্তটো আৰু দণ্ডকেইডালত ছবিত দেখুওৱাৰ দৰে গাঢ় নীলা ৰং দিয়া।





এতিয়া ৰাষ্ট্ৰীয় পতাকাখন অঁকা সম্পূৰ্ণ হ'লনে?

**ৰাষ্ট্ৰীয় পতাকাখনৰ দীঘ আৰু প্ৰস্থৰ অনুপাত ৩ : ২**

**শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি-**

(৩:২ অনুপাতত, বেলেগ জোখত ৰাষ্ট্ৰীয় পতাকাখন ছাত্ৰ-ছাত্ৰীক আঁকিবলৈ দিব। অৰ্থাৎ দীঘ যদি ৯ চে.মি, ১২চে. মি., ১৫ চে. মি............... হয় তেন্তেপ্ৰস্থ হ'ব ৬ চে. মি., ৮ চে. মি., ১০ চে. মি.)

**শিক্ষক আৰু অভিভাৱকৰ সহায় লৈ ৰাষ্ট্ৰীয় পতাকা এখন প্ৰস্তুত কৰা–**

➢ ৯ চে.মি দীঘল আৰু ৬ চে. মি. পুতলৰ জোখত কাগজেৰে পতাকা এখন প্ৰস্তুত কৰি শুদ্ধকৈ ৰং দিয়া।

**ৰাষ্ট্ৰীয় প্ৰতীকৰ বিষয়ে জানি লওঁ আহা–**

➲ আমাৰ ৰাষ্ট্ৰীয় প্ৰতীকটো হ'ল **'অশোক স্তম্ভ'**।

➲ ৰাষ্ট্ৰীয় প্ৰতীকটোত তিনিটা সিংহ পিঠীয়া পিঠিকৈ থিয় হৈ থকা দেখা যায়। আচলতে সিংহ চাৰিটা থাকে। সন্মুখৰ ফালৰ পৰা চালে পিছফালৰ সিংহটো দেখা নাযায়। কেৱল ছবিত দেখুওৱাৰ দৰে তিনিটা সিংহহে দেখা যায়।

➲ সিংহকেইটাৰ তলতে অশোক চক্ৰটো আছে। চক্ৰটোৰ এফালে ঘোঁৰাৰ ছবি আৰু আনফালে এটা ষাঁড়গৰুৰ ছবি আছে। একেবাৰে তলত 'সত্যমেৱ জয়তে' লিখা আছে।

➲ চৰকাৰী কাগজ-পত্ৰ, ডাক টিকট, পোষ্টকাৰ্ড আদিত ৰাষ্ট্ৰীয় প্ৰতীকৰ মোহৰটো ব্যৱহাৰ কৰা বাধ্যতামূলক।



অশোক স্তম্ভ

➲ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰতৰ ৰাষ্ট্ৰীয় প্ৰতীকটো গ্ৰহণ কৰা হয়।

➢ তোমালোকৰ বিদ্যালয়ত পতাকা উত্তোলন কৰানে? কেতিয়া কৰা?

**ৰাষ্ট্ৰীয় পতাকাখন কেতিয়া আৰু ক'ত উত্তোলন কৰা হয় চাওঁ আহা-**



২৬ জানুৱাৰীৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষত **গণতন্ত্ৰ দিৱস** হিচাপে পালন কৰা হয়। সেইদিনা দিল্লীত ৰাষ্ট্ৰপতিয়ে ত্ৰিৰংগা পতাকা উত্তোলন কৰে। সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান আদিতো পতাকা উত্তোলন কৰা হয়।

**গণতন্ত্ৰ দিৱসৰ দিনা সাহসিকতা দেখুওৱা ১৬ বছৰৰ তলৰ শিশুসকলক দিল্লীত বঁটা প্ৰদান কৰা হয়।**

১৫ আগষ্টৰ দিনটো সমগ্ৰ ভাৰতবৰ্ষত **স্বাধীনতা দিৱস** হিচাপে পালন কৰা হয়। সেইদিনা দিল্লীৰ লালকিল্লাত প্ৰধানমন্ত্ৰীয়ে ত্ৰিৰংগা পতাকা উত্তোলন কৰে। সকলো চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, ব্যক্তিগত গৃহ আদিতো পতাকা উত্তোলন কৰা হয়।





## ৰাষ্ট্ৰীয় সংগীত

জন-গণ-মন- অধিনায়ক জয় হে
ভাৰত- ভাগ্য- বিধাতা
পঞ্জাব- সিন্ধু- গুজৰাট- মাৰাঠা
দ্ৰাবিড়- উৎকল- বংগ
বিন্ধ্য- হিমাচল- যমুনা- গংগা
উচ্ছল- জলধি-তৰংগ
তব শুভ নামে জাগে, তব শুভ আশিস মাগে,
গাহে তব জয়-গাথা।
জন-গণ- মংগল- দায়ক জয় হে
ভাৰত- ভাগ্য- বিধাতা।
জয় হে, জয় হে, জয় হে,
জয় জয় জয় জয় হে।

(উৎস- গৃহ মন্ত্ৰালয়, ভাৰত চৰকাৰ)
( link- https://www.mha.gov.in/sites/default/files/NationalAnthem%28E%29_2.pdf )

আমাৰ ৰাষ্ট্ৰীয় সংগীতটো গাবলৈ জানানে? শিক্ষক আৰু অভিভাৱকৰ পৰা শিকিলৈ গাবা।

‘জন-গণ-মন’ এই ৰাষ্ট্ৰীয় সংগীতটো কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰে লিখি উলিয়াইছিল। এই ৰাষ্ট্ৰীয় সংগীতটো গোৱাৰ কিছুমান বিশেষ নিয়ম আছে। ৰাষ্ট্ৰীয় উৎসৱসমূহত পতাকা উত্তোলন আৰু কিছুমান বিশেষ অনুষ্ঠানৰ বিশেষ মুহূৰ্তত এই সংগীতটো গোৱা হয়। ৰাষ্ট্ৰীয় সংগীতটো গোৱাৰ সময়ত আমি থিয় হৈ গোৱা উচিত। ৫২ চেকেণ্ডত এই গীতটো গাই শেষ কৰিব লাগে। কেৱল ৰাষ্ট্ৰীয় সংগীতটো গোৱাৰ সময়তে নহয়, গীতটো গোৱা শুনিলেও আমি থিয় হৈ সন্মান জনোৱা উচিত। ৰাষ্ট্ৰীয় সংগীতটোক এনেদৰে সন্মান জনোৱাটো আমাৰ সকলো ভাৰতীয় লোকৰ মৌলিক কৰ্তব্য।


**১৯৫০ চনৰ ২৪ জানুৱাৰীৰ পৰা কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ এই গীতটোক ৰাষ্ট্ৰীয় সংগীত হিচাপে স্বীকৃতি দিয়া হয়।**

এইবিলাকৰ উপৰি আমাৰ আৰু কিছুমান ৰাষ্ট্ৰীয় প্ৰতীক বা চিহ্ন আছে। সেইবোৰ হ'ল — আমাৰ ৰাষ্ট্ৰীয় চৰাই ময়ূৰ, ৰাষ্ট্ৰীয় প্ৰাণী বাঘ, ৰাষ্ট্ৰীয় ফুল পদুম, ৰাষ্ট্ৰীয় ফল আম আদি।










আমাৰ এই ৰাষ্ট্ৰীয় চিহ্নসমূহে আমাৰ দেশৰ গৌৰৱ বহন কৰে। আমাক একত্ৰিত কৰি ৰাখে। আমি এই ৰাষ্ট্ৰীয় প্ৰতীক বা চিহ্নসমূহক সন্মান কৰা আৰু যত্ন লোৱা উচিত।

গণতন্ত্ৰ দিৱস আৰু স্বাধীনতা দিৱসৰ উপৰি আমি আৰু কেইটামান ৰাষ্ট্ৰীয় দিৱস পালন কৰোঁ। যেনে — গান্ধী জয়ন্তী, শিক্ষক দিৱস, শিশু দিৱস আদি।

**গান্ধী জয়ন্তী**

সকলো ভাৰতীয়ই ২ অক্টোবৰত গান্ধী জয়ন্তী পালন কৰে। এই দিনটো জাতিৰ পিতা মহাত্মা গান্ধীৰ ওপজা দিন। মহাত্মা গান্ধীয়ে ইংৰাজসকলৰ বিৰুদ্ধে অহিংস আন্দোলন কৰি আমাৰ দেশ স্বাধীন কৰিছিল। গান্ধী জয়ন্তীৰ দিনা তেওঁৰ সমাধিস্থল দিল্লীৰ ৰাজঘাটত সৰ্বধৰ্ম প্ৰাৰ্থনা আৰু পুষ্পমাল্য অৰ্পণ কৰা হয়। সেই দিনটোত গান্ধীজীৰ অহিংস নীতিক শ্ৰদ্ধা জনোৱাৰ উপৰি তেওঁৰ আদৰ্শৰ আধাৰত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।



মহাত্মা গান্ধী

গান্ধীজীয়ে অহিংস নীতিৰে কেনেদৰে আমাৰ দেশ স্বাধীন কৰিছিল জানিবলৈ চেষ্টা কৰিবা।

**শিক্ষক দিৱস**



ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ

৫ ছেপ্টেম্বৰত ভাৰতৰ দ্বিতীয় ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম হৈছিল। তেখেত এজন শিক্ষক তথা মহান শিক্ষাবিদ আছিল। শিক্ষা জগতলৈ তেখেতে আগবঢ়োৱা অৱদানৰ প্ৰতি সন্মান জনাই ৫ ছেপ্টেম্বৰৰ দিনটো সমগ্ৰ ভাৰততে শিক্ষক দিৱস হিচাপে পালন কৰা হয়। সেই দিনটোত শিক্ষকসকলৰ কৰ্ম আৰু ত্যাগৰ প্ৰতি সন্মান জনাই কৃতী শিক্ষকসকলক ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত সম্বৰ্ধনা জনোৱা হয়।

শিক্ষানুষ্ঠানসমূহতো সকলো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক সন্মান জনাবলৈ বিভিন্ন কাৰ্যসূচীৰে দিনটো পালন কৰে।

➢ তোমালোকে বিদ্যালয়ত এই দিনটো কিদৰে পালন কৰা?

**শিশু দিৱস**

১৪ নৱেম্বৰত স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো শিশু দিৱস হিচাপে পালন কৰা হয়। শিশুসকলক তেওঁ বৰ ভাল পাইছিল আৰু মৰম কৰিছিল। সেয়েহে শিশুসকলৰ মাজত তেখেত ‘নেহৰু খুড়া’ বুলি পৰিচিত।



জৱাহৰলাল নেহৰু

➢ তোমালোকে বিদ্যালয়ত এই দিনটো কেনেদৰে পালন কৰা?

শিশু দিৱস উপলক্ষে বিদ্যালয় আৰু আন আন অনুষ্ঠান-প্ৰতিষ্ঠানে আয়োজন কৰা খেল-ধেমালি আৰু ৰচনা, আবৃত্তি, চিত্ৰাংকন আদি প্ৰতিযোগিতাত তোমালোকে অংশগ্ৰহণ কৰিবা।

## অনুশীলনী

১। **উত্তৰ লিখা-**

(ক) ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাখনক কিয় ত্ৰিৰংগা পতাকা বুলি কোৱা হয়?

(খ) ৰাষ্ট্ৰীয় প্ৰতীকৰ মোহৰটো আমি ক'ত ক'ত ব্যৱহাৰ কৰোঁ?

(গ) ভাৰতে কোন তাৰিখে স্বাধীনতা দিৱস উদ্‌যাপন কৰে?

(ঘ) ৰাষ্ট্ৰীয় পতাকাখনৰ ব্যৱহাৰৰ তিনিটা নিয়ম।

(ঙ) ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা দুটা দিৱসৰ নাম।

২। **ৰাষ্ট্ৰীয় পতাকাৰ ৰং কেইটাই কি বুজায়? 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-**

| 'ক' | 'খ' |
|---|---|
| সেউজীয়া | শক্তি আৰু সাহসৰ প্ৰতীক। |
| বগা | উৰ্বৰতা, সমৃদ্ধি আৰু মংগলময়তাৰ প্ৰতীক। |
| গেৰুৱা | আকাশ আৰু সমুদ্ৰক বুজায়। |
| গাঢ়নীলা | সত্য আৰু শান্তিৰ প্ৰতীক |

৩। **খালী ঠাই পূৰ কৰা-**

(ক) মহাত্মা গান্ধীৰ জন্মদিনটো---------------------হিচাপে পালন কৰা হয়।


(খ) জৱাহৰলাল নেহৰু শিশুসকলৰ মাজত---------------------------বুলি পৰিচিত।

(গ) ২৬ জানুৱাৰীত---------------------------পালন কৰা হয়।

(ঘ) ------------------------------জন্মদিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়।

(ঙ) আমাৰ ৰাষ্ট্ৰীয় প্ৰতীকটো হ'ল ----------------------।

৪। **তলত দিয়া ৰাষ্ট্ৰীয় পতাকাখন শুদ্ধ ৰঙেৰে বোলোৱা-**



◆◆◆◆◆

পাঠ- ১০

# আমাৰ ৰাজ্যখন



এইবাৰ বিদ্যালয়ৰ গৰমৰ বন্ধত বিৰিণাই দেউতাকৰ সৈতে শিৱসাগৰৰপৰা শিলচৰলৈ ফুৰিবলৈ গৈছিল। শিলচৰলৈ ৰে'লেৰে যোৱা যাত্ৰাৰ সময়ছোৱাৰ কথা বিৰিণাই কেতিয়াও পাহৰিব নোৱাৰে। সেউজীয়া গছ-গছনিৰে ভৰা পাহাৰৰ মাজে মাজে আৰু সুৰংগৰ ভিতৰেৰে ৰে'লখনে উকি মাৰি যোৱা কথাবোৰ মনত পৰিলে আজিও তাইৰ মনটো পুলকিত হৈ উঠে। দেউতাকে তাইক কৈছিল যে, এই পাহাৰবোৰ ডিমা হাছাও জিলাৰ ভিতৰত পৰে। ডিমা হাছাও জিলাৰ বৰাইল নামৰ ওখ পৰ্বতশ্ৰেণী পাৰ হোৱাৰ পিছতহে বিৰিণাহঁতে শিলচৰ পাইছিলগৈ।


আমাৰ অসমখন পৰ্বত-পাহাৰ, নৈ-উপনৈ, বিভিন্ন গছ-গছনি আদিৰে ভৰা। প্ৰাকৃতিক সম্পদ আৰু সৌন্দৰ্যত ৰাজ্যখন অতিকৈ চহকী। আমাৰ এই মনোমোহা ৰাজ্যখন ভাৰতৰ উত্তৰ-পূব অংশত অৱস্থিত। অসমৰ মাজেৰে বিশাল ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছে।




ওপৰৰ ভাৰতৰ মানচিত্ৰখনলৈ চাই অসম ৰাজ্যখন চিনাক্ত কৰা।

➤ অসমখন ভাৰতৰ কোন দিশে অৱস্থিত ?

# উত্তৰ-পূব ভাৰতত অসম



**সিপিঠিৰ মানচিত্ৰখন অধ্যয়ন কৰি লিখোঁ আহা-**

➢ অসমৰ চাৰিসীমাত থকা ৰাজ্যবোৰৰ নাম লিখা—

১. ____________ ২.______________ ৩.______________

৪.______________ ৫.______________ ৬.______________

৭.______________

➢ অসমৰ সীমাত লাগি থকা বিদেশী ৰাষ্ট্ৰকেইখনৰ নাম লিখা। এই বিদেশী ৰাষ্ট্ৰকেইখন অসমৰ কোন কোন দিশত অৱস্থিত ?

**শিৱসাগৰৰপৰা শিলচৰলৈ ৰে'লযোগে যোৱাৰ সময়ত অসম সম্পৰ্কে বিৰিণাক দেউতাকে কি ক'লে চাওঁ আহা—**

বিৰিণা ঃ আমাৰ শিৱসাগৰৰ ঠাইবোৰতকৈ এই ঠাইবোৰ বহুত ওখ যেন লাগিছে, নহয়নে দেউতা ?

দেউতা ঃ এইবোৰ আচলতে পাহাৰীয়া অঞ্চল। ওখ বৰাইল পৰ্বতশ্ৰেণী পাৰ হোৱাৰ পিছতহে আমি শিলচৰ পাম।

বিৰিণা ঃ পাহাৰ আৰু পৰ্বত কোনবোৰ দেউতা ?

দেউতা ঃ বহু ঠাই জুৰি গছ-গছনিৰে ভৰা উচ্চ শিলাময় অংশবোৰেই হৈছে পাহাৰ। আকৌ পাহাৰতকৈ ওখ আৰু বহুদূৰ বিয়পি থকা শিলাময় অংশবোৰক পৰ্বত বোলা হয়। সাধাৰণতে পৰ্বতৰ ঢালবোৰ পাহাৰতকৈ বেছি থিয়গৰীয়া হয়।



বিৰিণা ঃ দেউতা, এই পাহাৰবোৰত নৈ নাথাকে নেকি ?

দেউতা ঃ থাকে মাজনী। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাতো বহুতো উপনৈ আছে। জাতিংগা ডিমা হাছাও জিলাৰ এখন উপনৈ। আচলতে অসমৰ মাজেৰে বহু নৈ-উপনৈ বৈ গৈছে। সেয়ে অসমক এখন নৈ-প্ৰধান ৰাজ্য বুলি কোৱা হয়। অসমৰ প্ৰধান নৈ দুখন হৈছে **ব্ৰহ্মপুত্ৰ** আৰু **বৰাক**। চুবুৰীয়া ৰাষ্ট্ৰ আৰু ৰাজ্যসমূহৰ পৰাও অনেক উপনৈ বৈ আহি এই ডাঙৰ নৈ দুখনত পৰিছেহি।

বিৰিণা ঃ নৈ আৰু উপনৈৰ মাজত কি পাৰ্থক্য আছে দেউতা ?

দেউতা ঃ কোনো পৰ্বতত বা পাহাৰত উৎপত্তি হৈ নানা ঠাইৰ মাজেদি বৈ কোনো সাগৰ বা হ্ৰদত গৈ পৰা পানীভাগক **নৈ বা নদী** বোলে। আনহাতে কোনো পৰ্বত, পাহাৰ বা হ্ৰদত উৎপত্তি হৈ নানা ঠাইৰ মাজেৰে বৈ কোনো নৈত পৰা পানী ভাগক **উপনৈ** বোলে।

দেউতা ঃ আমাৰ অসমখন নানা নৈ-উপনৈ, পৰ্বত-পাহাৰ, মালভূমি, সমভূমি বা উপত্যকা আদি প্ৰাকৃতিক অৱয়বৰে গঠিত।

বিৰিণা ঃ মালভূমি আৰু সমভূমি মানে কি দেউতা ?

দেউতা ঃ বহু ঠাই জুৰি থকা ওখ আৰু উপৰিভাগটো কিছু সমান ভূমিভাগকেই **মালভূমি** বোলে। আনহাতে পৰ্বত-পাহাৰ নথকা আহল-বহল সমতল ভূমি বা অঞ্চলক **সমভূমি** বোলে।

বিৰিণা ঃ উপত্যকা মানে কি দেউতা ?


দেউতা ঃ দুশাৰী পৰ্বত বা দুই উচ্চ ভূমিৰ মাজৰ নামনি অংশত এখন নৈ বা উপনৈয়ে সৃষ্টি কৰা সমতল ঠাইক উপত্যকা বোলে। সেয়ে পৰ্বত-পাহাৰ, মালভূমি, উপত্যকা আদিৰ ওপৰত ভিত্তি কৰি অসমক প্ৰধানকৈ তিনিটা প্ৰাকৃতিক বিভাগত ভাগ কৰা হয়। সেই ভাগকেইটা হ'ল—

(ক) ব্ৰহ্মপুত্ৰ উপত্যকা

(খ) কাৰ্বি আৰু ডিমা হাছাও পাহাৰীয়া অঞ্চল

(গ) বৰাক উপত্যকা।

ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা সমভূমি অঞ্চলটোকে **ব্ৰহ্মপুত্ৰ উপত্যকা** বোলে। আনহাতে বৰাক নদী আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা সমভূমি অঞ্চলটোক **বৰাক উপত্যকা** নামেৰে জনা যায়। আনহাতে এই দুই উপত্যকা অঞ্চলৰ মাজতেই কাৰ্বি আৰু ডিমা হাছাও পাহাৰীয়া অঞ্চলটো অৱস্থিত। কাৰ্বি আংলং আৰু ডিমা হাছাও জিলাৰ মাজত তুলনামূলকভাৱে উচ্চ বৰাইল পাহাৰ অৱস্থিত।



অসমৰ প্ৰাকৃতিক বিভাগ
ভূটান
অৰুণাচল প্ৰদেশ
পশ্চিমবংগ
নাগালেণ্ড
মেঘালয়
বাংলাদেশ
মণিপুৰ
ত্ৰিপুৰা
মিজোৰাম
দিহিং
দিবাং
লোহিত
বুঢ়ীদিহিং
সোৱণশিৰি
জীয়া ভৰলী
ধনশিৰি
কপিলী
মানাহ
সোণকোষ
ব্ৰহ্মপুত্ৰ নদী
বৰাক নৈ
সোণাই
ধলেশ্বৰী
লংগাই
উঃ
পঃ
পূঃ
দঃ
ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল
বৰাক উপত্যকা অঞ্চল
পাহাৰীয়া অঞ্চল
নৈ-উপনৈ
[মাপনী অনুসৰি নহয়]

**ছিপিঠিৰ মানচিত্ৰখন চাই লিখোঁ আহা—**

➢ ব্ৰহ্মপুত্ৰ ৰ উপনৈ কেইখনৰ নাম—

➢ বৰাক নদীৰ উপনৈ কেইখনৰ নাম—

**দলত আলোচনা কৰি লিখোঁ আহা —**

➢ তুমি বসবাস কৰা জিলাখন কোনটো প্ৰাকৃতিক বিভাগৰ অন্তৰ্গত? তোমাৰ জিলাখনত থকা নদ-নদী আৰু পাহাৰ আদি উচ্চভূমিৰ (যদি আছে) নামৰ এখন তালিকা প্ৰস্তুত কৰা।

| জিলাখনৰ নাম | প্ৰাকৃতিক বিভাগটোৰ নাম | নদ-নদীৰ নাম | পাহাৰৰ নাম |
|---|---|---|---|
| | | | |

**অসমৰ নদ-নদী**

ব্ৰহ্মপুত্ৰ আৰু বৰাক এই দুখন হৈছে অসমৰ প্ৰধান নদী। ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উপনৈসমূহ আৰু জান-জুৰিৰে অসমখন এখন নদী প্ৰধান ঠাই। বাৰিষাকালত এই নদ-নদীসমূহ পানীৰে উপচি পৰে আৰু ঠায়ে ঠায়ে বানপানীৰ সৃষ্টি কৰে। বাৰিষাকালত অসমত প্ৰচুৰ বৃষ্টিপাত হয়। বাৰিষাকালত বৰষুণৰ পৰিমাণ অতি বেছি হ'লে নদীৰ বুকুৰেদি বৰষুণৰ পানী স্বাভাৱিকভাৱে বাগৰি যাব নোৱাৰা হয়। তেতিয়া নৈখন পানীৰে উপচি পৰি দুয়োপাৰে বানপানীৰ সৃষ্টি কৰে।

**কৰি চাওঁ আহা-**

➢ এখন সমতল পৃষ্ঠত পানী পেলালে পানীখিনি লাহে লাহে কাষলৈ বাগৰি বৈ যাব, নহয়নে? কিন্তু সমতল পৃষ্ঠখন অলপ হেলনীয়া কৰি দিলে পানীখিনি আগতকৈ বেছি বেগেৰে বৈ নাযাবনে বাৰু? ইয়াৰপৰা আমি গম পালোঁ যে পৃষ্ঠখন বেছি এঢলীয়া হ'লে পানী বেগেৰে তললৈ বৈ যায়। নদীৰ ক্ষেত্ৰতো একে কথাই খাতে। ঢাল বেছি হ'লে নৈৰ পানীখিনি বেগেৰে তললৈ বৈ আহে।

**মানচিত্ৰ অধ্যয়ন কৰি লিখোঁ আহা —**

➢ ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ আৰু দক্ষিণ পাৰৰ উপনৈসমূহৰ নামবোৰৰ তালিকা এখন প্ৰস্তুত কৰা। সেইদৰে বৰাক নৈৰ উত্তৰ পাৰ আৰু দক্ষিণ পাৰৰ উপনৈসমূহৰ নামবোৰৰো এখন তালিকা প্ৰস্তুত কৰা —

| ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰৰ উপনৈসমূহ | ব্ৰহ্মপুত্ৰ নৈৰ দক্ষিণ পাৰৰ উপনৈসমূহ |
|---|---|
| | |

| বৰাক নৈৰ উত্তৰ পাৰৰ উপনৈসমূহ | বৰাক নৈৰ দক্ষিণ পাৰৰ উপনৈসমূহ |
|---|---|
| | |

অসমৰ নদ-নদী, জান-জুৰি, বিল-জলাহ আদিত মাছ-কাছ যথেষ্ট আছে।

➢ তোমাৰ ওচৰৰ নদ-নদী, বিল-খাল আদিত পোৱা মাছৰ নামবোৰেৰে এখন তালিকা প্ৰস্তুত কৰা।

**অসমৰ থলুৱা মাছৰ নামৰ তালিকা —**

| গাত বাকলি থকা মাছ | গাত বাকলি নথকা মাছ |
|---|---|
| | |

**তোমালোকে জানানে ?**

আমাৰ থলুৱা মাছবোৰ ভৱিষ্যতে বিলুপ্ত নোহোৱাকৈ সংৰক্ষণ কৰি ৰখাটো আমাৰ দায়িত্ব। সেয়ে মাছে কণীপৰা আৰু বংশবৃদ্ধি কৰা সময়ছোৱাত খাল-বিল, নদী আদিত মাছ মাৰিব নালাগে।

**প্ৰাকৃতিক পৰিৱেশ অনুসৰি আমাৰ জীৱন ধাৰণৰ প্ৰণালী বেলেগ বেলেগ হয় —**

প্ৰাকৃতিক পৰিৱেশে মানুহৰ খাদ্য, সাজ-পাৰ, বাসস্থান, যোগাযোগ, ৰীতি-নীতি, পৰম্পৰা আদি সকলোতে প্ৰভাৱ পেলায়। সেয়েহে অসমৰ সমভূমি, পাহাৰীয়া অঞ্চল, চৰ-চাপৰি আদিত মানুহৰ জীৱন প্ৰণালীৰ ক্ষেত্ৰত কিছু পাৰ্থক্য দেখা যায়।



*সমভূমি অঞ্চলৰ খেতি*



*পাহাৰীয়া অঞ্চলৰ জুম খেতি*

ভৈয়ামৰ সমতলভূমিত জনবসতি ঘন হোৱাৰ কাৰণ হ'ল— সমতলভূমি, খেতি-বাতি, যাতায়াত আদিৰ বাবে সুচল। ইয়াৰ উপৰি অসমৰ নদী উপত্যকা অঞ্চল দুটা সাৰুৱা হোৱা বাবে কৃষিৰ উৎপাদনো ভাল। ৰাজ্যখনৰ পাহাৰীয়া অঞ্চলত জুম খেতি কৰা হয়। পাহাৰৰ হাবি-বন কাটি জ্বলাই লৈ মাটিভাগ জুম খেতিৰ বাবে মুকলি কৰি লোৱা হয়। পাহাৰৰ এঢলীয়া ঠাইত কোৰেৰে মাটি চপাই ঢাপ কৰি কৃষিভূমিৰ পানী যাতে বৈ নাযায় তাৰ ব্যৱস্থা কৰা হয়।



*পাহাৰীয়া অঞ্চলত মানুহে সাজি লোৱা চাংঘৰ*

অসমৰ নদীৰ দাঁতি-কাষৰীয়া অঞ্চল আৰু পাহাৰীয়া অঞ্চলত মানুহে চাংঘৰ সাজি বসবাস কৰা দেখা যায়। এনেধৰণে চাংঘৰবোৰ সাজি লোৱাৰ মূলতেও প্ৰাকৃতিক পৰিৱেশৰ ভূমিকা আছে। নদীৰ দাঁতি-কাষৰীয়া অঞ্চলত সঘনাই বানপানী হয়। চাংঘৰবোৰ ওখ হোৱাৰ কাৰণে নদীৰ পানী সোমাব নোৱাৰে।

**দলত আলোচনা কৰি লিখোঁ আহা —**

➢ দলত আলোচনা কৰি তলত দিয়া ধৰণে তোমালোকৰ অঞ্চলটোৰ বিষয়ে লিখা—

ভূ-প্ৰাকৃতিক পৰিৱেশ (সমতল/পাহাৰীয়া) ঃ

নৈ-উপনৈ ঃ

বাসিন্দাসকলৰ জীৱিকা ঃ

অঞ্চলটোৰ খেতি-বাতি (যদি হয়) ঃ

যাতায়াত ব্যৱস্থা ঃ

ঘৰ-দুৱাৰ ঃ

যোগাযোগ ব্যৱস্থা ঃ


(এই আলোচনাটোত প্ৰয়োজন হ'লে শিক্ষকৰ সহায় ল'বা।)

**মানচিত্ৰৰ প্ৰয়োজনীয়তা**


মানচিত্ৰ এখনৰপৰা আমি কি কি জানিব পাৰোঁ—

মানচিত্ৰ চাই আমি এখন ঠাইৰ বিভিন্ন তথ্য পাব পাৰোঁ। সাধাৰণতে কোনো এখন ঠাই, দেশ আৰু ৰাজ্যৰ সীমাৰ লগতে সাগৰ-মাহাসাগৰ, নৈ-উপনৈ, চহৰ-নগৰ, ৰাস্তা-ঘাট আদি মানচিত্ৰ এখনত উপস্থাপন কৰা হয়। মানচিত্ৰত পৰ্বত-পাহাৰ, নৈ-উপনৈ, পথ, সীমা আদি বুজাবলৈ কিছুমান সাংকেতিক চিহ্ন ব্যৱহাৰ কৰা হয়। এই সাংকেতিক চিহ্নবোৰৰ বিষয়ে জানিলে আমি ঠাই এখনৰ বিভিন্ন কথা জানিব পাৰিমহঁক।


**মানচিত্ৰত ব্যৱহাৰ কৰা সাংকেতিক চিহ্ন**

| | | | |
|---|---|---|---|
| আন্তৰ্জাতিক সীমা ঃ |  | ৰাজ্যৰ সীমা ঃ |  |
| জিলাৰ সীমা ঃ |  | ৰাজ্যৰ ৰাজধানী ঃ |  |
| ৰে'ল পথ ঃ |  | জিলাৰ সদৰ ঠাই ঃ |  |
| নৈ ঃ |  | ৰাষ্ট্ৰীয় ঘাইপথ ঃ |  |
| পৰ্বত-পাহাৰ ঃ |  | উপনৈ ঃ |  |

মানচিত্ৰত ঠাই এখনৰ সঠিক অৱস্থান জানিবলৈ দিশৰ বিষয়ে জনাটো দৰকাৰ। সাধাৰণতে মানচিত্ৰ এখনৰ ওপৰ ফালে উত্তৰ দিশ। তলৰফালে দক্ষিণ, সোঁফালে পূৱ আৰু বাওঁফালে পশ্চিম দিশ হিচাপে ধৰা হয়। দিশ বুজাবলৈ এটি সূচক চিহ্ন মানচিত্ৰখনৰ কাষত আঁকি থোৱা থাকে। এই সূচক চিহ্নৰ সহায়ত আমি মানচিত্ৰত থকা বিভিন্ন স্থানৰ দিশ নিৰ্ণয় কৰিব পাৰোঁ।



## মানচিত্ৰৰ সহায়ত অসমৰ জিলাসমূহৰ লগত চিনাকি হওঁ আহা



**পাঠত দিয়া অসমৰ মানচিত্ৰকেইখন চাই তলত দিয়া কাৰ্যসমূহ কৰা —**

- অসমৰ মানচিত্ৰখন ভালকৈ চোৱা। ইয়াত প্ৰতিখন জিলাৰ নাম লিখা আছে। জিলাবোৰ এফালৰ পৰা চিনাক্ত কৰি নামবোৰৰ সৈতে সদৰ ঠাইসহ তলৰ তালিকাখনত লিখা—

| ক্ৰমিক নং | জিলাৰ নাম | সদৰ ঠাই |
|---|---|---|
| | | |

- তুমি ভ্ৰমণ কৰা অসমৰ ঠাইসমূহৰ নামৰ তালিকা এখন প্ৰস্তুত কৰা।
- অসমত সৰ্বমুঠ কেইখন জিলা আছে হিচাপ কৰি চোৱা।
- সদৰ ঠাইৰ সৈতে নিজৰ জিলাখন বিচাৰি উলিওৱা।
- অসমৰ ৰাজধানীৰ নামটো সাংকেতিক চিহ্নৰে সৈতে লিখা।
- অসমৰ চাৰিসীমাত থকা বিদেশী ৰাষ্ট্ৰ আৰু ৰাজ্যৰ নামবোৰ লিখা।
- অসমৰ মানচিত্ৰখন চাই তোমাৰ জিলাখনৰ চাৰিসীমাটো লিখা।
  - উত্তৰে ...............................................................
  - দক্ষিণে ...............................................................
  - পূবে ...............................................................
  - পশ্চিমে ...............................................................

- **অসমৰ মানচিত্ৰখন অধ্যয়ন কৰা আৰু শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক বা জ্যেষ্ঠ ব্যক্তিৰ সহায়ত নিজৰ জিলাখনৰ কিছুমান তথ্য সংগ্ৰহ কৰি তলৰ তালিকাখন পূৰ কৰা-**

| জিলাৰ নাম | সদৰ ঠাই | মহকুমা | প্ৰধান ঠাইসমূহ | নৈ-উপনৈ | প্ৰধান শস্য | যাতায়াত ব্যৱস্থা |
|---|---|---|---|---|---|---|
| | | | | | | |

## অনুশীলনী

১। পাঠ্যপুথিত সন্নিৱিষ্ট অসমৰ মানচিত্ৰখনত তোমাৰ নিজৰ জিলাখন চিনাক্ত কৰি চাৰিসীমা লিখা।

২। মানচিত্ৰ এখনৰ সহায়ত আমি কি কি জানিব পাৰোঁ লিখা।

৩। অসমৰ প্ৰধান প্ৰাকৃতিক বিভাগ কেইটা আৰু কি কি?

৪। পাৰ্থক্য লিখা—

(ক) নৈ আৰু উপনৈ

(খ) পৰ্বত আৰু পাহাৰ

(গ) মালভূমি আৰু সমভূমি


৫। শুদ্ধ উত্তৰটোত ✓ চিন দিয়া।

(ক) অসমক প্ৰধানকৈ দুটা/তিনিটা/চাৰিটা প্ৰাকৃতিক বিভাগত ভাগ কৰা হয়।

(খ) অসমৰ চাৰিসীমাত দুখন/তিনিখন/চাৰিখন বিদেশী ৰাষ্ট্ৰ আছে।

(গ) মানাহ/সোৱণশিৰি/ধলেশ্বৰী হ'ল বৰাক নৈৰ উপনৈ।

৬। ‘ক’ অংশৰ লগত ‘খ’ অংশ মিলোৱা

| ‘ক’ | ‘খ’ |
|---|---|
|  | জিলাৰ সদৰ ঠাই |
|  | আন্তৰ্জাতিক সীমা |
|  | ৰে'লপথ |
|  | নৈ |
|  | ৰাজ্যৰ ৰাজধানী |

## পাঠ - ১১

# অসমৰ প্ৰাকৃতিক সম্পদ

M7L6J8

আমাৰ পৃথিৱীখন বায়ু, পানী, মাটি, খনিজ পদাৰ্থ, অৰণ্য আৰু বন্যপ্ৰাণীৰে ভৰা। এইবোৰৰ প্ৰত্যেকেই একো একোটা সম্পদ। এইবোৰ আমাৰ বিভিন্ন কামত প্ৰয়োজন হয়। প্ৰকৃতিৰপৰা পোৱা বাবে এইবোৰক **প্ৰাকৃতিক সম্পদ** বুলি কওঁ।

➢ তলত উল্লেখ কৰা বস্তুবোৰৰ নাম, তালিকাত দিয়া ভাগ অনুসৰি লিখা—

| | | | | | |
|---|---|---|---|---|---|
| ধান | নাৰিকল | মাছ | গঁড় | হাতী | শাক |
| চেগুন | নাহৰ | তিতা চঁপা | সৰিয়হ | অমিতা | কয়লা |
| ভালুক | শিহু | অজগৰ | বান্দৰ | পালেং | কাছ |
| চাহপাত | বাঁহ-বেত | খাৰুৱা-তেল | তামোল | তিমি মাছ | চূণশিল |
| কুঁহিয়াৰ | মাটি-কঁঠাল | প্ৰাকৃতিক-গেছ | ঘঁৰিয়াল | পাণ | পদুমফুল |

| খেতিৰপৰা পোৱা | হাবিৰপৰা পোৱা | মাটিৰ তলৰপৰা পোৱা | পানীৰপৰা পোৱা |
|---|---|---|---|
| | | | |

ওপৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱা বস্তুবোৰ আমাৰ প্ৰাকৃতিক সম্পদ। অসম এখন প্ৰাকৃতিক সম্পদত চহকী ৰাজ্য। এই সম্পদসমূহক চাৰিটা ভাগত ভাগ কৰিব পাৰি—

(ক) কৃষিজাত সম্পদ (খ) বনজ সম্পদ (গ) খনিজ সম্পদ আৰু (ঘ) জলজ সম্পদ।


**অসমৰ প্ৰাকৃতিক সম্পদসমূহৰ বিষয়ে জানি লওঁ আহা-**

**(ক) কৃষিজাত সম্পদ ঃ** খেতি বা কৃষিৰপৰা আমি ধান, মাহ, সৰিয়হ আদি নানাবিধ শস্য আৰু ফল-মূল পাওঁ। এই সম্পদসমূহক আমি **কৃষিজাত সম্পদ** বুলি কওঁ।

ধান অসমৰ প্ৰধান কৃষিজাত শস্য। প্ৰচুৰ বৰষুণ হোৱা সাৰুৱা মাটি ধান খেতিৰ বাবে উপযোগী। ধানৰ উপৰি অসমত যথেষ্ট পৰিমাণে মৰাপাট, তামোল-পাণ, সৰিয়হ, নাৰিকল, আম, কঁঠাল, মাটি-কঁঠাল, কল আদি হয়। লাও, বেঙেনা, মূলা, আদা, জলকীয়া, কচু আদি শাক-পাচলিও যথেষ্ট পৰিমাণে উৎপন্ন হয়।



**(খ) বনজ সম্পদ ঃ** অসমৰ হাবিত নানাবিধ মূল্যৱান গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি পোৱা যায়। এইবোৰেই আমাৰ **বনজ সম্পদ**। এই গছ-গছনি আৰু প্ৰাণীৰপৰা আমাৰ বহুতো উপকাৰ হয়। গছ-গছনিৰ অভাৱত প্ৰাণী জীয়াই থাকিব নোৱাৰে। গছ-গছনিয়ে বায়ুমণ্ডলৰ প্ৰদূষণো দূৰ কৰে। আমাৰ বনজাত সম্পদসমূহক উদ্ভিদ আৰু প্ৰাণী এই দুভাগত ভগাব পাৰি।



বনচোম, শাল, চেগুণ, তিতা চঁপা, গমাৰী, বাঁহ-বেত আদি উদ্ভিদ আৰু গঁড়, হাতী, বাঘ, ম'হ, হৰিণা, দেওহাঁহ, বান্দৰ, ধনেশ, বৰটোকোলা আদি প্ৰাণীয়েই হৈছে আমাৰ বনজ সম্পদ। হাবিত থকা গছৰপৰা মূল্যৱান কাঠ, খৰি, বাঁহ- বেত আদি পাওঁ। কাঠ, বাঁহ বেতৰপৰা আমি বিভিন্ন ধৰণৰ আচবাব তৈয়াৰ কৰিব পাৰোঁ। এই আচবাবৰ ব্যৱসায় কৰি আমাৰ বহুলোকে জীৱন নিৰ্বাহ কৰি আছে।

➢ সিপিঠিৰ ছবিত দেখা বনজ সম্পদসমূহক তলত দিয়াধৰণে ভগাওঁ আহা-

| | উদ্ভিদ | | প্ৰাণী |
|---|---|---|---|
| ১। | বনচোম | ১। | দেওহাঁহ |

**দলত আলোচনা কৰি লিখা।**

➢ বনজ সম্পদসমূহে আমাক কেনেকৈ সহায় কৰে?

আমাৰ এই বনজ সম্পদসমূহ আমি আমাৰ লগতে আমাৰ ভৱিষ্যৎ বংশধৰসকলৰ বাবেও সংৰক্ষণ কৰিব লাগে। আমাৰ দেশৰ মাটিৰ পাঁচ ভাগৰ প্ৰায় এক অংশহে মাথোন অৰণ্যই আৱৰি আছে। আনহাতে অসমৰ অৰণ্য অঞ্চলে ইয়াৰ মুঠ মাটিকালিৰ প্ৰায় ৩০ শতাংশ নিৰূপণ কৰিছে। পৰিৱেশ সুস্থ কৰি ৰাখিবলৈ আমি অধিক গছপুলি ৰুব লাগে। অবাবত গছ-গছনি কটা বন্ধ কৰিব লাগে।

বনজ সম্পদ সংৰক্ষণৰ লগতে বন্যপ্ৰাণীক সুৰক্ষা প্ৰদান কৰাটোও অতি প্ৰয়োজনীয়। ভাৰত তথা অসমত এই বন্যপ্ৰাণীসমূহৰ সুৰক্ষাৰ বাবে বহুতো ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য আছে। সেইবিলাকে বন্যপ্ৰাণীসমূহক সুৰক্ষা প্ৰদান কৰাৰ উপৰি গছ-গছনিসমূহকো সুৰক্ষা দিয়ে।

**অসমৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এটা খড়্গযুক্ত গঁড়ৰ বাবে পৃথিৱী বিখ্যাত। কাজিৰঙা, মানস, নামেৰী ৰাষ্ট্ৰীয় উদ্যানত বাঘ সংৰক্ষণৰ প্ৰকল্প আছে।***

**জানি লওঁ আহা-**

প্ৰকৃতিক ভাল পোৱা আমাৰ মাজৰ এজন বিখ্যাত ব্যক্তি হ'ল 'অৰণ্য-মানৱ' **যাদৱ পায়েং।** যোৰহাটৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ চাপৰিত তেওঁ কেবাদশক জুৰি গছ ৰোপণ আৰু প্ৰতিপালন কৰি এক বনাঞ্চল গঢ়ি তুলিছে। এই বনাঞ্চলত বৰ্তমান ঢেঁকীয়াপতীয়া বাঘ, গঁড়, হাতী, বহুতো হৰিণা পহু, বন গাহৰি আদিৰ উপৰি শগুণকে ধৰি অনেক প্ৰজাতিৰ চৰায়ে বাস কৰি আছে। তেওঁৰ অৰণ্যখন অৰ্জুন, এজাৰ, কৰৈ, শিমলু আদি মূল্যৱান গছ-গছনিৰে ভৰপূৰ। তেওঁৰ এই মহান কামৰ বাবে ভাৰত চৰকাৰে তেওঁক ২০১৫ চনত পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰে। ২০১২ চনৰ ২২ এপ্ৰিলৰ 'ধৰিত্ৰী দিৱস'ৰ দিনা জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে তেখেতক 'ভাৰতৰ অৰণ্য মানৱ' (Forest Man of India) খ্যাতিৰে বিভূষিত কৰে।



যাদৱ পায়েং

* তথ্য সূত্ৰ - ৰাষ্ট্ৰীয় উদ্যান/অসম ৰাজ্যিক প'ৰ্টেল) Source : https:// assam.gov.in/as/about-us/402
* Source : https:// forest.assam.gov.in/information

**দলগত কাৰ্য (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)**

➢ তোমালোকৰ অঞ্চলত কি কি মূল্যৱান গছ আছে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

**(গ) খনিজ সম্পদ ঃ** খাৰুৱা তেলৰ ক্ষেত্ৰত অসম ভাৰতৰ ভিতৰতে এখন চহকী ৰাজ্য। সেয়েহে অসমক **'পনীয়া সোণৰ ৰাজ্য'** বুলি কোৱা হয়। ভূ-গৰ্ভত খাৰুৱা তেল, প্ৰাকৃতিক গেছ, কয়লা, চূণশিল আদি পোৱা যায়। ভূ-গৰ্ভত পোৱা এই সম্পদবোৰেই হৈছে **খনিজাত** বা **খনিজ সম্পদ**।



**খনিজ সম্পদৰ ব্যৱহাৰ**

➢ সিপিঠিৰ ছবিখন চাই আমি কি কি কামত খনিজ সম্পদ ব্যৱহাৰ কৰোঁ তালিকাত লিখা—

| **খনিজ সম্পদৰ নাম** | **কি কি কামত ব্যৱহাৰ হয়** |
|---|---|
| | |








ভূ-গৰ্ভৰ পৰা পোৱা খাৰুৱা তেল পোনে পোনে ব্যৱহাৰৰ বাবে উপযোগী নহয়। এই তেল পৰিশোধন কৰি কেৰাচিন, পেট্ৰ'ল, ডিজেল আদি উৎপাদন কৰা হয়। এইবিলাক আমি বিভিন্ন কামত যেনে - মটৰ গাড়ী, ৰে'ল গাড়ী আদিত ইন্ধন হিচাপে ব্যৱহাৰ কৰোঁ। খাৰুৱা তেলৰ লগত পোৱা প্ৰাকৃতিক গেছো ইন্ধন হিচাপে ব্যৱহাৰ কৰা হয়। আমি ব্যৱহাৰ কৰি থকা মমবাতি, ভেচলিন, আল্‌কতৰা, নেফথেলিন আদি খাৰুৱা তেলৰ পৰাই তৈয়াৰ কৰা হয়।

ৰে'ল গাড়ী, কল-কাৰখানা আদি চলাবলৈ কয়লা ব্যৱহাৰ কৰা হয়। চুণশিল আমাৰ আন এবিধ খনিজ সম্পদ। চুণশিলৰ পৰা বিলাতী মাটি, চিমেণ্ট আদি প্ৰস্তুত কৰা হয়।

**অসমৰ কাৰ্বি আংলং জিলাত অধিক পৰিমাণে চুণশিল পোৱা যায়।**

**চিন্তা কৰি লিখা—**

➢ যান-বাহন চলাবলৈ আমাক কি কি ইন্ধন লাগে ?

➢ গেছ-ষ্টোভ জ্বলাবলৈ কি ইন্ধনৰ প্ৰয়োজন ?

➢ কল-কাৰখানা চলাবলৈ কি কি ইন্ধন লাগে ?

➢ খাৰুৱা তেল নহ'লে আমাৰ কি অসুবিধা হ'ব ?

**(ঘ) জলজ সম্পদ ঃ**



ওপৰৰ ছবিত কি কি দেখিছা কোৱা-

নদ-নদী, খাল-বিল, পুখুৰী, আদিৰ পানী আমি বিভিন্ন কামত ব্যৱহাৰ কৰোঁ। পানীত বিভিন্ন প্ৰাণী, যেনে- মাছ, কাছ, ঘঁৰিয়াল, শিহু আদি থাকে। এইবোৰ আমাৰ বৰ উপকাৰী। পানীত থকা উদ্ভিদ আৰু প্ৰাণীসমূহ আমাৰ **জলজ সম্পদ**।

**শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ পৰা জানি লৈ লিখা -**

- তোমালোকৰ অঞ্চলত থকা নৈ বা উপনৈসমূহৰ নাম। (যদি আছে)
- নৈসমূহৰপৰা আমাৰ কি কি সুবিধা হয় কোৱা।

**জানি লওঁ আহা-**



নদীৰ পানী খালেৰে বোৱাই নি খেতি-পথাৰত দিয়াৰ ব্যৱস্থা কৰা হয়। তদুপৰি নদীৰে নাও, জাহাজ আদি চলাই বেপাৰ-বাণিজ্যও কৰিব পাৰি। জোৰেৰে বৈ অহা পানীৰ সোঁতৰ পৰা টাৰবাইনৰ সহায়ত বিদ্যুৎ উৎপাদন কৰা হয়। এই বিদ্যুৎ শক্তিক **জলবিদ্যুৎ শক্তি** বোলে। ই বিভিন্ন কল-কাৰখানা চলোৱা, ঘৰত বিদ্যুৎ যোগান ধৰাত সহায় কৰে।

**সকলো প্ৰাকৃতিক সম্পদেই অতি মূল্যৱান। এই সম্পদবোৰ যাতে প্ৰকৃতিৰ বুকুৰ পৰা নিঃশেষ হৈ নাযায় তাৰ বাবে সেইবোৰ আমি সংৰক্ষণ কৰিব লাগে।**

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) প্ৰাকৃতিক সম্পদ কাক বোলে ?

(খ) খনিজ সম্পদ কাক বোলে ?

(গ) অসমৰ প্ৰধান খনিজ সম্পদসমূহ কি কি ?

(ঘ) অসমক কিয় 'পনীয়া সোণৰ ৰাজ্য' বুলি কোৱা হয় ?

(ঙ) জলজ সম্পদ কি ?

(চ) অসমৰ তিনিবিধ কৃষিজাত সম্পদৰ নাম লিখা।

(ছ) তিনিবিধ বনজ সম্পদৰ নাম লিখা।

২। আমি কিয় প্ৰাকৃতিক সম্পদবোৰৰ সদ্ব্যৱহাৰ কৰিব লাগে ?

৩। শুদ্ধ উত্তৰটোত '✓' চিন দিয়া-

(ক) আল্‌কতৰা কয়লাখনিত পোৱা যায়।

(খ) চূণশিল এবিধ বনজ সম্পদ।

(গ) প্ৰাকৃতিক সম্পদৰ আমি সদ্ব্যৱহাৰ কৰিব লাগে।

(ঘ) অসমৰ কাৰ্বি আংলং জিলাত খাৰুৱা তেল প্ৰচুৰ পৰিমাণে পোৱা যায়।

(ঙ) ভূ-গৰ্ভত পোৱা খাৰুৱা তেল পোনে পোনে ব্যৱহাৰৰ বাবে উপযোগী।

৪। **'ক'** অংশৰ লগত **'খ'** অংশ মিলোৱা-

| **'ক'** | **'খ'** |
|---|---|
| কয়লা | বনজ সম্পদ |
| খাৰুৱা তেল | জলজ সম্পদ |
| গঁড়, হাতী | খনিজ সম্পদ |
| পানীত থকা প্ৰাণীসমূহ | পনীয়া সোণ |

◆◆◆◆◆

## পাঠ -১২
# অসমৰ কুটীৰ শিল্প


B3P3H6


চিত্ৰ নং ১


চিত্ৰ নং ২


চিত্ৰ নং ৩


চিত্ৰ নং ৪


চিত্ৰ নং ৫


চিত্ৰ নং ৬

সিপিঠিৰ চিত্ৰকেইখনলৈ ভালদৰে চোৱাচোন। চিত্ৰখনত মানুহবোৰে কি কি কৰি থকা দেখা পাইছা? তেওঁলোকে কৰা কামবোৰৰ পৰা আমি কি কি সামগ্ৰী পাওঁ? শিক্ষকৰ সহায়ত আলোচনা কৰি তলৰ তালিকাখন সম্পূৰ্ণ কৰা—

| চিত্ৰ নং | কাম কৰা ব্যক্তি গৰাকীক কি বোলে | কি কি সামগ্ৰী তৈয়াৰ কৰিছে | প্ৰয়োজন হোৱা কেঁচা সামগ্ৰীৰ নাম | কি সঁজুলি ব্যৱহাৰ কৰিছে |
|---|---|---|---|---|
| ১ | | | | |
| ২ | | | | |
| ৩ | | | | |
| ৪ | | | | |
| ৫ | | | | |
| ৬ | | | | |

তোমালোকে দেখা সিপিঠিৰ ছবিকেইখনত কাঠমিস্ত্ৰী, কঁহাৰ, কুমাৰ, কমাৰ, শিপিনী আদি লোকসকলে আমাৰ বিভিন্ন কামত অহা কিছুমান সামগ্ৰী উৎপাদন কৰিছে। উৎপাদন কাৰ্যত কিছুমান স্থানীয়ভাৱে পোৱা সামগ্ৰী, যেনে — কাঠ, বাঁহ-বেত, পাট-মুগা, কাঁহ-পিতল আদি ব্যৱহাৰ কৰিছে। এনে সামগ্ৰীসমূহ উৎপাদন কৰোঁতে যন্ত্ৰ-পাতিও কমকৈ ব্যৱহাৰ হয়। তদুপৰি কম সংখ্যক মানুহৰ দ্বাৰা প্ৰধানকৈ শাৰীৰিক শ্ৰমৰ জৰিয়তে এইবোৰ উৎপাদন কৰিছে। এনে ব্যৱস্থাত টকা-পইচা বা মূলধন কমকৈ লাগে। এনেবোৰ কাৰ্যৰ দ্বাৰা মানুহৰ দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা কিছু সামগ্ৰী প্ৰস্তুত কৰা হয়। এনেদৰে যি উদ্যোগত কম মূলধন, কম শ্ৰমিক, কম যন্ত্ৰপাতি ব্যৱহাৰ কৰি প্ৰয়োজনীয়

সামগ্ৰী প্ৰস্তুত কৰা হয়, তাকে **কুটীৰ শিল্প বোলে**। এনে ধৰণৰ কুটীৰ শিল্পৰ জৰিয়তে অসমত বিভিন্ন ক্ষুদ্ৰ উদ্যোগ গঢ় লৈ উঠিছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল - আশাৰীকান্দিৰ টেৰাকোটা, হাজোৰ পিতলৰ উদ্যোগ, সৰ্থেবাৰীৰ কাঁহশিল্প, মাজুলীৰ মুখাশিল্প, শুৱালকুছিৰ পাট-মুগা ইত্যাদি।

অসম বাঁহ-বেত, পাট-মুগা, কাঁহ-পিতল আৰু মৃৎ শিল্পৰ বাবে বিখ্যাত।

আমাৰ পৰিৱেশৰ পৰা সংগ্ৰহ কৰা কেঁচা সামগ্ৰীৰ সহায়ত বিভিন্ন বস্তু বা সামগ্ৰী প্ৰস্তুত কৰা হয়। এই বস্তু বা সামগ্ৰীবোৰ আমাৰ বিভিন্ন কামত ব্যৱহাৰ হয়।



ওপৰৰ ছবিত কি কি দেখিছা ? নামবোৰ কোৱা।

➢ বাঁহ বেতেৰে প্ৰস্তুত কৰা কিছুমান সঁজুলিৰ নাম লিখা আৰু সেইবোৰৰ কামৰ বিষয়ে বৰ্ণনা কৰা।

কাঁহ-পিতল তৈয়াৰ কৰিবলৈ প্ৰয়োজনীয় কেঁচা সামগ্ৰীবোৰ ভাটিৰ জুইত গলাই হাতেৰে চুব পৰাকৈ ঠাণ্ডা কৰি লোৱা হয়। হাতুৰীৰে কোবাই কোবাই প্ৰয়োজন অনুসৰি মাজে মাজে জুইৰ তাপ দি বিভিন্ন আকৃতিৰ বাচন-বৰ্তন তৈয়াৰ কৰা হয়। কাঁহ-পিতলৰ সামগ্ৰীৰ ভিতৰত কাঁহী, বাটি, টৌ, গিলাচ, কলহ, শৰাই, বটা, হেতা, চামুচ আৰু ধুনীয়া ধুনীয়া ফুলদানীয়েই প্ৰধান। এই সামগ্ৰীবোৰ কিছুসংখ্যক লোকে ব্যৱসায়িক ভিত্তিত তৈয়াৰ কৰে। এইদৰেই অসমৰ কিছুমান ঠাইত কাঁহ-পিতল শিল্পকেন্দ্ৰ গঢ়ি উঠিছে। এই শিল্প কোনো কোনো লোকে পৰম্পৰাগতভাৱে চলাই আহিছে।




কাঁহ-পিতল শিল্প কেন্দ্ৰ

**অসমৰ সৰ্থেবাৰী কাঁহ শিল্প আৰু হাজো পিতল শিল্পৰ বাবে বিখ্যাত।**



শিপিনীয়ে তঁাত-শালত কাপোৰ বৈছে



তঁাত-শালৰ প্ৰয়োজনীয় সঁজুলিসমূহ

ওপৰৰ ছবিখনলৈ মন কৰা। ছবিখনত দেখা তাঁত-শালৰ সঁজুলিসমূহৰ নাম লিখা।

আমাৰ গাঁও অঞ্চলত প্ৰায়ভাগ মানুহৰ ঘৰতে তাঁত-শাল আছে। তাঁত-শাল এখনত কাঠ, বাঁহ, বেত আদিৰে সজা বহুতো সৰু-ডাঙৰ সঁজুলি বা বস্তু থাকে। অসমৰ শিপিনীয়ে তাঁত-শালত বিভিন্ন ধৰণৰ কাপোৰ বয়।

গৰমৰ দিনত পিন্ধা আৰামদায়ক কপাহী কাপোৰবোৰ কপাহী সূতাৰে তৈয়াৰী। জাৰৰ দিনত ব্যৱহাৰ কৰা এৰী চাদৰবোৰ এৰী সূতাৰে তৈয়াৰী । তাঁত-শালত সাধাৰণতে কপাহী, এৰী আৰু মুগা কাপোৰ বোৱা হয়। অসমৰ পাট, মুগা আৰু এৰী কাপোৰে দেশে-বিদেশে আদৰ পাইছে।

ব্যৱসায়ৰ বাবে সৰহীয়াকৈ কাপোৰ বয় উলিয়াবলগীয়া হয় কাৰণে যথেষ্ট সংখ্যক তাঁত-শালৰ প্ৰয়োজন। একেলগে বহুতো তাঁত-শাল পাতি কাপোৰ বোৱাকে **বয়ন কেন্দ্ৰ** বোলে। অসমৰ বহুতো মহিলাই এনেদৰে বয়ন কেন্দ্ৰ স্থাপন কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ উপৰি আন দহজনকো স্বাৱলম্বী হোৱাত সহায় কৰিছে।

অসম পাট-মুগাৰ বাবে বিখ্যাত। অতীতৰ পৰা অসমৰ কিছুসংখ্যক লোকে পাট-মুগা, এৰী আৰু কপাহী কাপোৰ ঘৰতে বোৱা-কটা কৰি বেচা-কিনা কৰি আহিছে। এৰী, মুগা আৰু পাট, পলুৰ পৰা বিশেষ পদ্ধতিৰে সূতা উলিয়াই তাঁত-শালত বয় কাপোৰ তৈয়াৰ কৰা হয়।



বৰ্তমান অসমৰ বহুতো ঠাইত ব্যক্তিগত ভাৱে বা আত্মসহায়ক গোটসমূহৰ জৰিয়তে ব্যৱসায়িক ভিত্তিত এই পাট-মুগা, এৰী কাপোৰবোৰ তৈয়াৰ কৰিবলৈ লৈছে। এইদৰে একো একোটা 'বয়ন কেন্দ্ৰ' গঢ়ি উঠিছে। অসমৰ শুৱালকুছি, ঢকুৱাখনা আদি ঠাই পাট-মুগা কাপোৰৰ বাবে বিখ্যাত। আনহাতে তেজপুৰ, কামৰূপ, বাক্সা, মৰিগাঁও, কোকৰাঝাৰ আদি ঠাইত কপাহী আৰু এৰী কাপোৰৰ নানান বয়ন শিল্পৰ উদ্যোগ গঢ় লৈ উঠিছে।

**শুৱালকুছিত এই বয়ন কেন্দ্ৰসমূহ কেন্দ্ৰীভূত হৈ আছে বাবে ঠাইখনক বস্ত্ৰনগৰী বোলে।**

কুমাৰৰ চাক ব্যৱহাৰ কৰি ব্যৱসায়িক ভিত্তিত কমসংখ্যক মানুহৰ সহায়ত মাটিৰ বিভিন্ন বস্তু গঢ় দিয়া হয়। এই মাটিৰ বস্তুবোৰ গঢ় দিবলৈ আলতীয়া মাটিৰ প্ৰয়োজন। আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা কিছুমান সামগ্ৰী যেনে — চৰু, চাকি, লোটা, কলহ, কাঁহী, গিলাচ, বাটি আদি মাটিৰে তৈয়াৰ কৰা হয়। ইয়াৰ উপৰি আমি সজোৱা বিভিন্ন আকৰ্ষণীয় বস্তু যেনে— ফুলদানী, মূৰ্তি, পুতলা আদিও মাটিৰে তৈয়াৰ কৰি লোৱা হয়। এইবোৰেই হৈছে **মৃৎশিল্প**।



**মৃৎশিল্প**


মৃৎশিল্পৰ অন্যতম আকৰ্ষণ হ'ল '**টেৰাকোটা**'। এই শিল্পত আলতীয়া আৰু বালিচহীয়া মাটি মিহলাই লৈ মাটিৰে বিভিন্ন বস্তু যেনে- মূৰ্তি, পুতলা আৰু বিভিন্ন আকৃতিৰ জীৱ-জন্তু আকৰ্ষণীয়ভাৱে গঢ় দিয়া হয়। পিছত এই মাটিৰ বস্তুবোৰ ৰ'দত শুকুৱাই ভাটিৰ জুইত পুৰি তৈয়াৰ কৰা হয়। এইদৰে কোনো কোনো ঠাইত একো একোটা **মৃৎশিল্প কেন্দ্ৰ** গঢ় লৈ উঠিছে। **অসমৰ আশাৰীকান্দি, হাজো, মাজুলী, কৰিমগঞ্জ আদি মৃৎশিল্পৰ বাবে বিখ্যাত।**





**অসমৰ নলবাৰী জিলা বাঁহ-বেতৰ বিভিন্ন বস্তু আৰু জাপিৰ বাবে জনাজাত।**
**কাছাৰ জিলা পাটী আৰু বেতৰ বস্তু উৎপাদনৰ বাবে বিখ্যাত।**

অসমত কেইবিধমান সামগ্ৰী উৎপাদনৰ বাবে কেইটামান উল্লেখযোগ্য কুটীৰ শিল্প আছে। এই কুটীৰ শিল্পসমূহে অসমৰ কিছুমান অঞ্চলত প্ৰসাৰ লাভ কৰিছে। মানচিত্ৰ চাই অসমৰ কোন কোন ঠাইত কি কি কুটীৰ শিল্প আছে কোৱা-



**মানচিত্ৰৰ সহায়ত তলৰ তালিকাখন পূৰ কৰা-**

| কুটীৰ শিল্পৰ নাম | কোন ঠাই বা জিলাত অৱস্থিত /আছে | উৎপাদিত সামগ্ৰীৰ নাম | ব্যৱহাৰ কৰা কেঁচা সামগ্ৰীৰ নাম |
|---|---|---|---|
| | | | |

**মুখা শিল্প**



মুখা সাজিবলৈ বাঁহ, খেৰ, গোবৰ, আলতীয়া মাটি, কপাহী কাপোৰ, ৰং আদি থলুৱা সা-সামগ্ৰী ব্যৱহাৰ কৰা হয়। বাঁহৰ তঙালেৰে জঁকাটো সাজি লোৱা হয়। তাত খেৰ, কপাহী কাপোৰ, বোকামাটি, গোবৰ মাটি আদি ব্যৱহাৰ কৰি নিৰ্দিষ্ট ৰূপ দিয়া হয়। শেষত ৰং সানি মুখাসমূহ সম্পূৰ্ণ কৰি লোৱা হয়। এই মুখাসমূহ সাধাৰণতে ভাওনা, ৰাস আৰু নাটকত চৰিত্ৰৰ লগত সংগতি ৰাখি তৈয়াৰ কৰা হয়। অসমৰ মাজুলী মুখাশিল্পৰ বাবে জনাজাত।

➢ শিক্ষক বা ডাঙৰৰ সহায় লৈ টেৰাকোটা মূৰ্তি-পুতলা আৰু মুখা সাজিবলৈ চেষ্টা কৰিবা।

অসমৰ প্ৰায় প্ৰতিখন জিলাতে নানা ধৰণৰ কুটীৰ শিল্প আছে। মানুহে নিজৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ এই কুটীৰ শিল্পবোৰত উৎপাদন কৰি লয়। অসমৰ মানুহ প্ৰধানত কৃষিজীৱী যদিও কিছু সংখ্যক মানুহ এনেধৰণৰ কুটীৰ শিল্প স্থাপন কৰি বা তেনে শিল্পৰ নানা কামত নিয়োজিত হৈ জীৱিকা নিৰ্বাহ কৰি আছে। এই কুটীৰ শিল্পসমূহে সেয়েহে দেশৰ আৰ্থিক উন্নয়নতো সহায় কৰে। তদুপৰি এই শিল্প উদ্যোগসমূহত তৈয়াৰী সামগ্ৰীসমূহে আমাৰ কলা-সংস্কৃতি জীয়াই ৰখাৰ উপৰি বিভিন্ন ৰাজ্য বা দেশৰ লগত সাংস্কৃতিক বিনিময়তো সহায় কৰে।

**শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়ত তলৰ প্ৰকল্পটো কৰা-**

➢ তোমালোকৰ অঞ্চলত কি কি কুটীৰ শিল্প আছে পৰ্যৱেক্ষণ কৰা। সেই শিল্পটোত কি কি কেঁচা সামগ্ৰীৰ প্ৰয়োজন হয় আৰু কি সামগ্ৰী উৎপাদন কৰা হয় তলত দিয়াৰ দৰে তালিকা প্ৰস্তুত কৰা।

| শিল্পৰ নাম | প্ৰয়োজনীয় সামগ্ৰী | সঁজুলি | প্ৰস্তুত কৰোঁতে কিমান সময় লাগে | কি কামত ব্যৱহাৰ কৰিব পাৰি | কেনেদৰে উপকৃত হৈছে |
|---|---|---|---|---|---|
| | | | | | |

## অনুশীলনী

১। উত্তৰ লিখা -

(ক) কাঁহেৰে তৈয়াৰী দুবিধ সামগ্ৰীৰ নাম।

(খ) বাঁহেৰে তৈয়াৰী দুবিধ সামগ্ৰীৰ নাম।

(গ) অসমৰ চাৰিটা কুটীৰ শিল্পৰ নাম।

(ঘ) তিনিবিধ স্থানীয়ভাৱে পোৱা কেঁচা সামগ্ৰীৰ নাম।

২। তলত উল্লেখ কৰা সামগ্ৰীসমূহ কোন কোন কুটীৰ শিল্পৰ লগত জড়িত তাৰ এখন তালিকা প্ৰস্তুত কৰা-

| | | | | | | |
|---|---|---|---|---|---|---|
| টেকেলি | বটা | মেখেলা-চাদৰ | কাঁহী-বাটি | চাকি | লোটা | ৰিহা |
| গামোচা | শৰাই | চেলেং-চাদৰ | বানবাটি | ঘটি | মুখা | গছা |

৩। কাঁড় চিনৰ সহায়ত সোঁফালৰ অংশৰ লগত বাওঁফালৰ অংশ মিলোৱা ঃ

| | | |
|---|---|---|
| যেনে — | সৰ্থেবাৰী | মৃৎশিল্প |
| | ঢকুৱাখনা | পিতলৰ শিল্প |
| | কাছাৰ | কাঁহৰ শিল্প |
| | আশাৰীকান্দি | বয়ন শিল্প |
| | হাজো | বয়ন শিল্প |
| | শুৱালকুছি | বেতৰ শিল্প |

৪। তোমাৰ অঞ্চলত থকা কুটীৰ শিল্প কেন্দ্ৰৰ দ্বাৰা উৎপাদিত দুটামান বস্তুৰ ছবি আঁকা।

৫। তোমাৰ অঞ্চলত উপলব্ধ যিকোনো এটা কুটীৰ শিল্পৰ কাম-কাজ সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা। (৫/৬টা বাক্যৰ ভিতৰত লিখিবা)।

৬। মাটি/কাঁহ/পিতলেৰে নিৰ্মিত এটি সামগ্ৰীৰ ছবি আঁকি শ্ৰেণীকোঠাত সজাই ৰাখা।

◆◆◆◆◆

## পাঠ - ১৩
# শিৱসাগৰলৈ যাত্ৰা

মিলি আৰু জিণ্টুৱে মাকৰ সৈতে গুৱাহাটীৰ পল্টনবজাৰত থকা ৰে'লষ্টেচনত পুৱা বৈ আছে। সিহঁতৰ বৰ স্ফূৰ্তি। অলপ সময়ৰ পাছতে সিহঁত ৰে'লেৰে শিৱসাগৰলৈ যাব। তাত সিহঁতৰ আইতাকৰ ঘৰ।



*ৰে'ল ষ্টেচনত মাকৰ সৈতে মিলি আৰু জিণ্টু*

সময়ত সিহঁত শিৱসাগৰত থকা মামাকৰ ঘৰ পালেহি। আইতাকে সিহঁত অহালৈ বাট চাই আছিল। মিলি-জিণ্টুৱে পদূলিৰপৰা দৌৰি বাৰান্দা পালেগৈ। বাৰান্দাতে বৈ থকা আইতাকক ভৰি চুই সেৱা কৰিলে আৰু উৎসাহেৰে ক'লে — 'আইতা আমাৰ স্কুলৰ গৰম বন্ধ হোৱা বাবে বহুদিন তোমাৰ লগতে থাকিব পাৰিম। তুমি কিন্তু আমাক সদায় সাধু শুনাব লাগিব দেই।'

আইতা— হ'ব বাৰু। এতিয়া তোমালোকে জিৰণি লোৱা।

পাছদিনাখন পুৱা জলপান খাই মিলি আৰু জিণ্টু আইতাকৰ ওচৰলৈ গ'ল।

আইতা— তোমালোকৰ যোৱাকালিৰ ৰে'লৰ যাত্ৰাটো কেনে আছিল কোৱাচোন?




ৰে'ল ষ্টেচনৰ সময়সূচী

মিলি-জিণ্টু — শুনা আইতা, আমি প্ৰথমে ৰে'ল ষ্টেচনলৈ আহিলোঁ। ষ্টেচনত উপস্থিত হৈ আমি ৰে'লৰ সময়সূচীখন চালোঁ। সময়সূচীখন চাই বুজিব পাৰিলোঁ যে - আমি উঠিবলগীয়া ৰে'লখন যাবলৈ মাত্ৰ ৫০ মিনিট সময়হে বাকী আছে। ৰে'লখন সময়মতে নাপামগৈ বুলি আমি চিন্তিত হৈছিলোঁ। কাৰণ, সময়সূচীখনত লিখা আছিল যে যদিহে আপুনি সঘনাই ৰে'লত যোৱা যাত্ৰী নহয়, তেন্তে আপোনাৰ ৰে'লখনৰ নিৰ্ধাৰিত সময়তকৈ ৪৫ ৰ পৰা ৬০ মিনিট আগতে আপুনি ৰে'ল ষ্টেচনত উপস্থিত হোৱাটো দৰকাৰ। অৱশ্যে আমি কোনো সমস্যাৰ সন্মুখীন হ'ব লগা নহ'ল।

মায়ে লৰালৰিকৈ টিকট কাউণ্টাৰলৈ গৈ টিকটকেইটা সংগ্ৰহ কৰি আনিলে। টিকট সংগ্ৰহৰ  পাছত আমি আটায়ে ৰে'লখনত উঠিলো। নিৰ্দিষ্ট সময়ত ৰে'লখনে যাত্ৰা আৰম্ভ কৰিলে। ৰে'লখন চলিবলৈ আৰম্ভ কৰাৰ লগে লগে আমি উৎফুল্লিত হৈ পৰিলোঁ। খিৰিকীৰে দেখিলো ধুনীয়া ধুনীয়া শস্যৰ পথাৰ, হাবি-বননি, পাহাৰ আদি। কিছু সময়ৰ পিছত টিকট কালেক্টৰ আহি আমাৰ টিকটসমূহ পৰীক্ষণ কৰিলে। তেনেদৰেই ৰে'লেৰে যাত্ৰা কৰি আমি তোমাৰ ওচৰ পালোহি।



আইতা — তোমালোকে বাৰু গুৱাহাটীৰপৰা শিৱসাগৰলৈ ৰে'লেৰে আহোঁতে কি কি ষ্টেছন পাৰ হৈ আহিলা?

মিলি — আমি গুৱাহাটীৰ পল্টন বজাৰত থকা ৰে'লষ্টেচনত ৰে'লত উঠি জাগীৰোড, চাপৰমুখ, হোজাই, লংকা, লামডিং, ডিফু, ডিমাপুৰ, বোকাজান, ফৰকাটিং, তিতাবৰ, মৰিয়নি, আমগুৰি, শিমলুগুৰি ষ্টেচন পাৰ হৈ শিৱসাগৰ ষ্টেচন পালোঁহি। আইতা, প্ৰতিটো ষ্টেচনত নামফলকত ডাঙৰ ডাঙৰকৈ ষ্টেছনটোৰ নাম লিখা থাকে। ষ্টেছনৰ পৰা আমি অট'ৰিক্সাৰে তোমালোকৰ ঘৰ পালোহি।



আইতা — তোমালোকে আজি-কালি যাতায়াত আৰু যোগাযোগৰ ব্যৱস্থা বহুত দেখিছাহঁক। কিন্তু আমাৰ দিনত এঠাইৰপৰা আন এঠাইলৈ যাবলৈ হ'লে প্ৰায় খোজকাঢ়িয়েই যাব লগা হৈছিল। কেতিয়াবা অৱশ্যে গৰু গাড়ী, ঘোঁৰাগাড়ী আদিত উঠিও অহা-যোৱা কৰা হৈছিল। নৈৰ পাৰ হ'বলৈ

নাওখনেই আছিল একমাত্ৰ ব্যৱস্থা।

জিণ্টু— আইতা মায়ে কৈছে আগৰ ৰজা-মহাৰজাসকলে হেনো হাতী, ঘোঁৰা আনকি নাৱত উঠিও যুদ্ধ কৰিছিল!

আইতা— তোমালোকে কেতিয়াবা উৰা জাহাজত উঠিছানে?

মিলি — অ' আইতা, আমি এবাৰ কলকাতালৈ যাওঁতে উৰাজাহাজেৰে গৈছিলোঁ।

কিছু সময়ৰ পাছত আইতাকে মিলি আৰু জিণ্টুক পাচলিৰ বাৰীলৈ লৈ গ'ল।

আইতা — আহা আমি বাৰীলৈ যাওঁ। তাত থকা পাচলি কেইবিধমান চিঙি আনো। সেইবুলি আইতাকে দুয়োকে দুটা খৰাহী হাতত তুলি দিলে। মিলি আৰু জিণ্টুৰে মনত খুব ৰং পালে। সিহঁতে বাৰীত সোমাই আইতাকৰ সৈতে তিয়ঁহ, ভেণ্ডী, জিকা আদি বিধে বিধে পাচলি ছিঙি খৰাহীত ভৰাই আনিলে।

আইতা — আহা, বেলি মূৰৰ ওপৰ পালেহি, ভাত খাবৰ পৰ হ'ল।

মিলি — বেলি মূৰৰ ওপৰ পালেহি মানে কি আইতা?




আইতা — 'অ' মই পাহৰিছিলোৱেই। বেলি মূৰৰ ওপৰ পালেহি মানে দুপৰীয়া হ'ল। আগৰ দিনত মানুহে ঘড়ীৰ সলনি বেলিটোলৈ চাই সময়ৰ উমান লৈছিল। সেইবাবে মই তেনেকৈ ক'লো। বাৰু এতিয়া কিমান সময় হ'ল, কোৱাচোন?

জিণ্টু — ১২ বাজিল আইতা।

মিলি আৰু জিণ্টু — (দুপৰীয়াৰ আহাৰ খাবলৈ আহি মিলি আৰু জিণ্টুৰে কিছুমান পুৰণি দিনীয়া কাঁহী-বাটি দেখি আইতাকক সুধিলে) আইতা, এনেকুৱা কাঁহী-বাটি আগতে আমি দেখা নাছিলোঁ, এইবোৰৰ নামবোৰ ক'বা নেকি?

আইতা — এই দুখন বানকাঁহী, এই চাৰিটা বানবাটি আৰু এইটো গাগৰী। এইবোৰ তোমালোকৰ আজো আইতাৰ দিনৰে কাঁহী-বাটি। মই সযতনে থৈ দিছোঁ।

পিছৰ দিনা সিহঁত আটায়ে মামাকৰ গাড়ীত উঠি কীৰ্তিচিহ্নবোৰ যেনে- ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, ঐতিহাসিক মন্দিৰ শিৱদৌল, জয়দৌল আৰু ৰজাদিনীয়া বিখ্যাত জয়সাগৰ পুখুৰী চাবলৈ গ'ল। মিলি আৰু জিণ্টুয়ে মন কৰিছিল যে প্ৰত্যেকটো কীৰ্তিচিহ্ন আৰু মঠ-মন্দিৰত নামফলক লগোৱা আছে। আহোম স্বৰ্গদেউসকলে এইবোৰ কেতিয়া আৰু কেনেকৈ প্ৰতিষ্ঠা কৰিছিল তাৰ ইতিহাসো চমুকৈ ফলকত লিখা আছে।

এনেদৰে আনন্দেৰে মিলি আৰু জিণ্টুৱে গৰমৰ বন্ধৰ দিনকেইটা মাক, আইতাক আৰু মামাকৰ লগত কটালে। মামাকে গৰমৰ বন্ধ খোলাৰ আগে আগে গাড়ীৰে সিহঁতক ঘৰত থ'লেহি।


কাৰেংঘৰ


ৰংঘৰ


তলাতল ঘৰ


জয়দৌল


শিৱদৌল


জয়সাগৰ পুখুৰী

**ওপৰৰ কথোপকথনখিনিৰ যোগেদি কি বুজিলা--**

➢ মিলি আৰু জিণ্টুৱে মাকৰ সৈতে শিৱসাগৰলৈ কিহেৰে গৈছিল ?
➢ মিলিহঁতে আইতাকৰ সৈতে কৰা আলোচনাত কি কি যান-বাহনৰ কথা উল্লেখ কৰা হৈছিল ?
➢ শিৱসাগৰলৈ আৰু কি কি বাহনেৰে যাব পাৰি অভিভাৱকৰপৰা জানি লৈ লিখা।
➢ তোমালোকৰ ঘৰৰ পৰা ১০ কিলোমিটাৰ দূৰত্বলৈ কি কি বাহন চলে ?

**জানি লওঁ আহা**

যান-বাহনৰ সহায়ত আমি এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰিব পাৰোঁ। ৰিক্সা, চাইকেল, বাছ, ৰে'ল, উৰাজাহাজ আদিৰে আমি বিভিন্ন ঠাইলৈ যাব পাৰোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে মানুহে উন্নত মানৰ যান-বাহনৰ ব্যৱহাৰ কৰিব পৰা হৈছে। এনে ধৰণৰ এঠাইৰপৰা আন ঠাইলৈ অহা-যোৱা কৰা কাৰ্যই হৈছে যাতায়াত। যাতায়াতৰ বাবে আমাৰ দেশত বিভিন্ন বাট-পথ,

ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ, জলপথ আৰু আকাশী পথ আছে। এই পথবোৰত বিভিন্ন ধৰণৰ যান-বাহন চলে। যান-বাহনৰ সহায়ত মানুহ আৰু বয়-বস্তু কঢ়িয়াই নিয়া ব্যৱস্থাই হৈছে পৰিবহণ ব্যৱস্থা। আমাৰ দেশত স্থল বা পথ-পৰিবহণ, জল-পৰিবহণ, ৰে'ল-পৰিবহণ, আকাশী-পৰিবহণ আৰু ৰজ্জু পৰিবহণ ব্যৱস্থা আছে। পৰিবহণ ব্যৱস্থাত আমি নানা প্ৰকাৰৰ যান-বাহন ব্যৱহাৰ কৰোঁ।

**দলত আলোচনা কৰি আৰু শিক্ষক-শিক্ষয়িত্ৰী/অভিভাৱকৰ পৰা জানি লৈ তলৰ কামবোৰ কৰা-**

- তোমালোকৰ ঠাইখনত অহা-যোৱা কৰিবৰ বাবে কি কি যান-বাহনৰ ব্যৱস্থা আছে?
- তোমালোকে জনা কিছুমান যান-বাহনৰ নাম লিখি তলত দিয়াৰ দৰে তালিকাভুক্ত কৰা।

| যান-বাহনৰ নাম | কেইচকীয়া | ক'ত চলে (জলপথ/স্থলপথ/ৰে'লপথ/আকাশীপথ) |
|---|---|---|
| | | |




ৰে'লৰ টিকট

- ককা-আইতাহঁতক সুধি আগৰ দিনত তেওঁলোকে কি কি বাহনেৰে অহা-যোৱা কৰিছিল লিখা।
- মিলি আৰু জিণ্টুৰ মাকে কিহৰ টিকট সংগ্ৰহ কৰিছিল আৰু কিয়? দলত আলোচনা কৰি কোৱা।
- ৰে'ল ষ্টেছনৰ সময়সূচীত কি কি লিখা থাকে শিক্ষকৰ পৰা জানি লোৱা।
- মিলিৰ মাকে সংগ্ৰহ কৰা টিকটটোত কি কি লিখা আছিল? ৰে'লৰ টিকটৰ দৰে আৰু কি কি বাহনৰ বাবে টিকট সংগ্ৰহ কৰিব লাগে অভিভাৱকৰ পৰা জানি লৈ লিখা।
- মিলি আৰু জিণ্টুৱে আইতাকৰ ঘৰত দেখা পোৱা পুৰণিদিনীয়া কঁাহী-বাটিবোৰৰ নাম লিখা
- আগৰ দিনৰ আৰু আজি-কালিৰ বাচন-বৰ্তন কিছুমানৰ নাম লিখা।
- শিৱসাগৰলৈ গৈ মিলিহঁতে কি কি ঐতিহাসিক কীৰ্তি চিহ্ন চাইছিল? তাত আৰু অন্য কি কি পুৰণি কীৰ্তিচিহ্ন আছে?

**জানি লওঁ আহা**

আহোম স্বৰ্গদেউ শিৱসিংহৰ নামত খন্দোৱা শিৱসাগৰ পুখুৰীৰ পাৰত গঢ়ি উঠা চহৰখনৰ নাম শিৱসাগৰ। এই চহৰখনৰ পৰাই জিলাখনেও শিৱসাগৰ নাম পায়। শিৱসাগৰ চহৰৰ পুৰণি নাম ৰংপুৰ। ৰংপুৰ আহোম ৰাজ্যৰ ৰাজধানী আছিল। শিৱসাগৰ চহৰৰ ওচৰে-পাজৰে আহোম স্বৰ্গদেউসকলে নিৰ্মাণ কৰা অনেক কীৰ্তিচিহ্ন আছে। সেইবোৰ হ'ল— জয়সাগৰ পুখুৰী, গৌৰীসাগৰ পুখুৰী, শিৱদৌল, বিষ্ণুদৌল, দেৱীদৌল, ৰংঘৰ, কাৰেংঘৰ, তলাতল ঘৰ, নামডাঙৰ শিলৰ সাঁকো আদি।

মানচিত্ৰখনত কীৰ্তিচিহ্নসমূহ ক'ত ক'ত আছে বিচাৰি চাওঁ আহা—




➢ অভিভাৱক আৰু শিক্ষকৰ সহায়ত নিজৰ জিলাখনৰ বিষয়ে জানি লৈ তলৰ তালিকাখন পূৰ কৰা।

| জিলাখনৰ নাম | পৰিবহণ ব্যৱস্থাসমূহ | ঐতিহাসিক কীৰ্তিচিহ্নসমূহ |
|---|---|---|
| | | |

## অনুশীলনী

১। উত্তৰ লিখা

(ক) আগৰ দিনৰ তিনিবিধ বাচন-বৰ্তনৰ নাম লিখা।

(খ) শিৱসাগৰত থকা তিনিটা কীৰ্তিচিহ্নৰ নাম লিখা।

(গ) শিৱসাগৰত থকা ৰজাদিনীয়া পুখুৰী এটাৰ নাম লিখা।

(ঘ) তিনিবিধ যান-বাহনৰ নাম লিখা।

২। আগৰ দিনত মানুহে কিদৰে সময়ৰ উমান পাইছিল?

৩। যাতায়াত ব্যৱস্থা বুলিলে কি বুজা? তোমালোকৰ অঞ্চলত কি কি যাতায়াত ব্যৱস্থা আছে?

৪। তলৰ শব্দসমূহৰ বিষয়ে চাৰি শাৰীকৈ বাক্য লিখা—

পৰিবহণ, ৰে'লগাড়ী, বাচন-বৰ্তন, যান-বাহন আৰু জলপথ

৫। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা।

| ক | খ |
|---|---|
| নাও | আকাশী পথ |
| উৰাজাহাজ | আলিবাট |
| ৰে'লগাড়ী | জলপথ |
| ঘোঁৰাগাড়ী | ৰে'লপথ |

৬। তোমালোকৰ ঘৰত ব্যৱহাৰ কৰা যিকোনো এবিধ বাচনৰ ছবি আঁকা।

## পাঠ - ১৪
# আমাৰ অধিকাৰ

বিপুল কেন্দুগুৰি গাঁৰৰ ১১নং আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ। এদিন পুৱাই শিক্ষক-শিক্ষয়িত্ৰীয়ে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক ক্ষেত্ৰ ভ্ৰমণলৈ লৈ গ'ল। গন্তব্য স্থান কেন্দুগুৰি গাঁৰৰ পৰা ৬০ কিলোমিটাৰ আঁতৰৰ এটা পাহাৰীয়া অঞ্চল। অঞ্চলটোত প্ৰৱেশ কৰিয়েই সেউজীয়া গছ-গছনিৰে ভৰা মনোৰম দৃশ্য দেখি সকলো আপ্লুত হ'ল। বাছেৰে গৈ থাকোঁতে সিহঁতে দুডৰা খেতি দেখিলে। খেতিপথাৰত পুৰুষ আৰু মহিলাই খেতি কৰি আছিল। লগত ছোৱালী দুজনীমানে কোলাত সৰু ভায়েকহঁতক লৈ আছিল। এইদৰে কিছু সময় যোৱাৰ পাছত গাড়ীচালকক শিক্ষকে বাছখন ৰখাবলৈ ক'লে। শিক্ষকৰ নিৰ্দেশমতে সকলো ছাত্ৰ-ছাত্ৰীয়ে বাছখনৰপৰা নামিলে। শিক্ষকে সিহঁতক পাহাৰৰ লুংলুঙীয়া বাটেৰে নিজৰা এটা চাবলৈ লৈ গ'ল। আটায়ে নিজৰাটো দেখি বৰ আনন্দ পালে। সকলোৱে নিজৰাৰ পানীৰে খেলিলে। শিক্ষক-শিক্ষয়িত্ৰীয়ে তেওঁলোকৰ ম'বাইল ফোনেৰে সিহঁতৰ লগতে সেই সুন্দৰ পাহাৰীয়া দৃশ্যৰ ফটো তুলিলে। কিছু সময়ৰ পাছত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক ওচৰৰে এখন প্ৰাথমিক বিদ্যালয়লৈ লৈ গ'ল। বিদ্যালয়খন পাবলৈ তেওঁলোকে কিছু দূৰ খোজকাঢ়িব লগা হ'ল।




*শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতে বিপুলহঁতে বাছেৰে গৈ পোৱা পাহাৰীয়া অঞ্চলটোৰ বিদ্যালয়খন*

সেই সময়ত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে প্ৰাতঃসভাৰ বাবে শাৰী পাতি সাজু হৈছিল। সিহঁতেও বিদ্যালয়খনৰ প্ৰাতঃসভাত অংশগ্ৰহণ কৰিলে। সিহঁতে লক্ষ্য কৰিলে যে প্ৰাতঃসভাখন আগবঢ়াই নিয়াত কেৱল ল'ৰাবোৰে আগভাগ লৈছে। প্ৰাতঃসভাখন শেষ হোৱাৰ পাছত দুয়োখন বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অন্তৰংগভাৱে মত বিনিময় হ'ল।



সিহঁতে দুপৰীয়াৰ আহাৰ সেই বিদ্যালয়তে গ্ৰহণ কৰি দিনৰ ২ বজাত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা বিদায় ল'লে। তাৰ পাছত অঞ্চলটো ঘূৰি পকি চাই ৩ মান বজাত বাছত উঠি উভতি আহিল।

বাছৰ ভিতৰতে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে দিনটোৰ কথাবোৰ আলোচনা কৰিবলৈ ধৰিলে।

অনিতা — এই অঞ্চলটোৰ জনবসতি সেৰেঙা আৰু বিদ্যালয়ৰ সংখ্যাও কম। ইয়াৰ কাৰণটো কি হ'ব পাৰে ছাৰ?

শিক্ষক — এইটো পাহাৰীয়া অঞ্চল হোৱাৰ বাবে ইয়াত যাতায়াতৰ ব্যৱস্থা সুবিধাজনক নহয়। ইয়াৰ ভৌগোলিক পৰিৱেশ সুচল নোহোৱা বাবে জনসংখ্যা কম আৰু বিদ্যালয়ৰ সংখ্যাও কম।

ৰেখা — ছাৰ, মই এটা কথা মন কৰিছোঁ যে আমি পৰিদৰ্শন কৰা বিদ্যালয়খনত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা খুব কম। বিদ্যালয়লৈ নগৈ খেতি পথাৰত কিছুমান ছোৱালীয়েও কাম কৰি আছে। আমাৰ নিচিনা ছোৱালী কেইজনীমানে সিহঁতৰ ভায়েক-ভনীয়েকক ওমলাই থকাও দেখিলোঁ।

শিক্ষক — এৰা, ময়ো মন কৰিছোঁ। এই পাহাৰীয়া অঞ্চলটোত বসবাস কৰা অভিভাৱকসকলৰ বেছি ভাগেই অশিক্ষিত/নিৰক্ষৰ হোৱা বাবে শিশুৰ অধিকাৰৰ প্ৰতি তেওঁলোক ইমান সচেতন নহয়। সামাজিক আৰু ভৌগোলিকভাৱে যাতায়াত ব্যৱস্থাও সুচল নহয় বাবে এইসকল লোকে কঠোৰ পৰিশ্ৰম কৰি জীৱন নিৰ্বাহ কৰিব লগাত পৰে। বেছিভাগ পৰিয়ালত সতি-সন্ততিৰ সংখ্যা বেছি। আৰ্থিকভাৱে জুৰুলা হোৱা বাবে কিছুমান পৰিয়ালৰ মাক-দেউতাক দুয়োজনে হাজিৰা কামৰ বাবে নিতৌ ভৈয়ামলৈ যাব লাগে। গতিকে ভাই-ভনীহঁতক চোৱাচিতা কৰাৰ দায়িত্ব ছোৱালীবোৰৰ ওপৰত পৰে। ছোৱালীবোৰে বিদ্যালয়লৈ নগৈ খেতি পথাৰত কাম কৰিবলগীয়া হয়। আকৌ বহুতে অৰ্থৰ অভাৱত নগৰত নিজৰ ছোৱালীক আনৰ ঘৰত বন কৰা ছোৱালী হ'বলৈ পঠিয়ায়। এনেদৰে লিংগ-বৈষম্যৰ সৃষ্টি হৈছে।

বিপুল — ছাৰ, লিংগ-বৈষম্য মানে কি?

শিক্ষক — লিংগ-বৈষম্য মানে ল'ৰা আৰু ছোৱালীৰ মাজত থকা ভেদাভেদ।

এনে সময়তে বাছখন আহি বিদ্যালয়ৰ সন্মুখত ৰ'লহি। ল'ৰা-ছোৱালীবোৰে শাৰীপাতি নামিলে আৰু ঘৰলৈ উভতিল।

ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰ ভ্ৰমণৰ অভিজ্ঞতাৰ পৰা কি বুজিলা—

➤ বাছেৰে গৈ থাকোঁতে বিপুলহঁতে খেতি পথাৰত কি কি দেখা পাইছিল ?

তোমালোকে নিশ্চয় মন কৰিছা যে, ছাত্ৰ-ছাত্ৰীসকলে ক্ষেত্ৰ ভ্ৰমণৰ বাবে পাহাৰীয়া অঞ্চল এটালৈ গৈছিল। তাৰ পৰিৱেশ যাতায়াতৰ বাবে সুচল নহয় বাবে তাত জনসংখ্যা কম আৰু বিদ্যালয়ৰ সংখ্যাও কম। আনকি বিপুলহঁতে চাবলৈ যোৱা বিদ্যালয়খনত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যাও কম আছিল।



পাহাৰীয়া অঞ্চলটোৰ গাঁওখন

**দলত আলোচনা কৰি কোৱা —**

➤ তেওঁলোকে চাবলৈ যোৱা বিদ্যালয়খনত ল'ৰাতকৈ ছোৱালীৰ সংখ্যা কম হোৱাৰ কাৰণ কি ?

➤ লিংগ-বৈষম্য থাকিলে আমাৰ কি কি অসুবিধা হয় ?

**জানি লওঁ আহা-**

● বৰ্তমান পৃথিৱীৰ অন্য দেশৰ লগতে আমাৰ ভাৰতবৰ্ষটো শিশুৰ অধিকাৰ সাব্যস্ত কৰিবলৈ বহুতো সংগ্ৰাম চলি আহিছে। সৌ সিদিনা বাতৰি কাকত আৰু টিভিত দেখিলোঁ পাকিস্তানৰ বাসিন্দা মালালা ইউচফযাই নামৰ এগৰাকী যুৱতীয়ে ছোৱালীৰ শিক্ষাৰ বাবে অবিৰতভাৱে সংগ্ৰাম চলাই অহাৰ ফলত সন্ত্ৰাসবাদীৰ আক্ৰমণৰ বলি হ'ব লগাত পৰিছিল। আমাৰ ভাৰতবৰ্ষতো কৈলাশ সত্যাৰ্থী নামৰ ব্যক্তিজনে বহু বছৰৰ পৰা শিশুসকলৰ অধিকাৰৰ বাবে সংগ্ৰাম কৰি আহিছে।



মালালা ইউচফযাই



কৈলাশ সত্যাৰ্থী

শিশুৰ অধিকাৰৰ বাবে সংগ্ৰাম চলাই অহা বাবে পাকিস্তানৰ মালালা ইউচফযাই আৰু ভাৰতৰ কৈলাশ সত্যাৰ্থীক ২০১৪ চনত নোবেল বঁটা প্ৰদান কৰা হৈছিল।

- আমাৰ দেশতো শিশুৰ অধিকাৰৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। চৰকাৰে বিভিন্ন আইন প্ৰণয়ন কৰিছে।
- আমাৰ দেশৰ সকলো শিশুৱে যাতে শিক্ষাৰ সম অধিকাৰ পায় তাৰ বাবে ২০০৯ চনত শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ আইন প্ৰণয়ন কৰা হয়। এই আইন অনুসৰি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ সকলো ল'ৰা-ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক। তদুপৰি চৰকাৰে ১৯৮৬ চনত 'শিশু-শ্ৰমিক আইন' প্ৰণয়ন কৰে। এই আইন অনুসৰি ১৪ বছৰৰ তলৰ কোনো শিশুকে কল-কাৰখানা আদিত অৰ্থ উপাৰ্জনৰ কামত নিয়োগ কৰিব নোৱাৰিব।

**চিন্তা কৰি কোৱা—**

- তোমাৰ মাৰাই কি কি কাম কৰে?
- তোমাৰ ঘৰত দেউতাৰাই কি কি কাম কৰে?
- কেতিয়াবা মাৰৰ কাম দেউতাৰাই আৰু দেউতাৰৰ কাম মায়ে কৰা দেখিছানে?
- তোমালোকৰ ওচৰত বিদ্যালয়লৈ নোযোৱা ল'ৰা-ছোৱালী আছে নেকি? যদি আছে তাৰ কাৰণ জানিবলৈ চেষ্টা কৰা।

অসম চৰকাৰৰ অধিসূচনা মতে প্ৰতি বছৰে ৪ মাৰ্চ তাৰিখটো অসমত 'শিশু সুৰক্ষা দিৱস' হিচাপে পালন কৰা হয়।

## অনুশীলনী

১। (ক) লিংগ-বৈষম্য মানে কি?

(খ) শিশুৰ অধিকাৰ বুলিলে কি বুজা?

(গ) শিশুৰ অধিকাৰৰ বাবে থকা দুখন আইনৰ নাম উল্লেখ কৰা।

(ঘ) অসমত শিশু সুৰক্ষা দিৱস কোন তাৰিখে পালন কৰা হয়?

২। খালী ঠাই পূৰ কৰা।

(ক) বাছেৰে গৈ থাকোঁতে সিহঁতে দুডৰামান ——— দেখিলে।

(খ) সিহঁতে বিদ্যালয়খনৰ ——— সভাত অংশগ্ৰহণ কৰিলে।

(গ) আমাৰ দেশৰ চৰকাৰে ——— চনত শিশু শ্ৰমিক আইন প্ৰণয়ন কৰে।

(ঘ) ২০০৯ চনত ---------- শিক্ষাৰ আইন প্ৰবৰ্তন কৰা হয়।

৩। সত্যনে অসত্য লিখা

(ক) সিহঁতে দেখা বিদ্যালয়খনত ছোৱালীৰ সংখ্যা যথেষ্ট আছিল।

(খ) সেই অঞ্চলটোৰ জনবসতি সেৰেঙা আছিল।

(গ) লিংগ-বৈষম্য মানে ল'ৰা আৰু ছোৱালীৰ মাজত থকা ভেদাভেদ।

(ঘ) মালালা ইউচফযাই ভাৰতীয় মহিলা।

৪। আকস্মিক বক্তৃতা আয়োজন কৰা—

লিংগ-বৈষম্য, শিশু শ্ৰমিক, শিশুৰ অধিকাৰ, ক্ষেত্ৰ ভ্ৰমণ, প্ৰাতঃসভা, বিদ্যালয়

৫। প'ষ্টাৰ লিখা —

(ক) শিক্ষা শিশুৰ মৌলিক অধিকাৰ

(খ) ৬ৰ পৰা ১৪ বছৰৰ সকলো শিশুৰ শিক্ষা বাধ্যতামূলক।

## পাঠভিত্তিক শিকন ফলাফল, বিষয়- পৰিৱেশ অধ্যয়ন
### শ্ৰেণী ঃ চতুৰ্থ

| পাঠ নং | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| ১ | গছ-গছনিৰ কথা | ● চৌপাশে থকা ফুল, ফলৰ সাধাৰণ বৈশিষ্ট্যসমূহ (যেনে- আকৃতি, বৰণ, গোন্ধ, এইবোৰ ক'ত পোৱা যায় আদি) চিনাক্ত কৰিব পাৰিব।<br>● স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, প'ষ্টাৰ, এলবাম আদি প্ৰস্তুত কৰিব পাৰিব।<br>● চৌপাশৰ পৰিৱেশ নিৰীক্ষণ কৰি পোৱা অভিজ্ঞতাৰ তথ্যৰে টোকা প্ৰস্তুত কৰিব পাৰিব। |
| ২ | ভিন ভিন প্ৰাণী | ● চৰাই আৰু প্ৰাণীৰ বৈশিষ্ট্য (চৰাইৰ ঠোঁট, বাহ আৰু প্ৰাণীৰ দাঁত, হাতোৰা, কাণ, নোম, আবাসস্থল আদি) চিনাক্ত কৰিব পাৰিব।<br>● চৰাই আৰু প্ৰাণীৰ কিছুমান দৈহিক বৈশিষ্ট্য (ঠোঁট, কাণ, নোম, দাঁত, ছালৰ গঠনশৈলী আদি) প্ৰাণীৰ প্ৰবৃত্তি (ঘৰচীয়া/বনৰীয়া) আদি শ্ৰেণী বিভাজন কৰিব পাৰিব)<br>● চৌপাশৰ পৰিৱেশ নিৰীক্ষণ কৰি পোৱা অভিজ্ঞতাৰ তথ্যৰে টোকা প্ৰস্তুত কৰিব পাৰিব।<br>● স্থানীয় আৰু পেলনীয়া সামগ্ৰী ব্যৱহাৰ কৰি ক'লাজ, আৰ্হি, নমুনা, প'ষ্টাৰ, এলবাম আদি প্ৰস্তুত কৰিব পাৰিব।<br>● কেইবিধমান পৰিভ্ৰমী চৰাইৰ নাম ক'ব পাৰিব। |
| ৩ | পানী | ● স্থানীয় পানীৰ উৎসৰ পৰা কি প্ৰক্ৰিয়াৰে পানী শোধন কৰি ঘৰ বা চুবুৰীয়া অঞ্চলত যোগান ধৰা হয় আদি বৰ্ণনা কৰিব পাৰিব।<br>● কিছুমান পৰিঘটনাৰ 'কাৰণ আৰু প্ৰভাৱ'ৰ সত্যতা সৰল সঁজুলিৰ সহায়ত পৰীক্ষা-নিৰীক্ষা কৰি প্ৰমাণ কৰিব পাৰিব (যেনে- বাষ্পীভৱন, ঘণীভৱন, দ্ৰবীভূতকৰণ, শোষণ আদি)<br>● পানীৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হোৱা, এবাৰ ব্যৱহাৰ কৰা পানী পুনৰ ব্যৱহাৰ কৰা বা পুনৰাৱৰ্তন কৰা আদিৰ বিষয়ত মতামত আগবঢ়াব পাৰিব। |
| ৪ | শাক-পাচলিৰ বাগিচা | ● ফল-মূল, শাক-পাচলি, মাহজাতীয় শস্য, মচলা আদি নিৰীক্ষণ কৰি শ্ৰেণী বিভাজন কৰিব পাৰিব।<br>● দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সামগ্ৰীবোৰ (যেনে- খাদ্য, পানী, সাজ-পাৰ) বিভিন্ন উৎসৰ পৰা সংগ্ৰহ কৰা আৰু প্ৰস্তুত কৰা প্ৰক্ৰিয়াৰ বিষয়ে (খেতিৰ পৰা উৎপন্ন হোৱা শস্যবোৰ বজাৰলৈ আৰু বজাৰৰ পৰা ঘৰলৈ অনা প্ৰক্ৰিয়া)ৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।<br>● দক্ষতাৰ আৱশ্যক হোৱা কিছুমান কাম (যেনে- কৃষি কাৰ্য, নিৰ্মাণ, কাৰ্য, শিল্প-কলা আদি), উত্তৰাধিকাৰী সূত্ৰে কৰি অহা কিছুমান শিল্প কলা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণ, এনে প্ৰশিক্ষণ দিয়া অনুষ্ঠানবোৰৰ ভূমিকা আদিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব। |
| ৫ | স্বাস্থ্য আৰু সুৰক্ষা | ● স্বাস্থ্য আৰু স্বাস্থ্যবিধিৰ সম্পৰ্কত পৰামৰ্শ আগবঢ়াব পাৰিব।<br>● নিজৰ স্বাস্থ্যৰ যতন ল'ব পাৰিব।<br>● বয়সস্থ আৰু বিশেষভাৱে সক্ষম ব্যক্তিৰ লগতে জীৱ আৰু সম্পদৰ (খাদ্য, পানী, ৰাজহুৱা সম্পত্তি) যত্ন লোৱা আদি বিভিন্ন ব্যৱস্থাৰ বিষয়ত পৰামৰ্শ আগবঢ়াব পাৰিব।<br>● সৰু-সুৰা আঘাত পালে প্ৰাথমিক চিকিৎসা কৰিব পাৰিব।<br>● প্ৰাথমিক চিকিৎসাৰ প্ৰয়োজনীয়তাৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব। |

| পাঠ নং | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| ৬ | বায়ু আৰু আমাৰ চৌপাশ | ● আমাৰ চাৰিওফালে যে বায়ু আছে সেই বিষয়ে ক'ব পাৰিব।<br>● বিভিন্ন কামত বায়ুৰ ব্যৱহাৰ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।<br>● বায়ু কেনেকৈ দূষিত হয় সেই সম্পৰ্কে সজাগতা আনিবলৈ শ্লোগান লিখি প'ষ্টাৰ নিৰ্মাণ কৰিব পাৰিব। |
| ৭ | আমাৰ সামাজিক অনুষ্ঠান | ● সমাজৰ অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম আৰু সেইবোৰৰ উপকাৰিতা সম্পৰ্কে ক'ব পাৰিব। |
| ৮ | আমাৰ উৎসৱসমূহ | ● আমাৰ দেশত উদ্‌যাপন কৰা উৎসৱসমূহৰ নাম ক'ব পাৰিব আৰু সেই উৎসৱসমূহ কেনেদৰে পালন কৰা হয় বৰ্ণনা কৰিব পাৰিব। |
| ৯ | আমাৰ ৰাষ্ট্ৰীয় পতাকা | ● ৰাষ্ট্ৰীয় দিৱসত অংশগ্ৰহণ কৰিব আৰু উৎসৱ পালনৰ তাৎপৰ্য বৰ্ণনা কৰিব পাৰিব।<br>● ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা, সন্মান জনোৱা সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● ৰাষ্ট্ৰীয় পতাকাখন অংকন কৰিব পাৰিব। |
| ১০ | আমাৰ ৰাজ্যখন | ● অসমৰ চাৰিসীমা চিনাক্ত কৰিব পাৰিব।<br>● অসমৰ মানচিত্ৰত নিজৰ জিলাখন চিনাক্ত কৰিব পাৰিব।<br>● অসমৰ প্ৰাকৃতিক বিভাগকেইটাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।<br>● সাংকেতিক চিহ্নৰ সহায়ত মানচিত্ৰত বিদ্যালয়, চুবুৰীয়া অঞ্চল, সংকেত, কোনো ঠাইৰ স্থিতি, গুৰুত্বপূৰ্ণ ঠাই আদি চিনাক্ত কৰিব পাৰিব আৰু আনকো সেইবোৰ বিচাৰি উলিওৱাত নিৰ্দেশনা দিব পাৰিব।<br>● বিদ্যালয়/চুবুৰীয়া অঞ্চলৰ সৰল মানচিত্ৰৰ আৰ্হি আদি তৈয়াৰ কৰিব পাৰিব। |
| ১১ | অসমৰ প্ৰাকৃতিক সম্পদ | ● অসমৰ প্ৰাকৃতিক সম্পদ সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব।<br>● প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ মনোভাৱ গঢ়ি তুলিব পাৰিব।<br>● জাক পাতি থকা প্ৰাণীবোৰৰ (পৰুৱা, মৌ-মাখি, হাতী আদি) দলীয় আচৰণ, চৰাইৰ বাহ সজা কাৰ্যসমূহ বৰ্ণনা কৰিব পাৰিব। |
| ১২ | অসমৰ কুটীৰ শিল্প | ● অসমৰ কুটীৰ শিল্পসমূহৰ নাম ক'ব পাৰিব।<br>● অসমৰ মানচিত্ৰত কুটীৰ শিল্প চিনাক্ত কৰিব পাৰিব।<br>● অসমৰ কুটীৰ শিল্পসমূহে যে অৰ্থনৈতিক উন্নয়নত সহায় কৰে সেই বিষয়ে মতামত আগবঢ়াব পাৰিব।<br>● দক্ষতাৰ আৱশ্যক হোৱা কিছুমান কাম (যেনে- কৃষি কাৰ্য, নিৰ্মাণ, কাৰ্য, শিল্প-কলা আদি), উত্তৰাধিকাৰী সূত্ৰে কৰি অহা কিছুমান শিল্প কলা আৰু এইবোৰৰ বাবে প্ৰয়োজন হোৱা প্ৰশিক্ষণ, এনে প্ৰশিক্ষণ দিয়া অনুষ্ঠানবোৰৰ ভূমিকা আদিৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব। |
| ১৩ | শিৱসাগৰলৈ যাত্ৰা | ● অতীত আৰু বৰ্তমানৰ পৰিবহণ ব্যৱস্থা, মুদ্ৰা, ঘৰ, সামগ্ৰী, সা-সঁজুলি/আহিলাপাতি আদিৰ পাৰ্থক্য উলিয়াব পাৰিব।<br>● দুই বা ততোধিক বস্তুৰ মাজত দূৰত্ব, ওজন, সময়, সময়ৰ ব্যৱধান আদি জোখ-মাখ কৰি স্থানীয়/নিৰ্ধাৰিত এককত (কিলো, গজ, পাব আদি) নিৰ্ণয় কৰিব পাৰিব।<br>● মেলা, উৎসৱ, ঐতিহাসিক ঠাই আদি নিৰীক্ষণ কৰি পোৱা অভিজ্ঞতাৰ তথ্যৰে টোকা প্ৰস্তুত কৰিব পাৰিব।<br>● নামফলক প'ষ্টাৰ, মুদ্ৰা (টকা-পইচা) ৰে'লৰ টিকট/সময়সূচী আদিত দিয়া তথ্যৰ ব্যৱহাৰ কৰিব পাৰিব। |
| ১৪ | আমাৰ অধিকাৰ | ● ঘৰ, বিদ্যালয়, চুবুৰীয়া অঞ্চল নিৰীক্ষণ কৰি সামাজিক ব্যৱস্থাৰ বিষয়ে আহৰণ কৰা কিছুমান অভিজ্ঞতা (যেনে- লিংগভিত্তিক কাৰ্য, লিংগ সমতা, শিশুৰ অধিকাৰ) আদিৰ বিষয়ত নিজৰ মতামত দিব পাৰিব। |

# প্ৰাকৃতিক দুৰ্যোগৰ পৰা হাত সাৰিবলৈ প্ৰস্তুতি


## ভূমিকম্প হোৱাৰ সময়ত—



মুকলি ঠাইত থাকিলে শুই পৰিব লাগে।



ঘৰৰ ভিতৰত থাকিলে বিছনা বা মেজৰ তলত আশ্ৰয় ল'ব লাগে।



বিদ্যালয়ৰ ভিতৰত থাকিলে বেঞ্চ বা মেজৰ তলত আশ্ৰয় লৈ খুঁটাত খামুচি ধৰি থাকিব লাগে।




পেলনীয়া বস্তু ডাষ্টবিন বা গাঁতত পেলাব লাগে। ঘৰ বা স্কুল পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাৰ লগতে চুবুৰি আৰু চৌপাশ পৰিষ্কাৰ কৰাৰো প্ৰয়োজন।







পানীয়েই জীৱৰ প্ৰাণ। পানী অবিহনে আমি জীয়াই থাকিব নোৱাৰোঁ। সেয়েহে, আমি সকলোৱে যথাযথভাৱে পানী ব্যৱহাৰ কৰা উচিত।





বৰষুণৰ পানী সংৰক্ষণ কৰিও আমি পানীৰ অভাৱ দূৰ কৰিব পাৰোঁ। আমি আমাৰ বিদ্যালয় আৰু ঘৰত বৰষুণৰ পানী সংৰক্ষণ কৰা উচিত।



পৰিয়ালৰ সদস্য, বন্ধু-বান্ধৱ আৰু ওচৰ-চুবুৰীয়াকো পানীৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে উৎসাহিত কৰোঁ আহা।



বিদ্যালয় শিক্ষা বিভাগ, অসম চৰকাৰ